DP1148

CONTENTS

DECEMBER, SESSION

No. 2

Dated, Dispur the 20ST Dec, 2011

		Page
1.	Questions and Answers	1-152
2.	Discussion on zero Hour Matter	153-176
3.	Report of the Business Advisory Committee	177
4.	Call Attention Notice	178-184
5.	Matter under Rule 301	185-203
6.	Private Member's Resolution	204-207
7.	Adjournment	208
8.	Annexure-I to L-VII	209-1226

* * * * *

DEBATES OF THE
ASSAM LEGISLATIVE ASSEMBLY

Tuesday, the 20th December, 2011.

The House met at 9-00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 21, Hon'ble Member, Sri Monilal Gowala.

Sub : Gratuity of the Ex-workers of Assam Tea Corporation Ltd.

Shri Monilal Gowala asked :

*21. Will the Minister of Labour & Employment be pleased to state :

(a) The number of pending gratuity case of the Ex-Workers of Tea Garden in Assam (Tea

Garden-wise figure with the year from which pending may be submitted).

(b) What action has the Govt. taken to dispose of the pending cases?

(c) Would the Govt. ensure any specific time by which all the cases will be cleared?

Sri Prithivi Majhi (Minister, Labour & Employment) replied :

(a) The number of pending gratuity cases of the ex-workers of Assam Tea Corporation Ltd. is nil as of date as per information received from the field offices.

Therefore the furnishing of garden wise figure with period of pendency does not arise.

(b) Legislative action as per provisions laid down under the Payment of Gratuity Act, 1972 has been followed by the Labour Deptt. Officers who have since been appointed in vaious capacities under the Act for implementation purposes.

(c) No specific time limit for total clearance of pending gratuity cases could be given due to legal intricacies involved with the issue. However, utmost endeavour is made by the Govt. at different levels for speedy disposal of the cases.

Mr. Speaker : Now, Starred Question No.22, Hon'ble Member, Sri Banendra Mushahari.

বিষয় ঃ W.P.T. আদর্শ গাঁও।

শ্রীবনেন্দ্র কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

✱ ২২। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৮ চনৰ আজিলৈকে W.P.T. & BC বিভাগৰ জৰিয়তে অসমৰ কিমানখন গাঁও আদর্শ গাঁও হিচাপে ঘোষণা কৰা হৈছে জনাবনে? (তালিকা মেজত দাখিল কৰিব)

(খ) স্বীকৃতি পোৱা আদর্শ গাঁওসমূহৰ কিমানকৈ টকা আৱণ্টন দিয়া হৈছে আৰু কিমান টকা মোকলাই দিবলৈ বাকী আছে সবিশেষ জনাবনে?

(গ) ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ আছাৰী কান্দী গাঁওখন আদর্শ গাঁও

হিচাপে ঘোষণা কৰাটো চৰকাৰ অৱগত নে?

(ঘ) যদি অৱগত, তেন্তে আছ্বাৰী কান্দী গাঁওক আদর্শ গাঁও হিচাপে কিমান টকা আৱণ্টন দিয়া হৈছে বিতংকৈ জনাবনে?

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৮ চনৰ পৰা আজিলৈ এই বিভাগৰ দ্বাৰা অসমৰ কোনো গাঁওকে আদর্শ গাঁও হিচাপে ঘোষণা কৰা হোৱা নাই।

অৱশ্যে ২০১০ চনৰ পৰা এতিয়ালৈকে WPT & BC বিভাগৰ জৰিয়তে অসমৰ মুঠ ১১০ খন গাঁও আদর্শ গাঁও হিচাপে গঢ়ি তুলিবলৈ আঁচনি গ্রহণ কৰা হৈছে। ইয়াৰে ১০৪ খন গাঁও অনুসূচীত জাতি বসতি প্রধান আৰু ৬খন অনুসূচীত জনজাতি বসতি প্রধান। (গাঁওৰ তালিকা মেজত দাখিল কৰা হ'ল)

(See Annexure - I)

(খ) প্রশ্ন নুঠে।

(গ) ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ আছ্বাৰী কান্দী গাঁওখনক আদর্শ গাঁও হিচাপে গঢ়ি তুলিবলৈ আঁচনিভুক্ত কৰাটো চৰকাৰৰ অৱগত।

(ঘ) আছ্বাৰী কান্দী গাঁওখনক আদর্শ গাঁও হিচাপে গঢ়ি তুলিবলৈ ১ কোটি ৫০ লাখ টকা আৱণ্টন দিয়া হৈছে।

✱ **শ্রীবনেন্দ্র কুমাৰ মুছাহাৰী ঃ** অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে ২০১০

চনৰ পৰা এতিয়ালৈকে ১১০ খন গাঁও আদর্শ গাঁও হিচাবে গঢ়ি তোলাৰ ব্যৱস্থা কৰিছে। মই জানিব বিচাৰিছো এই আঁচনি ৰূপায়ণ কৰাৰ বাবে ক্রাইটেৰিয়া কি? ইয়াৰ কাৰণে মন্ত্রী মহোদয়ে ১৬৫ কোটি টকা ধার্য্য কৰা বুলিও কৈছে। তাৰ কাৰণে আচাৰি কান্দী গাঁওখনো অন্তৰভূক্তকৰা বুলি কৈছে। কিন্তু আঁছনি প্রস্তুত কৰিছে যদিও সেই আঁচনি এতিয়ালৈকে ৰূপায়ণ কৰা নাই। গতিকে আঁচনিখন পৰিৱর্তন কৰি নতুন আঁচনি লোৱাৰ নির্দেশ মন্ত্রী মহোদয়ে দিবনে?

✱ **শ্রীৰাজীৱ লোচন পেগু ঃ** (মন্ত্রী, ভৈয়াম জনজাতি) ১১০ খন গাঁও আদর্শ গাঁও হিচাবে গঢ়ি তুলিবলৈ আঁচনি প্রস্তুত কৰি ইতিমধ্যে কেন্দ্রীয় চৰকাৰলৈ পঠিওৱা হৈছে। তাৰোপৰি মৰিগাঁও আৰু নগাঁওৰ অনুসূচীত জন-জাতি আৰু অনুসূচীত জাতি গাঁওসমূহৰ তালিকা কেন্দ্রীয় চৰকাৰে পাইছে। ইয়াৰ ভিতৰত ৪খন অনুসূচীত জনজাতিৰ গাঁও আছে। কেন্দ্রীয় চৰকাৰে ইতিমধ্যে ৬০ শতাংশ ধন মুকলি কৰি দিছে। তাৰ ভিতৰত চাৰিখন অনুসূচীত জাতিৰ ধণ মুকলি কৰি দিয়া নাই। প্রাক্কলন প্রস্তুত কৰিব কৈছে।

✱ **শ্রী মনিলাল গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ১ নং প্রশ্নটো আছিল অসম চাহ-বাগানৰ কিমান কর্মীয়ে এতিয়ালৈকে গ্রেটুইটি ধন পোৱা নাই? মন্ত্রী মহোদয়ে উত্তৰত অকল চাহ নিগমৰ কথা ক'লে আৰু নাই বুলি কৈছে। I would request Hon'ble minister to enquire into it and reply in the next session

---

✱ Speech not corrected

in Government time.

✱ **শ্রীপৃথিৰী মাঝি (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম চাহ নিগমৰ পজিচনটো কৈছো অভিযোগ কাৰিয়ে অভিযোগ দিলেহে কেচ হয়। এই কেচৰ ওপৰত ভিত্তি কৰিহে আমি ব্যৱস্থা লওঁ। যদি কিবা অভিযোগ থাকে দিলে আমি চাম।

✱ **শ্রী পল্লৱ লোচন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গ্রেটুইটীসমূহ অসমত থকা চাহ কর্মীসকলে নাপায়। কিছুমান লোকে কাম কৰি কৰি মৰিয়েই গ'ল। ২০০৬ চনতে গ্রেটুইটী কমিচনাৰ নিয়োগ কৰিলে। কিন্তু আজিলৈকে কোনোৱে গ্রেটুইটী পোৱা নাই। চাহ কর্মীসকলক গ্রেটুইটী সময় মতে দিয়াৰ ব্যৱস্থা কৰিবনে?

✱ **শ্রী পৃথিৰী মাঝি (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, গ্রেটুইটী এক্ট মতে বিভিন্ন ঠাইত লেৱাৰ অফিচাৰ নিয়োগ কৰে। কিন্তু গ্রেটুইটী এক্টখন আকৌ কেন্দ্রীয় চৰকাৰে সংশোধন কৰাৰ কাৰণে এটা পার্থক্য আহিছে। আৰু সেই মতে গ্রেটুইটী কমিচনাৰ দিয়া হৈছে। এতিয়া সেই এক্টৰ আউটাত গ্রেটুইটী কমিচনাৰ সোনকালে নিয়োগ কৰা হ'ব। আৰু সেই মতে ব্যৱস্থা লোৱা হ'ব।

✱ **শ্রীঅঞ্জন দত্ত** ঃ ২০০৪ চনৰ পৰা অসম চাহ নিগমৰ বাগিছাসমূহৰ অৱস্থা বেয়া হৈ গৈছে। ২০০৪ চনত বন্ধই কৰিছিল। তেতিয়াৰ পৰা তেওঁলোকে গ্রেটুইটী পাবলৈ বাকী আছে। এতিয়া চাহ নিগমৰ কর্মচাৰীসকলে চৰকাৰী হাৰত দৰমহা পায়। অন্যান্য

✱ Speech not corrected

বেনিফিটসমূহো সময় মতে পাই আছে নে?

✱ **শ্রীপৃথিৱী মাঝি (মন্ত্রী)** ঃ আমি সকলোৱে অৱগত যে অসম চাহ নিগমৰ বাগিছাসমূহৰ অৱস্থা অতি বেয়া। অসম চাহ নিগমৰ বাগিছাসমূহ দেখত-ভাল কৰে উদ্যোগ বিভাগে। তেতিয়াৰ পৰা তেওঁলোকৰ কিছু উন্নয়ন হৈছে আৰু ওৱেজ আদিও বৃদ্ধি হৈছে। গ্ৰেটুইটীৰ কাৰণে ৬০ কোটি টকা মোকলাই দিয়াৰ ব্যৱস্থা আছে আৰু ৰেচন আদিত্ত দিয়া হৈছে। ৩০ কোটি টকা এতিয়ালৈকে দিয়া হৈছে আৰু বাকীখিনি টকা দিয়াৰ বাবে প্ৰচেষ্টা চলি আছে। এই দিশটো উদ্যোগ বিভাগে চাই আছে।

✱ **শ্রীবনেন্দ্র মুছাহাৰী** ঃ অধ্যক্ষ মহোদয়, আছাৰী কান্দী গাঁওখনৰ কাৰণে ১ কোটি ৫০ লাখ টকাৰ আঁচনি লৈছে। আৰু আঁচনিটো প্ৰস্তুত কৰিছে জিলা পৰিষদৰ তৰফৰ পৰা। কিন্তু ইয়াত তেৰাকটা আঁচনিটো অন্তৰভুক্ত কৰা নাই। গতিকে ইয়াৰ কৰাণে এটা নতুন আঁচনি প্ৰস্তুত কৰাৰ নিৰ্দেশ মন্ত্রী মহোদয়ে দিব নে? এই আঁচনি ৰূপায়ণ কৰাৰ দায়িত্ব এচটি বোৰ্ডক দিব নে?

✱ **শ্রীৰাজীৱ লোচন পেগু (মন্ত্রী)** ঃ এই ১১০ খন গাঁওৰ ৪খন অনুসূচীত জাতিৰ গাঁও দুৰুং আৰু ওজাৰি কামৰূপৰ, আচাৰী কান্দী ধুবুৰীৰ, বৰ্মনপাৰা আৰু হেকাই পাৰা কোকৰাঝাৰৰ আৰু বামুন্দি বৰপেটাৰ। আপুনি কোৱা গাঁওখন ইয়াত সন্নিবিষ্ট হোৱা নাই।

✱ Speech not corrected

✱ **শ্রীবনেন্দ্র মুছাহাৰী ঃ** আপুনি আছাৰী কান্দী গাঁওৰ স্বীকৃতি দিছেই, ১৫০ কোটি দিছেই। তেৰাকটা শিল্পৰ কথাটো ইয়াত অন্তৰভুক্ত হোৱা নাই। সেই কাৰণে মই নতুন আঁচনি প্ৰস্তুত কৰিবলৈ কৈছো।

✱ **শ্রীৰাজীৰ লোচন পেগু (মন্ত্রী) ঃ** মাননীয় সদস্যগৰাকীৰ পৰামৰ্শ মই গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছো আৰু তাৰ কাৰণে ব্যৱস্থা ল'বলৈ যত্নপৰ হ'ম।

✱ **শ্রীবিবেকানন্দ দলে ঃ** মন্ত্রী মহোদয়ে যিখন তালিকাৰ কথা কৈছে সেইখনৰ কপি আমাক দিব নেকি? কেনেধৰণৰ আঁচনি প্ৰস্তুত কৰিছে ক'ৰ পৰা আৰম্ভ হ'ব সেই সকলোবিলাক জানিব পাৰিলে ভাল হয়।

✱ **শ্রীৰাজীৰ লোচন পেগু (মন্ত্রী) ঃ** নগাঁও আৰু মৰিগাঁওৰ প্ৰথম পৰ্য্যায়ত ৫০খন গাঁওৰ কাম আৰম্ভ কৰা হ'ব কেন্দ্ৰীয় চৰকাৰৰ গাইড লাইন মতে, কাম বিলাক সোনকালেই আৰম্ভ হ'ব।

✱ **শ্রীজয়ন্ত মল্ল বৰুৱা ঃ** মন্ত্রী মহোদয়ে ১১০খন আদৰ্শ গাঁও গঢ়ি তুলিবলৈ লোৱা প্ৰচেষ্টা প্ৰশংসনীয়। কিন্তু এই তালিকাত নলবাৰী জিলাৰ এখন গাঁওত বিচাৰি নাপালো। অথচ নলবাৰী জিলাত অনুসূচীত জাতিৰ সংখ্যা শতকৰা ৮.৫ আৰু অনুসূচীত জনজাতিৰ সংখ্যাও ৭.৫ মুঠ ১৬ ভাগ অনুসূচীত জাতি আৰু জনজাতিৰ লোক আছে। তৎসত্বেও নলবাৰী জিলাৰ পৰা এখনো গাঁও অন্তৰভুক্ত নোহোৱাটোকে নলবাৰী জিলাৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰাটোকে বুজায় নে? ভৰিষ্যতে এনে নকৰিবলৈ মই মন্ত্রী

---

* Speech not corrected

মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো।

✱ শ্রীৰাজীৱ লোচন পেগু ঃ মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে নলবাৰী জিলাৰ বুলি নহয় আঁচনিখন মাত্র ৬খন জিলাতহে কৰা হৈছে। প্রধান মন্ত্রীৰ আদর্শ গাঁও যোজনা আঁচনিত মাত্র ৮ খন ৰাজ্যতহে আঁচনি লৈছে। ৬ খন জিলাৰ ক্লচটাৰ বেচ হিচাবে একোখন গাঁও লোৱা হৈছে। এই আঁচনিটো চলি থাকিলে ভৱিষ্যতে মাননীয় সদস্যগৰাকীয়ে কোৱা হিচাবে আমি গুৰুত্ব দিম।

✱ শ্রী অঞ্জন দত্ত ঃ আঁচনিখন প্রসংশনীয়। কিন্তু এই বিভাগে গোলাঘাট, শিৱসাগৰ, তিনিচুকীয়া, ডিব্রুগড়ৰ জিলাসমূহলৈ একেবাৰে চকু-কাণ দিয়া নাই? কিহৰ ভিত্তিত ধুবুৰী, কোকৰাঝাৰ আদিত ইমান গুৰুত্ব দিলে। শিৱসাগৰ, গোলাঘাটতো জনজাতি আৰু অনুসূচীত জনজাতিৰ জনসংখ্যা ইমান কম নহয়?

✱ শ্রীৰাজীৱ লোচন পেগু (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যিকেইখন গাঁও লোৱা হৈছে নগাঁও বা মৰিগাঁও অতি পিছপৰা অঞ্চল। আৰু এটা স্তুপিকৃত জনসংখ্যাৰ ভিত্তিত লোৱা হৈছে। ভৱিষ্যতে চলি থাকিলে আৰু আঁচনি লোৱা হ'ব।

✱ শ্রীঅঞ্জন দত্ত ঃ আমি কি এনে অপৰাধ কৰিলো যে আমাৰ ফালে নগ'ল।

(উত্তৰ নাই)

Sub : Nos. of Irrigation Projects.

✱ Speech not corrected

Shri Sushanta Borgohain asked :

✱ 23. Will the Minister of Irrigation be pleased to state:

(a) How many Irrigation projects have been implemented in the Thowra LAC?

(b) How many of the projects are still active?

Dr. Ardhendu Kumar Dey (Minister, of Irrigation) replied:

(a) 13 (thirteen) Nos. of Irrigation Schemes have been implemented in the Thowra LAC.

(b) 6 (six) Nos. Irrigation Schemes are in still active but in partially operative condition.

✱ **Sri Sushanta Borgohain :** How many Irrigation projects have been implemented in the Thowra LAC and how many of the projects are still active?

✱ **Dr. Ardhendu Kumar Dey (Minister, Irrigation) :** The names of the schemes are:-

A. Completed schemes –

(1) LIS from river Demow in Ekarani

✱ Speech not corrected

point (Partially operative)

(2) LIS from river Demow in Raichal point (Partially operative)

(3) LIS from river Desang in No. 2 Konwar Gaon (partially operative)

(4) LIS from river Demow at Palengi in Dhundarmukh area Pt. No. 1 (patially operaive)

(5) LIS from river Demow at Palengi in Dhundammukh area Pt. No. 2 (patially operaive)

(6) LIS from river Demow in Sukanpukhuri Pt. (defunct Scheme)

(7) Dehajan habi DTW IS (defunct scheme)

(8) PIF by STW schemes in Block No. 43 in Pani Dehing Mouza 30 Pts (TSP) (defunct scheme)

(9) STW scheme at Demow block 14 (TSP) (Partially operative)

---

* Speech not corrected

B. Ongoing Scheme :

(10) LIS from river Desang in Dehingia gaon.

(11) Gaminri Galgeri DTW IS (3 pgs)

(12) Panidehing DTW IS (2 Pts)

C. Abandoned Schemes :

(13) LIS from river Buridehing in Nitai Mouza.

✱ **Sri Sushanta Borgohain :** Hon'ble Speaker Sir, whether these schemes are implemented under 13th Finance Commission grants? What about the two GPs in my constituency?

✱ **Dr. Ardhendu Kumar Dey (Minister, Irrigation) :** I can assure the Hon'ble Member that under 13th FC we will complete the scheme.

✱ শ্রীপীয়ুষ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰহা সমষ্টিত এখন জলসিঞ্চন আঁচনি আছে ...

মাননীয় অধ্যক্ষ ঃ এইটো থাওৰা সমষ্টিৰ প্ৰশ্ন চলি আছে, আপুনি তাত মৰিগাঁওৰ

✱ Speech not corrected

কথাতো কিয় আনিছে?

✱ শ্রীপীয়ুষ হাজৰিকা ঃ অধ্যক্ষ মহোদয়, জলসিঞ্চনৰ প্রশ্ন কাৰণে মই কৈছো, এইটো বৰ জৰুৰী চাৰ।

মাননীয় অধ্যক্ষ ঃ মন্ত্রী মহোদয়ে চাওঁক, যদি দৰকাৰ হয় আপুনি বেলেগ প্রশ্ন বিচাৰিব পাৰে।

✱ শ্রীপীয়ুষ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিটোত অতি নিম্ন মানৰ কাম হৈছে। ইয়াৰ কেনেলবিলাকত যি প্লাষ্টাৰ কৰিছে, মাত্র অলপ অলপ মচলা লগাই থৈ গৈছে। আৰু এই আঁচনিটোৰ কাষতে জলসিঞ্চন বিভাগৰ এটা পৰিদর্শন বাংলো আছে। ইয়াৰ যি বাউণ্ডেৰী ওৰাল দিছিলে, তাৰ কাম অতি নিম্নমানৰ হোৱাৰ বাবে তাৰ ওৰাল এখন ভাঙি পৰিছে আৰু এটা গৰু আঘাতপ্রাপ্ত হৈছে। কেনেবাকৈ মানুহ আঘাতপ্রাপ্ত হোৱা হ'লে মন্ত্রী মহোদয়ক আৰু চৰকাৰক সমালোচনা কৰিলেহেঁতেন। গতিকে এই বিষয়টো মই মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো।

✱ ডাঃ অর্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ এটা বেলেগ প্রশ্ন দিলে ভাল হ'ব। তথাপি মাননীয় সদস্যজনে যিটো অভিযোগ আনিছে মই পৰীক্ষা কৰি চাম।

✱ শ্রীশৰৎ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এখন আঁচনি আছিলে, ১৯৭৪ চনতে থাওঁৰা সমষ্টিৰ লগতে বক্তাত, এই আঁচনিখনৰ পৰা বক্তা অঞ্চলত পানীয়েই নাপালে, এই ক্ষেত্রত মন্ত্রী মহোদয়ে

✱ Speech not corrected

ব্যৱস্থা ল'ব নেকি?

✱ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মই পৰীক্ষা কৰি চাম আৰু ব্যৱস্থা লম।

Mr. Speaker : Now, Starred Question No.24, Hon'ble Member, Sri Membor Gogoi.

বিষয় ঃ জনজাতিকৰণ।

শ্রীমেম্বৰ গগৈয়ে সুধিছে ঃ

✱ ২৪। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বসবাস কৰা ৬ (ছয়)টা জাতি ক্রমে টাই, আহোম, কোচ ৰাজবংশী, চুতীয়া, মৰাণ, মটক আৰু চাহ জনজাতি এই ছয় জাতি জনগোষ্ঠীক জনজাতিকৰণৰ চৰকাৰে যি ব্যৱস্থা কৰিছে বৰ্তমান ইকি পর্য্যায়ত আছে অনুগ্রহ কৰি চৰকাৰে জনাবনে?

শ্রীৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণী কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) আহোম, চুতীয়া, মৰাণ, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠীক জনজাতিকৰণৰ বিষয়টো বৰ্তমানে কেন্দ্রীয় চৰকাৰৰ ওচৰত বিবেচনাধীন হৈ আছে। ইতিমধ্যে মৰাণ, মটক আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ বৈশিষ্ট্যতাৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰিবৰ বাবে গঠন

✱ Speech not corrected

কৰি দিয়া বিশেষজ্ঞ কমিটিয়ে দাখিল কৰা প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। চাহ জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিয়ে তেওঁলোকৰ প্ৰতিবেদন এই বিভাগত দাখিল কৰিছে আৰু এই প্ৰতিবেদন অনতিপলমে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। টাই-আহোম আৰু চুতীয়া জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিয়ে এতিয়ালৈকে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰা নাই।

✱ **শ্ৰীমেম্বৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে টাই আহোম আৰু চুতীয়া জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিয়ে এতিয়ালৈকে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰা নাই। মই জানিব বিচাৰিছো এইটো খৰতকীয়া কৰিবলৈ চৰকাৰে ব্যৱস্থা ল'ব নেকি? আৰু আগতে যি প্ৰতিবেদন দাখিল কৰা হৈছে, সেই প্ৰতিবেদনৰ ভিত্তিত কিবা ব্যৱস্থা লোৱা হৈছে নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

✱ **শ্ৰীৰাজীৱ লোচন পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আহোম, চুতীয়া, মৰাণ, মটক, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠীক জনজাতিকৰণ সম্পৰ্কত বিশেষজ্ঞ কমিটিৰ প্ৰতিবেদন ভাৰত চৰকাৰৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হৈছিল। আৰু সেই প্ৰতিবেদন ভাৰত চৰকাৰে পৰীক্ষা-নিৰীক্ষা কৰি আৰু কিছু তথ্য দিবলৈ আমাক নিৰ্দেশ দিয়ে, সেই মতে এই জনগোষ্ঠীসমূহৰ বৈশিষ্টতাৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰিবলৈ সুকীয়া সুকীয়া কৈ বিশেষজ্ঞ কমিটি গঠন কৰি দিয়া হয়। ইতিমধ্যে মৰাণ, মটক আৰু কোচ ৰাজবংশীৰ

✱ Speech not corrected

ওপৰত বিশেষজ্ঞ কমিটিয়ে দাখিল কৰা প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হৈছে। চাহ জনগোষ্ঠীৰ ৰিপোৰ্ট চৰকাৰৰ ওচৰত দাখিল কৰিছে আৰু সোনকালে ভাৰত চৰকাৰলৈ পঠোৱাৰ বাবে ব্যৱস্থা কৰা হৈছে। টাই-আহোম আৰু চুতীয়া জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিৰ প্ৰতিবেদন এতিয়াও দাখিল কৰা নাই আৰু প্ৰতিবেদন দাখিল কৰিলেই আমি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা লম।

✱ **শ্ৰীমেস্বৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, যাতে যিখিনি ৰিপোৰ্ট কেন্দ্ৰীয় চৰকাৰলৈ পঠাব আৰু কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱাৰ পিছত আমাৰ কৰণীয়খিনিৰ প্ৰতি মুখ্যমন্ত্ৰী মহোদয় তথা চৰকাৰৰ তৰফৰ পৰা লক্ষ্য ৰাখিব নেকি? আমাৰ যিটো মৰাণ জনগোষ্ঠী আছে তেওঁলোকে জনজাতিকৰণৰ দাবীত যোৱাকালি লাষ্টগেটত আৰু কেইদিন আগতে দিল্লীত ধৰ্ণা প্ৰদৰ্শণ কৰিছে। গতিকে এই বিষয়ত আমাৰ চৰকাৰৰ যিখিনি কৰণীয় সেইখিনি কৰিব বুলি আশা কৰিছো।

✱ **ডাঃ দুৰ্লভ চমুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই জনজাতিকৰণৰ সম্পৰ্কত বহুত ৰিপোৰ্ট দিলে, বহুত পৰীক্ষা-নিৰীক্ষা হ'ল। চিলেক্ট কমিটিয়েও পৰীক্ষা-নিৰীক্ষা কৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ অনুমোদন দিলে। তথাপিও এতিয়া পৰীক্ষা-নিৰীক্ষা চলি আছে। আমাৰ কাষৰীয়া ৰাজ্য মেঘালয়ত জনজাতিকৰণ হৈ গ'ল। আমাৰ এতিয়াও পৰীক্ষা-নিৰীক্ষা চলি আছে। আমাৰ চৰকাৰে ভাৰত চৰকাৰৰ লগত

✱ Speech not corrected

আলোচনা কৰি সোনকালে জনজাতিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

✱ **শ্ৰীৰাজীৱ লোচন পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনজাতিকৰণ ব্যৱস্থাটো আমাৰ হাতত নাই, এইটো সম্পূৰ্ণ কেন্দ্ৰীয় চৰকাৰৰ হাতত। তেওঁলোকে পৰীক্ষা-নিৰীক্ষা কৰি জনজাতিকৰণৰ বাবে অধিক তথ্য বিচাৰিছে। আমি সেই তথ্যখিনি যিমান পাৰি সোনকালে দিয়াৰ ব্যৱস্থা কৰিম আৰু এই জনজাতিকৰণৰ প্ৰক্ৰিয়াটো তৰান্বিত কৰাৰ ব্যৱস্থা লম।

✱ **শ্ৰীপল্লৱ লোচন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই জনজাতিকৰণৰ সম্পৰ্ক চেচাৰ কমিশ্যন, ৰায় প্ৰধানী কমিশ্যন আদি কৰি বহুত কমিশ্যন হ'ল আৰু এই কমিশ্যনবিলাকৰ সকলোৱে জনজাতিকৰণৰ সপক্ষে অনুমোদন জনাইছে। ইয়াৰ পিছত আকৌ এতিয়া বিশেষজ্ঞ কমিটিৰ ৰিপোৰ্ট কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই জনজাতিকৰণ প্ৰক্ৰিয়াটোত আৰু কিমান দিন লাগিব, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

✱ **শ্ৰীৰাজীৱ লোচন পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই জনজাতিকৰণৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। কেন্দ্ৰীয় চৰকাৰে এই জনগোষ্ঠীসমূহ জনজাতিকৰণৰ কাৰণে কি কি বৈশিষ্ট আছে তাৰ ওপৰত ৰিপোৰ্ট বিচাৰিছে। সেই কাৰণে প্ৰতিটো জনগোষ্ঠীৰ বাবে বিশেষজ্ঞ কমিটি গঠন কৰি ৰিপোৰ্ট চাৱমিট কৰা হৈছে। এই ক্ষেত্ৰত আমাৰ অসম চৰকাৰৰ যিখিনি কৰণীয় সেইখিনি আমি

✱ Speech not corrected

গুৰুত্ব সহকাৰে কৰিম।

✱ **শ্ৰীএটোৱা মুণ্ডা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা চেষ্টা চলাই থকা হৈছে বুলি কৈছে। আমাৰ চাহ-বাগিচাবিলাক বিভিন্ন প্ৰান্তত আছে তাত আমাৰ বিভিন্ন চাহ জনগোষ্ঠী আছে। তেনে অৱস্থাত যিটো প্ৰক্ৰিয়াই জনজাতিকৰণ কৰাৰ কথা কৈছে সেইটো কেতিয়া হ'বগৈ লগতে গোটেই ব্যৱস্থাটোৰ ওপৰত এৰিয়াৰ ৰেচটিকচনৰ কথা আছে, তাৰ কি ব্যৱস্থা কৰিছে।

✱ **শ্ৰীৰাজীৱ লোচন পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনজাতিকৰণৰ ব্যৱস্থা যি প্ৰক্ৰিয়া সেয়া চলি আছে। আমাৰ চাহ জনগোষ্ঠীৰ কাম চলি আছে আৰু বিশেষজ্ঞ কমিটিয়ে প্ৰতিবেদন দিছে। আমাৰ গোটেই ভাৰতবৰ্ষত ৯৬ টা জনগোষ্ঠীৰ সন্দৰ্ভত কাম চলি আছে। অসমত যিকেইটাৰ হোৱা নাই আমি তাৰ কাৰণে কাম কৰি আছো আৰু চাহ জনগোষ্ঠীৰ প্ৰক্ৰিয়া চলি আছে।

✱ **শ্ৰীএটোৱা মুণ্ডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এৰিয়াৰ ৰেষ্টিকচনৰ কথা কৈছো। অসমৰ কোনবিলাক অঞ্চলক ইয়াত ধৰিব, বিশেষকৈ বাগানবিলাকত থকা চাহ জনগোষ্ঠীকে ল'ব নে অন্যান্য সকলকো ল'ব।

✱ **শ্ৰীৰাজীৱ লোচন পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াৰ ব্যৱস্থা কৰিছো।

✱ **শ্ৰীঅঞ্জন দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোন কোন অঞ্চলত কৰিছে। আজিলৈকে কি ব্যৱস্থা হৈছে। কোনো ধৰণৰ কাম আগবঢ়া নাই।

✱ Speech not corrected

(সদনত হুলস্থূল)

মাননীয় অধ্যক্ষ ঃ এই বিষয়টো গুৰুত্বসহকাৰে লোৱা হৈছে। এই বিষয়ে আলোচনা কৰি নটিচ দিয়া হ'ব। আমি ইয়াৰ বৰস্থা সোনকালে লম।

বিষয় ঃ দুর্যোগ ব্যৱস্থাপনা ও পুনৰ সংস্থাপন।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

✷ ২৫। মাননীয় ৰাজহ ও দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত নদীৰ গৰাখহনীয়া, বিভিন্ন প্রাকৃতিক দুর্যোগ আৰু গোষ্ঠী সংঘর্ষ আদিত কিমান পৰিয়াল গৃহহীন হৈ আভ্যন্তৰিণভাৱে স্থানান্তৰণ হৈছে? জিলা ভিত্তিত বিতং তালিকা সদনত দাখিল কৰিব।

(খ) ব্রহ্মপুত্র আৰু বেকী নদীৰ গৰাখহনয়াত বৰপেটা জিলাত যোৱা পাছ বছৰত কিমানখন ৰাজহুৱা গাঁও নিচ্ছিন্ন হৈ কিমান পৰিয়ালে ঘৰ, মাটি হেৰুৱালে? নাম সহকাৰে তালিকা বিতংভাৱে সদনত জনাব।

(গ) এই পৰিয়ালবোৰে এতিয়া ক'ত কেনেকৈ বসতি কৰি আছে?

(ঘ) চৰকাৰে এই পৰিয়ালবোৰক পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা কৰিবনে?

(ঙ) যদি কৰে, কেতিয়াৰ পৰা কৰিব?

(চ) যদি নকৰে, কিয় নকৰে?

শ্রীপৃথিৱী মাঝি (ৰাজহ ও দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত নদীৰ গৰাখহনীয়া, বিভিন্ন প্রাকৃতিক দুর্যোগ আৰু গোষ্ঠী সংঘর্ষ আদিত জিলা উপায়ুক্তসকলৰ পৰা এতিয়ালৈকে পোৱা তথ্য অনুসৰি সর্বমুঠ ৩৭,৯০৬ টা পৰিয়াল গৃহহীন হৈ আভ্যন্তৰিণভাৱে স্থানান্তৰণ হৈছে।

(জিলা ভিত্তিত বিতং তথ্য সম্বলিত তালিকা পৰিশিষ্ট 'ক'ত দিয়া হ'ল)

(See Annexure-II)

(খ) ব্রহ্মপুত্র আৰু বেকী নদীৰ গৰাখহনীয়া বৰপেটা জিলাত যোৱা পাছ বছৰত গৰাখহনীয়াৰ কবলত পৰি কোনো গাঁও নিচ্ছিন্ন হোৱা নাই যদিও বৰপেটা জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য মতে ১২৬ খন গাঁৱৰ ৫,৮৯২ টা পৰিয়াল আৰু ১২,১২৬ বিঘা ১ কঠা ৮ লেচা মাটিৰ ক্ষতি হৈছে। (নাম সহকাৰে বিতং তথ্য জিলা উপায়ুক্তৰ পৰা বেতাৰ বার্তা নং আৰ, জি, আৰ ৫০২/২০১১/২ তাং ১৩/১২/২০১১ আৰু সোঁৱৰণী পত্র নং আৰ, জি, আৰ, ৫০২/২০১১/৪ তাং ১৫/১২/২০১১ যোগে বিচৰা হৈছে)।

(গ) জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য মতে গৰাখহনীয়াত ক্ষতিগ্রস্ত ৫,৮৯২ টা পৰিয়ালৰ ৩,১৫৪টা পৰিয়াল মথাউৰিত, ৫১৬ টা পৰিয়াল চৰকাৰী ৰিজার্ভত, ১,৩৫৪ টা পৰিয়াল অস্থায়ী চৰ-চাপৰিত আৰু ৮৬৮টা পৰিয়াল আন আন ঠাইত বসতি কৰি আছে।

(ঘ) যোৱা ৭/৬/২০১১ ইং তাৰিখে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে অসম বিধানসভাৰ মজিয়াত প্রদান কৰা বহুমূলীয়া ভাষণত

ব্যক্ত কৰিছে - "খহনীয়া আক্রান্ত পৰিয়ালসমূহক পুনৰ সংস্থাপিত কৰিবলৈ এখন পুনৰ সংস্থাপন কর্তৃপক্ষ স্থাপন কৰা হ'ব। বান আৰু খহনীয়াত আক্রান্ত লোকসকলৰ বাবে গৃহ নির্মাণ কৰিবলৈ 'সামূহিক আশ্রয় প্রকল্প' নামৰ এখন বিশেষ আঁচনি ৰূপায়ণৰ কাম হাতত লোৱা হ'ব" ৰাজ্যপাল মহোদয়ৰ উক্ত ভাষনৰ আধাৰত "পুনৰ সংস্থাপন কর্তৃপক্ষ" গঠন আৰু "সামূহিক আশ্রয় প্রকল্প" আৰম্ভ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা হাতত লোৱা হৈছে।

(ঙ) 'ঘ' প্রশ্নৰ উত্তৰ অংশত সন্নিবিষ্ট কৰা হৈছে।

(চ) প্রশ্ন নুঠে।

✱ **শ্রীআব্দুৰ ৰহিম খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে মোৰ যি কেইটা প্রশ্ন আছে ইয়াত উত্তৰ দিছে। মোৰ তৃতীয় প্রশ্নটোৰ উত্তৰত দিছে জিলা উপায়ুক্তৰ পৰা পোৱা তথ্যমতে গৰাখহনীয়াত ক্ষতিগ্রস্থ পৰিয়ালে মথাউৰি, চৰকাৰী ৰির্জাভ, চৰ-চাপৰিকে আদি কৰি অন্যান্য ঠাইত বসবাস কৰি আছে। বর্তমান লাষ্ট গেটত তেওঁলোকে ধর্ণা দি আছে। এই ক্ষতিগ্রস্থ লোকসকলক চৰকাৰে কি ব্যৱস্থা লৈছে তেওঁলোকৰ চৰকাৰৰ ফালৰ পৰা কিবা ব্যৱস্থা ল'ব নেকি? এওঁলোক ভাৰতবর্ষৰ বিভিন্ন প্রান্তত জীৱিকাৰ বাবে যাব লগা হৈছে। যিসকলক ক্ষতিগ্রস্থ লোক তেওঁলোকক মাটি পট্টন দিয়া হোৱা নাছিল। অন্যান্য ৰাজ্যত গৈ তেঁওলোক হাৰাশাস্তি হ'ব লগা হৈছে।

✱ **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষতিগ্রস্থ লোকসকলৰ পি আৰ চিৰ কথা কৈছে। প্রাকৃতিক দুর্যোগত ক্ষতিগ্রস্থ লোকসকলক সংস্থাপনৰ ব্যৱস্থা আছে। বানপানীত ক্ষতিগ্রস্থ বা ভূমিকম্পত ক্ষতিগ্রস্থ লোকসকলক সংস্থাপনৰ ব্যৱস্থা আছে । কিন্তু গৰাখহনীয়াত ক্ষতিগ্রস্থ লোকসকলৰ কাৰণে তেনে কোনো ব্যৱস্থা নাই। ২০১০ চনৰ ২৭ নবেম্বৰত আমাৰ কেন্দ্রীয় গৃহ মন্ত্রীলৈ এই বিষয়ত এখন এক্ট কৰিব লাগে বুলি প্রস্তাৱ দিয়া হৈছে। বর্তমান এই ক্ষতিগ্রস্থ লোকসকলক ২০০০ টকা দিয়াৰ ব্যৱস্থা আছে।

✱ **শ্রীআব্দুৰ ৰহিম খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই লোকসকলক চার্টিফিকেট দিয়াৰ ব্যৱস্থা কৰিব নেকি? তেওঁলোকৰ যিসকল ভূমিহীন পৰিয়াল আছে তেওঁলোকৰ পৰিয়ালৰ লোকসকলৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষা ক্ষেত্রত চৰকাৰৰ ফালৰ পৰা কিবা ব্যৱস্থা ল'ব নেকি?

✱ **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো চোৱা হ'ব। আইনৰ ফালৰ পৰা চাব লাগিব। পুলিচৰ ফালৰ পৰা দিব পৰা যাব নেকি চোৱা হ'ব।

✱ **শ্রীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্রত ল এণ্ড অর্ডাৰৰ কথা আছে এই কথাটো মানি ল'ব পৰা নাযাব। মোৰ বাঘবৰ সমষ্টিৰ বহুত লোক সংস্থাপন নোহোৱাৰ কাৰণে লক্ষনৌ-দিল্লী আদিত কাম কৰিবলৈ যাব লগা হৈছে। তেওঁলোক এই ক্ষেত্রত নানা ধৰণৰ হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছে। তেওঁলোকৰ চিকিউৰিটিৰ কথা আহি পৰিছে। এই ক্ষেত্রত চৰকাৰৰ

ফালৰ পৰা এটা বিহিত ব্যৱস্থা ল'ব লাগে।

✱ **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত প্ৰশ্ন হ'ল যে আমি কেনেকৈ জানিম যে কোনখন ৰাজ্যত কোনে গৈ কাম কৰি আছে সেই কথা আমাৰ অৱগত নহয়। আমি ক্ষতিগ্ৰস্থ লোকসকলৰ বাবে ব্যৱস্থা কৰিম।

✱ **শ্ৰীশ্বেৰমান আলি আহমেদ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত গৃহ সচিবৰ লগত আলোচনা কৰি হলেও ব্যৱস্থা ল'ব লাগে। এই ক্ষতিগ্ৰস্থ লোকসকলক একোখনকৈ প্ৰমাণ-পত্ৰ দিব লাগে, এইটো আৰক্ষীৰ দ্বাৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোক অসমৰ বাসিন্দা বুলি ভাৰতৰ অন্যান্য ৰাজ্যত জানিব লাগে।

✱ **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ কাৰণে ব্যৱস্থা চলাই আছে। এতিয়া এই সকলো কথা কৰা হ'ব।

(সদনত হুলস্থূল চলি থাকে)

অধ্যক্ষ মহোদয়, ইয়াৰ বাবে আমাৰ প্ৰচেষ্টা চলি আছে। এই প্ৰচেষ্টা শেষ হোৱাৰ পিছত আমি ব্যৱস্থা ল'ব পাৰিম।

✱ **শ্ৰীশ্বেৰমান আলি আহমেদ** ঃ কি ব্যৱস্থা লোৱা হ'ব। আমি দেখিছো যে আজি বছৰ বছৰ ধৰি এই লোকসকলে দুৰ্ভোগ ভূগি আছে।

(সদনত গন্দগোল)

মাননীয় অধ্যক্ষ ঃ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মাননীয় বন মন্ত্ৰীয়ে উত্তৰ দিব।

✱ **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে

✱ Speech not corrected

যিটো প্রশ্ন কৰিছিল সেইটো পুনৰ সংস্থাপনৰ লগত জড়িত প্রশ্ন আছিল। সেই কাৰণে মন্ত্রী মহোদয়ে আইন শৃংখলাৰ লগত প্রশ্নৰ উত্তৰ দিব নোৱাৰে বুলি কৈছিল। কথা হৈছে, আপোনালোকে নীতি-নিয়মৰ মাজেদি প্রশ্ন কৰক। আপোনালোকে যদি নীতি-নিয়মৰ মাজেৰে প্রশ্ন কৰে আমি উত্তৰ দিব পাৰো আপোনালোকে আমাৰ স্পেচিফিক দিয়ক। আমি ক'ব বিচাৰিছো যে এজন এজন মানুহৰ সুৰক্ষাৰ দায়িত্ব আমাৰ।

(সদনত গন্দগোল)

এন, আৰ, ছিৰ ক্ষেত্রত আপোনালোকে আমাক সহায় কৰক। আমাৰ চৰকাৰ প্রকৃত ভাৰতীয় নাগৰিকৰ সুৰক্ষা দিয়াত বদ্ধপৰিকৰ। কোনেও এই ক্ষেত্রত ৰাজনীতিকৰণ কৰিব নালাগে।

মাননীয় অধ্যক্ষ ঃ যিহেতু আপোনালোকে কৈছে তেওঁলোক ভাৰতীয় নাগৰিক। গতিকে তেওঁলোকক ৰক্ষণাবেক্ষণ দিয়াটো আমা হাউচৰ দায়িত্ব। আপোনাকে আনৰুলি নহ'ব।

✱ **শ্রীকমল সিং নার্জাৰী ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিহৰ কাৰণে ৰাজহ ও দুর্যোগ ব্যৱস্থাপনা বিভাগটো বি, টিচি লৈ ট্রেন্সফাৰ হৈ যোৱা নাই। এইটো এই কাৰণেই কৈছো যে বিধানসভাৰ তথ্যৰ পৰা জানিব পাৰিছো যে বি টি চি এলেকাতেই যথেষ্ট সংখ্যক লোক গৰাখহনীয়াত আৰু গোষ্ঠীগত সংঘর্ষত গৃহহীন হোৱা পৰিয়াল আছে। এই বিভাগটো বি টি চি লৈ ট্রেন্সফাৰ নোহোৱাৰ ফলত আমি সমস্যাবিলাক সমাধান কৰিব

* Speech not corrected

পৰা নাই। গতিকে সোনকালে এই বিভাগটো বি টি চি লৈ ট্ৰেন্সফাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

✱ শ্ৰীভূপেন কুমাৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে লক্ষীমপুৰ জিলাত বানপানী আৰু গৰাখহনীয়াৰ ফলত ১১২৭ টা পৰিয়াল গৃহহীন হৈ আছে। অধ্যক্ষ মহোদয়, ২০০৮ চনত যেতিয়া নীপকোৱে একেলগে ৫খন গেট খুলি দিছিল তেতিয়া একে ৰাতিয়েই ৭৫০ টা পৰিয়াল বানপানীৰ ফলত গৃহহীন হৈছিল। কিন্তু আজি চাৰি বছৰেও এই গৃহহীন লোকসকলক চৰকাৰে পুনৰসংস্থাপন কৰিব পৰা নাই। আজি চৰকাৰে বৃহৎ নদী বান্ধৰ কথাটো লৈ আলোচনা কৰিব বিচৰা নাই। আজি যদি চৰকাৰে চাৰি বছৰেও ১১২৭ টা পৰিয়ালক পুনৰ সংস্থাপন কৰিব নোৱাৰে তেতিয়াহ'লে একে ৰাতিয়েই ৭৫০ টা পৰিয়াল গৃহহীন হ'লে কেনেকৈ পুনৰ সংস্থান কৰিব। আজি ইমান বছৰে সেই লোকসকলৰ পুনৰ সংস্থাপন নোহোৱাত তেওঁলোকৰ ধৈর্য্যচ্যুতি হৈছে আৰু তেওঁলোকে আন্দোলন কৰি আছে। এই ভূমিহীন পৰিয়ালসমূহক মাত্ৰ দুই বান্দিল টিন আৰু দুই হাজাৰ টকা দি পুনৰ সংস্থান কৰিলে নহ'ব। তেওঁলোকৰ বাবে চৰকাৰে বিশেষ পেকেজৰ জৰিয়তে এই লোকসকলক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, ইয়াত যিখন লিষ্ট দিয়া হৈছে তাত ধেমাজী জিলাত 'নীল' বুলি দেখুৱাইছে। মই ধেমাজীৰ এম,এল,এৰ লগতো এই বিষয়ে কথা পাতিছো। অধ্যক্ষ মহোদয়, ধেমাজীলৈ গ'লে নেচনেল হাইৱেৰ কাষে কাষে বহুতো গৃহহীন পৰিয়াল এতিয়াও বাস কৰি

থকাটো আপোনালোকে দেখিব। গতিকে মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ধেমাজীৰ 'নীল' বুলি যি ভুল তথ্য দিছে সেই ভুল তথ্য দিয়া বিষয়াৰ বিৰুদ্ধে মন্ত্রী মহোদয়ে কিবা ব্যৱস্থা গ্রহণ কৰিব নে? লগতে মই মন্ত্রী মহোদয়ক ক'ব বিচাৰিছো যে সোৱণশিৰি আৰু ৰঙানদীৰ গৰাখহনীয়াত যিসকল লোক গৃহহীন হৈছে তেওঁলোকক চৰকাৰে বিশেষ পেকেজৰ জৰিয়তে পুনৰ সংস্থানৰ ব্যৱস্থা কৰিব লাগে।

✱ **শ্রীপৃথিৰী মাঝি (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ধেমাজীৰ তথ্য-পাতিৰ বিষয়ে যিটো কথা কৈছে সেইটো আমি চাম। গৰাখহনীয়াত গৃহহীন হোৱা সকল নেচনেল কেলামিটিচ্ বিভাগত নপৰা বাবে আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে নিজাববীয়াকৈ এই লোকসকলৰ বাবে দুই বান্দিল টিনপাত আৰু দুই হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থা কৰিছে। মাননীয় মুখ্যমন্ত্রী মহোদয়ে এইটো নেচনেল কেলামিটিচ বিভাগত সুমুৱাই লোৱাৰ বাবেও কেন্দ্রীয় চৰকাৰলৈ চিঠি লিখিছে। তাৰোপৰি স্পেচিয়েল পেকেজৰ বিষয়ে যিটো কৈছে এই বিষয়ে মুখ্যমন্ত্রীৰ লগত আলোচনা কৰি ব্যৱস্থা লোৱা হ'ব।

Mr. Speaker : Now, Starred Question No.26, Hon'ble Member, Sri Jadav Chandra Deka.

বিষয় ঃ অনাময় আৰু জলমণি আঁচনি।

শ্রীযাদৰ চন্দ্র ডেকাই সুধিছে ঃ

✱ ২৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰঙিয়া সংমণ্ডলৰ সম্পূৰ্ণ অনাময় আঁচনিৰ জৰিয়তে কিমানটা শৌচাগাৰ নিৰ্মাণ আৰু জলমণি আঁচনিৰ জৰিয়তে কিমানটা পানী ফিল্টাৰ বহুৱা হৈছে জনাবনে? (তালিকা সদনৰ মেজত সমষ্টি ভিত্তিত দিব)

(খ) এই আঁচনি দুটাৰ অধীনত কিমানটা শৌচাগাৰ নিৰ্মাণ আৰু পানী ফিল্টাৰৰ কাম হাতত লোৱা হৈছে।

(গ) কামখিনিৰ বাবদ কিমান টকা আৱণ্টন দিছে?

(ঘ) কিমান টকা খৰচ কৰা হ'ল আৰু কিমান বাকী আছে? (আঁচনিৰ বিপৰীতে টকাৰ পৰিমাণ সদনত দাখিল কৰিব)

(ঙ) বৰ্তমান বাকী থকা আঁচনি দুখনৰ কাম কেতিয়া শেষ কৰিব, জনাবনে?

শ্ৰীগৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰঙিয়া সংমণ্ডলৰ সম্পূৰ্ণ অনাময় আঁচনিৰ জৰিয়তে মুঠ ৯,১৩৯ টা শৌচাগাৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰে ৰঙিয়া সমষ্টিত মুঠ ৩,২৪৫ টা, কমলপুৰ সমষ্টিত ৫,৩০৯ টা আৰু হাজো সমষ্টিত ৫৮৫ টা শৌচাগাৰ নিৰ্মাণ কৰা হৈছে। (সমষ্টি ভিত্তিত উপভোক্তাৰ তালিকা সংলগ্ন কৰা হ'ল) আৰু জলমণি আঁচনিৰ জৰিয়তে এতিয়ালৈকে কোনো পানী ফিল্টাৰ বহুৱা হোৱা নাই।

(খ) অনাময় আঁচনিৰ অধীনত মুঠ ১৪,০৪০ টা শৌচাগাৰ নির্মাণৰ কাম হাতত লোৱা হৈছে আৰু ১১১টা পানী ফিল্টাৰৰ কাম হাতত লোৱা হৈছে।

(গ) কামখিনিৰ বাবদ (অনাময় আঁচনিৰ) ৪,৯৯,৬৬,০০০.০০ টকাৰ আৱণ্টন আছে যদিও এই আৱণ্টনৰ ধনখিনি কামৰূপ জিলা পানী যোগান আৰু অনাময় সমিতি (KDWSC)ৰ জৰিয়তে কামৰ অগ্রগতি অনুযায়ী পুঁজি মোকলাই দিয়াৰ ব্যৱস্থা কৰে।

(ঘ) বর্তমানলৈকে অনাময় আঁচনিৰ অধীনত ১,৫৩,৪০,৪৯২'০০ টকা খৰচ কৰা হৈছে আৰু বাকী থকা আৱণ্টিত ৩,৪৬,২৫,৫০৮'০০ টকা কামৰূপ জিলা পানী যোগান আৰু অনাময় সমিতি (KDWSC)ৰ অধীনত জমা আছে। আনহাতে, পানী ফিল্টাৰ বহুৱাৰ বাবদ কোনো ধন খৰচ কৰা হোৱা নাই।

(ঙ) বর্তমান অনাময় আঁচনিৰ অধীনত বাকী থকা কামখিনি ২০১২ ইং চনৰ ভিতৰত আৰু জলমণি আঁচনিৰ কাম এই বিত্তীয় বর্ষত (২০১১-২০১২) শেষ কৰিব পৰা যাব বুলি ঠিৰাং কৰা হৈছে।

✱ **শ্রীযাদৱ চন্দ্র ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিছুমান পঞ্চায়ত সভাপতি বা সভানেত্রীয়ে বেনিফিছাৰী বিলাকৰ পৰা ৩০০শ টকাকৈ লৈ সেই টকাটো জমা নিদিয়ে। ফলত বেনিফিছাৰীবিলাক বঞ্চিত হয়। অনাময় আঁচনিৰ সুবিধা ল'ব নোৱাৰে। এই পঞ্চায়ত সভাপতি বা নেত্রীবিলাকৰ

✱ Speech not corrected

ওপৰত মন্ত্রী মহোদয়ে শাস্তিমূলক ব্যৱস্থা ল'ব নেকি? ইয়াত চৰকাৰী বিষয়া নিয়োগ কৰি আঁচনিখন স্বচ্চ কৰাৰ ব্যৱস্থা কৰিব নেকি?

✱ শ্রীগৌতম ৰয় (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রথমতে, এই প্রশ্নটো কৰাৰ কাৰণে মই শ্রীডেকাক ধন্যবাদ দিছো। তেখেতে কৈছে যে কোনোবা পঞ্চায়ত সভাপতিক ৩০০শ টকা দিছে, অনাময় আঁচনিৰ কাৰণে। এনেকুৱা যদি কিবা আছে স্পেছিফিক নাম দিব লাগিব। আমি লগে লগে ব্যৱস্থা লম। ২৪ ঘণ্টাৰ ভিতৰতে ব্যৱস্থা লম। আমি এই আঁচনিৰ কাৰণে গোটেই অসম ঘূৰিম। এইখন ভাল আঁচনি। ইয়াত কমিটি আছে। ডি, চি ইয়াৰ চেয়াৰমেন। বাকী এম, এল, এ সকলৰো দায়িত্ব আছে।

✱ শ্রীকেশৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিখন অনাময় আঁচনি আছে সঁচা অর্থত সেইখন সফল হোৱা নাই। আগতে জিলা পৰিষদৰ চেয়াৰমেন আছিল, এতিয়া ডি,চি হৈছে। কিন্তু আগতে বিধায়কসকল ইয়াৰ মেম্বাৰ আছিল। আজিকালি আছে নে নাই নাজানো। বেনিফিছ্বাৰী বিলাক উপকৃত হৈছে নে নাই, সেই বিষয়ে এমাহৰ ভিতৰতে ডি,চিৰ পৰা ৰিভিউ কৰিব লাগে।

✱ শ্রীগৌতম ৰয় (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সকলো বিধায়ক ইয়াৰ মেম্বাৰ। আপোনালোকে ভাল ঠিকাদাৰক নাম দিব, কামটো ভাল হ ব। আপোনালোক সকলোৰে দায়িত্ব আছে। গতিকে ভাল

✱ Speech not corrected

ফাইনেন্সিয়েল চাউণ্ড থকা ঠিকাদাৰৰ নাম দিব। কাম ভাল হ'ব।

✱ **শ্রীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মন্ত্রী মহোদয়, এনেকৈ নক'ব। আমি কাম বিচাৰি নাযাও। কামটো হৈছে নে নাই সেইটোহে চকু দিও।

মাননীয় অধ্যক্ষ ঃ এম, এল, এ বিলাক মন্ত্রীৰ ওচৰলৈ কাম বিচাৰি অহা কথাটো এক্সপাঞ্জ কৰি দিয়া হওক।

✱ **শ্রীপল্লৱ লোচন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ দৰিদ্র সীমাৰেখাৰ তলৰ মানুহৰ লিষ্ট আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লিষ্টৰ মাজত যথেষ্ট বিসংগতি দেখা যায়। চাহ বাগিছাৰ মানুহবিলাকৰ ক্ষেত্রটো অনাময় আঁচনিৰ সুবিধা পোৱা নাই। এই বিষয়ে মন্ত্রী মহোদয়ে কিবা ব্যৱস্থা গ্রহণ কৰিব নেকি?

✱ **শ্রী গৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ মন্ত্রী মোৰ ওচৰতে বহি আছে। এইটো তেখেতে চাব। আই, ডি কার্ডৰ কাৰণেও দেৰি হৈছে।

✱ **শ্রীঅঞ্জন দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিৱসাগৰ জিলাত মোৰ সমষ্টিতে অনাময় আঁচনিত ৩৬ লাখ টকাৰ দুর্নীতি হৈছিল। তাৰ আজিলৈকে তদন্ত নহ'ল। এমাহৰ আগতেই প্রস্তাৰ লোৱা হৈছিল, কিন্তু আজিলৈকে কোনো ব্যৱস্থা নহ'ল। পি, এইচ, ইৰ ইঞ্জিনিয়াৰৰে নহয়, আপাৰ আমাম কমিশ্যনাৰ আদিৰ দ্বাৰা তদন্ত হ'ব লাগে।

✱ Speech not corrected
✱✱✱✱ Expunzed as ordered by the chair.

✱ শ্রীগৌতম ৰয় (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ব্যৱস্থা লোৱা হ'ব।

(Starred Question Nos 27 to 40 could not be taken up for disposal as the question Hour was over. However, the said Question deemed to have been laid on the table of the House with replies there to)

বিষয় ঃ আঁচনি ৰূপায়ণ সম্পৰ্কে।

শ্রীৰফিকুল ইছলামে সুধিছে ঃ

✱ ২৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনেঃ

(ক) বিত্তীয় বর্ষ ২০০৫-০৬ ৰ পৰা ২০১০-১১ বর্ষলৈ জনীয়া সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগে মুঠ কিমানখন আঁচনি ৰূপায়ণ কৰিলে? (আঁচনিসমূহৰ নামৰ লগতে আৱণ্টিত পুঁজিৰ বিতং তালিকা সদনক জনাব)

(খ) উক্ত আঁচনিসমূহৰ কিমানখন আঁচনি সম্পূর্ণ হৈ উঠিল? (আঁচনিৰ নামৰ লগতে ব্যয় হোৱা পুঁজি আৰু ঠিকাদাৰৰ নামৰ তালিকা দাখিল কৰিব)

(গ) অসম্পূর্ণ হৈ থকা আঁচনিবোৰৰ নাম ও ইয়াৰ বিপৰীতে জমা থকা পুঁজিৰ সবিশেষ সদনত জনাবনে?

(ঘ) আগন্তুক বিত্তীয় বর্ষত জনয়ী সমষ্টিত মুঠ কিমান টকা ব্যয় সাপেক্ষে, কিমানখন আঁচনি ৰূপায়ণ কৰা হ'ব?

(ঙ) উক্ত আঁচনিসমূহ কিমান দিনৰ ভিতৰত কার্য্যক্ষম হৈ উঠিব?

(চ) জনীয়া সমষ্টিৰ অন্তর্গত গাঁও পঞ্চায়তসমূহত আজিলৈকে অনাময় আঁচনিৰ অধীনত মুঠ কিমানটা শৌচাগাৰ নির্মাণ হৈছে?

(ছ) উক্ত শৌচাগাৰসমূহৰ নির্মাণৰ কাম কোন কোন N.G.O আৰু Self Help Group ৰ দ্বাৰা সম্পন্ন কৰা হৈছে? (পঞ্চায়ত ভিত্তিত হিতাধিকাৰীৰ নামৰ তালিকাসহ বিতং খতিয়ান দাখল কৰিব)

শ্রীগৌতম ৰয় (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিত্তীয় বর্ষ ২০০৫-০৬ ৰ পৰা ২০১০-১১ বর্ষলৈ জনীয়া সমষ্টিত ৰৰপেটা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ দ্বাৰা ১০খন আঁচনি ৰূপায়ণ কৰা হয়। আঁচনিসমূহৰ নামৰ লগতে আৱণ্টিত ব্যয় তালিকা তলত উল্লেখ কৰা হ'ল।

ক্রমিক নং	আঁচনিৰ নাম	আৱণ্টিত পুঁজি
১	গাগলমাৰী পানী যোগান আঁচনি	১২.৯৭ লাখ টকা
২	জনীয়া পানী যোগান আঁচনি	১২.৯৭ লাখ টকা
৩	সৰু হাৰিদ পানী যোগান আঁচনি	৩৫.১৬ লাখ টকা
৪	মাদুলিঝাৰ পানী যোগান আঁচনি	১৭.১৯ লাখ টকা
৫	বালা গাঁও পানী যোদান আঁচনি	১৬.৬৩ লাখ টকা
৬	দাবান্দিয়া পানী যোগান আঁচনি	৩২.৬০ লাখ টকা
৭	গুনিয়াল গুৰি পানী যোগান আঁচনি	১৯.১১ লাখ টকা
৮	আমগুৰি পানী যোগান আঁচনি	১৩.২৯ লাখ টকা
৯	বৰভিটা পানী যোগান আঁচনি	৮.৪০ লাখ টকা
১০	কলগাছিয়া পানী যোগান আঁচনি	৩৯.১২ লাখ টকা

(খ)

ক্রমিক নং	আঁচনিৰ নাম	ব্যয় হোৱা পুঁজি
১	বালা গাঁও পানী যোগান আঁচনি	১৬.৬৩ লাখ টকা
২	দাবান্দিয়া পানী যোগান আঁচনি	৩২.৬০ লাখ টকা
৩	গুনিয়াল গুৰি পানী যোগান আঁচনি	১৯.১১ লাখ টকা
৪	বৰভিটা পানী যোগান আঁচনি	৮.৪০ লাখ টকা
৫	কলগাছিয়া পানী যোদান আঁচনি	৩৯.১২ লাখ টকা

Annexure – Aত ঠিকাদাৰৰ নামৰ তালিকা সংলগ্ন কৰা হ'ল।)

(See Annexure - III)

(গ) অসম্পূর্ণ হৈ থকা আঁচনিবোৰৰ নাম ও ইয়াৰ বিপৰীতে জমা থকা পুঁজিৰ তালিকা তলত উল্লেখ কৰা হ'ল।

ক্রঃ নং	আঁচনিৰ নাম	জমা থকা পুঁজি
১	সৰু হাৰিদ পানী যোগান আঁচনি	৬.৮৪ লাখ টকা
২	মাদুলিঝাৰ পানী যোগান আঁচনি	২২.৮১ লাখ টকা
৩	আমগুৰি পানী যোগান আঁচনি	২১.৭১ লাখ টকা
৪	গাগলমাৰী পানী যোগান আঁচনি	৭.৮৩ লাখ টকা
৫	জনীয়া পানী যোগান আঁচনি	৪৬.৮২ লাখ টকা

(ঘ) আগন্তুক বিত্তীয় বর্ষত মুঠ ২১১.০৮ লাখ টকা ব্যয় সাপেক্ষে নিম্নলিখিত আঁচনি সাতখন ৰূপায়ণ কৰা হ'ব।

ক্রঃ নং	আঁচনিৰ নাম	
১	সৰু হাৰিদ পানী যোগান আঁচনি	
২	মাদুলিঝাৰ পানী যোগান আঁচনি	
৩	আমগুৰি পানী যোগান আঁচনি	
৪	গাগলমাৰী পানী যোগান আঁচনি	
৫	জনীয়া পানী যোগান আঁচনি	
৬	মেধিৰতাৰী পাথলিকুছি পানী যোদান আঁচনি	
৭	কৰেৰতল পানী যোগান আঁচনি	

(ঙ) উপৰোক্ত আঁচনি ৭ (সাত)খনৰ ক্রমিক নং ১ৰ পৰা ৫লৈকে মার্চ ২০১০ চনৰ ভিতৰত আৰু ক্রমিক নং ৬ আৰু ৭দুখন মার্চ ২০১৩ চনৰ ভিতৰত কার্য্যক্ষম হৈ উঠিব।

(চ) জনীয়া সমষ্টিৰ অন্তর্গত মুঠ ২০খন গাঁও পঞ্চায়ত সমূহত আজিলৈকে অনাময় আঁচনিৰ অধীনত মুঠ ১৫,৫০৭ টা শৌচাগাৰ নির্মাণ হৈছে। পঞ্চায়ত ভিত্তিত তালিকা Annexure- III ত সংলগ্ন কৰা হ'ল। (See Annexure- IV)

(ছ) উক্ত শৌচাগাৰসমূহৰ নির্মাণৰ কাম কৰা NGO আৰু Self Help Group ৰ নামৰ তালিকা Annexure - IV ত সংলগ্ন কৰা হ'ল। পঞ্চায়ত ভিত্তিত হিতাধিকাৰীৰ নামৰ তালিকা সংলগ্ন

কৰা হ'ল। (Annexure- V)

বিষয় ঃ বৰডিকৰাই জলসিঞ্চন প্ৰকল্প।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

* ২৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ বৰডিকৰাই জলসিঞ্চন প্ৰকল্পৰ কাম কেতিয়া সম্পূৰ্ণ হৈ উঠিব।

(খ) বৰডিকৰাই জলসিঞ্চন প্ৰকল্পত সংঘটিত হোৱা বৃহৎ কেলেংকাৰীৰ তদন্তৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

(গ) উক্ত প্ৰকল্পৰ দ্বাৰা সকলোবোৰ নলাত পানী যোগান কেতিয়াৰ পৰা ধৰা হ'ব?

ডা ঃ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শোণিতপুৰ জিলাৰ বৰডিকৰাই জলসিঞ্চন প্ৰকল্পৰ কাম ২০১২ চনৰ ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। বিগত কেইবছৰত আঁচনিখনৰ জৰিয়তে আংশিকভাৱে পানী যোগান ধৰা হৈছে।

(খ) CID বিভাগে Memo No. CID-XII/AQ-II/WS/4/1794-A তাং ১৭/১২/২২ৰ জৰিয়তে জনোৱা অনুসৰি "বৰডিকৰাই জলসিঞ্চন প্ৰকল্পত সংঘটিত হোৱা বৃহৎ কেলেংকাৰী সংক্ৰান্তত অপৰাধ তদন্ত বিভাগৰ মোং নং ২৫/০৭ ভাঃদঃবিঃ আইনৰ ৪০৬/৪০৯/৪৬৮/৪২০/১২০ (খ) ধাৰাৰ তদন্ত উল্লেখনীয় ভাবে আগবাঢ়িছে। মুঠ ১০ জন গ্ৰেপ্তাৰী আচামীৰ (বিষয়া কৰ্মচাৰী সমন্বিতে) বিৰুদ্ধে অতি সোনকালে আংশিক অভিযোগ পত্ৰ দাখিল কৰা হব। তদুপৰি আন এজন গ্ৰেপ্তাৰী বিভাগীয় কৰ্মচাৰীৰ বিৰুদ্ধে অভিযোগপত্ৰ দাখিলৰ বাবে উৰ্দ্ধতন কৰ্তৃপক্ষৰ পৰা প্ৰয়োজনীয় মঞ্জুৰী (Prosecution Sanction) পোৱা হোৱা নাই। মঞ্জুৰী

পালেই তেওঁৰ বিৰুদ্ধেও অভিযোগ পত্ৰ দাখিল কৰিব পৰা যাব।"

CID ৰ পৰা প্ৰাপ্তটোক 'ক'ত দিয়া হ'ল। (See Annexure - VI)

(গ) প্ৰাক্কলন অনুযায়ী আঁচনিখনৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত আটাইবোৰ নলাত পানী যোগান ধৰিব পৰা হ'ব।

Sub : Total Irrigated cropland.

Shri Sirajuddin Ajmal asked :

* 29. Will the Minister of Irrigation be pleased to state:

(a) What is the total Irrigated cropland in Assam? (Please give the data in details district-wise).

(b) What is the ratio of total cropland and Irrigated cropland in the State as on today?

(c) What was the total Irrigated cropland in the state at time in the year, 1974 when the Department of Irrigation was set up?

(d) Does the Govt. have any plan to cover all the cropland under Irrigation in the state? If so, give the target time in this regard?

(e) Is there any major Irrigation scheme in the state lying incomplete now? If so, what is the government plan in this regard?

Dr. Ardhendu kumar Dey (Minister, of Irrigation) replied:

(a) The total irrigated cropland in Assam is 7.97 lakhs hectares as on March/2011 (Details in Annexure-I) (See Annexure - VII)

(b) The ratio of total cropland to irrigated cropland

(i) 4.88:1 lakh (considering potential created by Irrigation Deptt. only)

(c) The total irrigated cropland in the state in theyear 1974 when the Deptt. was set up was 26, 143 hectares.

(d) Out of a total Cropland area of 39.99 lakh hectares the Government has planned to cover ultimate Irrigation potential of 27.00 lakh hectares as assessed as per actual requirement.

The Government proposed to create Irrigation potential of 15.73 lakh hectare by 2020.

(e) Yes, there are 2 (two) major Irrigation schemes in the state lying incomplete namely.

(i) Dhansiri Irrigation Project and

(ii) Champamati Irrigation Project.

Both the Projects are targeted to be completed by March/2013.

During this financial year 2011-12,

Irrigation potential of 12000 hectares in respect of Dhansiri Project & 3209 hectares in respect of Champamati Project are targeted to be achieved.

বিষয়ঃ ব্রহ্মপুত্র নদীৰ খহনীয়া।

শ্রী আমিনুল ইছলামে সুধিছে ঃ-

***৩০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) চলিত বছৰটোত নগাওঁ আৰু মৰিগাওঁ জিলাৰ লেৰুৱাৰমুখ গৰৈমাৰী আদি অঞ্চলত ব্রহ্মপুত্র নদীৰ খহনীয়া ব্যাপক ৰূপত চলি থকা বিষয়টো চৰকাৰৰ অৱগতনে?

(খ) ভয়াবহ ৰূপ ধাৰণ কৰা খহনীয়াৰ ফলত চলিত বর্ষত উপৰোক্ত অঞ্চলত কিমানটা পৰিয়াল আৰু মুঠ কিমান সংখ্যক নাগৰিকে নিজৰ মাটি আৰু ঘৰবাৰী হেৰুৱাইছে? এই লোক সকলৰ সংস্থাপনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্রহণ কৰিছে নে?

(গ) খহনীয়াৰ তাণ্ডৰ ৰোধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে? সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে চৰকাৰে কিবা কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিছেনে?

(ঘ) নদীৰ খহনীয়াৰ ফলত এতিয়ালৈকে অসমত কিমান লোক গৃহহীন হৈছে? এই লোকসকলক বর্ত্তমান ক'ত আছে? তেওঁলোকৰ সংস্থাপনৰ বাবে চৰকাৰে কি আঁচনি গ্রহণ কৰিছে?

শ্রী ৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) ৰাজহ বিভাগৰ পৰা পোৱা তথ্য মতে ভয়াবহ ৰূপ ধাৰন কৰা খহনীয়াৰ ফলত চলিত বর্ষত উপৰোক্ত অঞ্চলত মুঠ (৮৯+৪১৭) = ৫০৬ টা পৰিয়াল আৰু (৩৫৪+২০৮৫) = ২৪৩৯ সংখ্যক নাগৰিকে ঘৰ আৰু মাটি হেৰুৱাইছে। নগাওঁ + মৰিগাওঁ) ক্রমানুসৰি।

এই লোকসকলৰ সংস্থাপনৰ বাবে চৰকাৰে বিভিন্ন আঁচনি গ্রহন কৰিছে।

(গ) খহনীয়াৰ তাণ্ডৰ ৰোধ কৰিবলৈ এখন অস্থায়ী আৰু দুখন স্থায়ী আঁচনি প্রস্তুত কৰা হৈছে।

(ঘ) এই সম্পর্কে ৰাজহ বিভাগৰ পৰা পোৱা জিলা ভিত্তিক তথ্য পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হ'ল। (See Annexure - VIII)

বিষয় ঃ- জলসিঞ্চন আঁচনি ৰূপায়ণ।

শ্রী জাহান উদ্দিনে সুধিছে ঃ-

✱ ৩১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ধুবুৰী জিলাত চৰকাৰী ভাৱে কিমান হেক্টৰ মাটিত কৃষিৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা আছে? (সমষ্টি ভিত্তিত পৃথকে তালিকা দিব)

(খ) ধুবুৰী জিলাৰ বাবে বিত্তীয় ২০০৯-১০,২০১০-১১ আৰু ২০১১ -১২ বৰ্ষত কি কি আঁচণি ৰূপায়ন কৰা হৈছে?

(গ) চলিত বৰ্ষত জিলাখনৰ বাবে কি কি আঁচনি বা পৰিকল্পনা গ্ৰহণ কৰা হৈছে? (সমষ্টি ভিত্তিত পৃথকে পৃথকে জনাব)

(ঘ) আঁচনি বা পৰিকল্পনা সমূহৰ জৰিয়তে কৃষক ৰাইজে কিমান দিনৰ ভিতৰত লাভান্বিত হব পাৰিব? (বিতং জনাব)

(ঙ) ধুবুৰী সমষ্টিৰ অন্তৰ্গত **Shilghagri LIS** ৰ মাথউৰি **(Bundh)** তথা ৰাস্তা **(Road)** টো বানপানীৰ প্ৰৱল কবলত ৮/৯ বছৰ আগতে ছিণ্ডি যোৱাত সেই অঞ্চলৰ কৃষক সকলে প্ৰতি বছৰে কৃষিক্ষেত্ৰত বঞ্চিত হোৱাৰ উপৰিও যাতায়তৰ বিশেষ অসুবিধা ভূগি থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(চ) যদি অৱগত, তেন্তে সেয়া পুনৰ নিৰ্মাণৰ বাবে কি ব্যৱস্থা হাতত লৈছে?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) ধুবুৰী জিলাত চৰকাৰীভাৱে মুঠ ২,৫০৬ হেক্টৰ মাটিত কৃষিৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা আছে। সমষ্টি ভিত্তিত তালিকা অনুবদ্ধ ১ (ক) আৰু ১ (খ) দাখিল কৰা হ'ল। (See Annexure- IX)

(খ) ধুবুৰী জিলাৰ বাবে বিত্তীয় ২০০৯-১০,২০১০-১১ আৰু ২০১১-১২ বৰ্ষত ৰূপায়তি কৰা আঁচনি সমূহৰ তালিকা অনুবদ্ধ ২ (ক) আৰু ২(খ) ত দাখিল কৰা হ'ল। (See Annexure- X)

(গ) চলিত বৰ্ষত গ্ৰহণৰ বাবে পৰিকল্পনা কৰা প্ৰস্তাবিত আঁচনি সমূহৰ

তথ্য অনুবদ্ধ ৩ (ক) আৰু ৩ (খ) ত দাখিল কৰা হ'ল।

(ঘ) উপযুক্ত পৰিমাণৰ ধনৰ আৱণ্টনৰ ব্যৱস্থা কৰিব পৰা হলে ২০১২-১৩ বিত্তীয় বৰ্ষতে আঁচনি সমূহৰ ৰূপায়ণৰ জৰিয়তে কৃষক ৰাইজ লাভান্বিত হৱ পাৰিব।

(ঙ) হয়, অৱগত।

(চ) ২০১০-১১ বিত্তীয় বৰ্ষত ব'ৰ্ডাৰ এৰিয়া ডেভ্ লপমেণ্ট প্ৰগ্ৰেমৰ অধীনত এটা প্ৰাককলন প্ৰস্তুত কৰি ধুবুৰী জিলাৰ উপায়ুক্তলৈ প্ৰেৰণ কৰা হৈছিল। উক্ত কামৰ বাবে জিলাৰ উপায়ুক্তৰ অনুমোদনৰ বাবে পুনৰ প্ৰাককলন প্ৰস্তুত কৰা হৈছে।

বিষয় ঃ- পানী যোগান আৰু দমকল বিতৰন।

শ্ৰী দুৰ্লভ চমুৱাই সুধিছে ঃ-

*** ৩২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) নগাওঁ সদৰ বিধান সভা সমষ্টিত কিমানটা পানী যোগান প্রকল্প আছে। এই প্রকল্প সমুহৰ কিমানটা কার্যক্ষম অৱস্থাত আছে? কিমানটা পানী যোগান প্রকল্প কার্যক্ষম অৱস্থাত নাই? (এই সমূহ তথ্য বিতং কৈ পানী যোগান প্রকল্প সমূহৰ নাম ঠিকনা সহ সদনৰ মেজত দাখিল কৰিব)

(খ) অকার্যক্ষম অৱস্থাত থকা পানী যোগান প্রকল্প সমূহ পুনৰ জীৱিত কৰনৰ কিবা ব্যৱস্থা লৈছেনে?

(গ) ২০১০-২০১১ বর্ষত নগাওঁ সমষ্টিত নতুনকৈ কিমানটা পানী যোগান প্রকল্প লোৱা হৈছে? (সবিশেষ তথ্য জনাব)

(ঘ) ২০১০-২০১১ বর্ষত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা কিমান দমকল নগাওঁ সমষ্টিত বিতৰন কৰা হল? (দমকল পোৱা হিতাধিকাৰী সকলৰ নাম, ঠিকনা সহ বিতংকৈ মেজত দাখিল কৰিব।)

শ্রী গৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) নগাওঁ সদৰ বিধান সভা সমষ্টিত ২৩ টা পানী যোগন প্রকল্প আছে। এই প্রকল্প সমূহৰ ২০ টা কার্য্যক্ষম অৱস্থাত আছে। ২ টা পানী যোগান প্রকল্প কার্য্যক্ষম অৱস্থাত নাই। বাকী ১ টা প্রকল্প নির্মীয়মান অৱস্থাত আছে। বিতং তথ্য 'অনুবদ্ধসূচী - 'ক'ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure-XII)

(খ) অকার্য্যক্ষম অৱস্থাত থকা পানী যোগান প্রকল্প সমূহ পুণৰ

জীৱিতকৰণৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

(গ) ২০১০-২০১১ বর্ষত নগাওঁ সমষ্টিত নতুনকৈ ১৩ টা পানী যোগান প্রকল্প লোৱা হৈছে। বিতং তথ্য "অনুবদ্ধসূচী - 'খ' ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure-XIII)

(ঘ) ২০১০-২০১১ বর্ষত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা নগাওঁ সমষ্টিত ৫০ টা তাৰা পাম্প বিতৰণ কৰা হৈছে। দমকল পোৱা হিতাধিকাৰীসকলৰ নাম, ঠিকনা " অনুবদ্ধসূচী - 'গ'ত সন্নিবিষ্টট কৰা হ'ল। (See Annexure-XIV)

বিষয়ঃ আঁচণি ৰূপায়ণ।

হাফিজ বছিৰ আহমেদে সুধিছে ঃ

*** ৩৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) ধুবুৰী জিলাত সৰু ডাঙৰ কিমানটা জলসিঞ্চন প্রকল্প আছে? তাৰে কিমানটা বর্ত্তমান কার্য্যক্ষম আৰ কিমানটা অকার্য্যক্ষম হৈ আছে? (সমষ্টি ভিত্তত বিস্তাৰিত তথ্য সদনত দাখিল কৰিব)

(খ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিত ছৰাবিল আৰ কলাবাৰী জলসিঞ্চন প্রকল্প দুটা কেতিয়া মঞ্জুৰী দিয়া হৈছিল? প্রতিটো আঁচনিৰ বিপৰীতে কিমান টকা মঞ্জুৰী দিয়া হৈছিল আৰ কিমান খৰছ কৰা হ'ল? (বিস্তাৰিত তথ্য সদনত দাখিল কৰিব)

(গ) এই আঁচনি দুটাৰ ৰূপায়ণৰ কাম অতি লেহেমীয়া হোৱাৰ কাৰণ

কি? ইয়াৰ বাবে দায়ী বিষয়া কর্মচাৰীৰ বিৰুদ্ধে চৰকাৰে কোনো ব্যৱস্থা লৈছেনে?

(ঘ) যদি লোৱা নাই, তদন্ত মর্মে ব্যৱস্থা লবনে?

ডাঃ অর্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাত সর্ব্বমুঠ ৭১ টা জলসিঞ্চন প্রকল্প আছে। তাৰে বর্ত্তমানলৈকে ৩২ টা কার্য্যক্ষম হৈ আছে আৰু ৩৯ টা অকার্য্যক্ষম হৈ আছে। (সমষ্টি ভিত্তিত বিস্তাৰিত তথ্য অনুবদ্ধ ১ ক' আৰু ১ খ'ত দাখিল কৰা হ'ল।) (See Annexure-XIV)

(খ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিত থকা ছৰাবিল আৰু কলাবাৰী জলসিঞ্চন প্রকল্প দুটা ২০০৮-০৯ বিত্তীয় বর্ষত এ, আই, বি, পি ৰ অধীনত মঞ্জুৰী দিয়া হৈছিল।

ছৰাবিল উত্তোলন আঁচনিৰ বিপৰীতে ৩০০.০০ লাখ টকা আৰু কলাবাৰী উত্তোলন আঁচনিৰ বিপৰীতে ২৮৫.০০ লাখ টকা মঞ্জুৰী লাভ কৰা গৈছে। ইয়াৰে বর্ত্তমানলৈকে ছৰাবিল উত্তোলন আঁচনিৰ বিপৰীতে ২১.৯৪ লাখ টকা আৰু কলাবাৰী উত্তোলন আঁচনিৰ বিপৰীতে ৭.২০৫৪৮ লাখ টকা খৰছ কৰা হৈছে।

খৰছৰ বিস্তাৰিত তথ্যঃ-

Schemes	CivilMech	Elect	Total
1. Sarabil	17.68L	4.26L	Nil Rs. 21.94L
2. Kalabari	Nil	Nil	7.20548L Rs. 7.20548L

(গ) প্রতিকুল বতৰ তথা বানপানীৰ বাবে প্ৰধানকৈ এই আঁচনি দুটাৰ কাম অতি লেহেমীয়া হৈছে।

ইয়াৰ উপৰিও ছৰাবিল উত্তোলন আঁচনিৰ ক্ষেত্ৰত সেই সময়ৰ জন প্ৰতিনিধিজনৰ অভিযোগ মৰ্মে ধুবুৰী জিলাৰ উপায়ুক্তই তদন্তৰ নিৰ্দেশনা তথা তদন্ত শেষ নোহোৱালৈকে কামৰ স্থগিতাদেশ জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত কামৰ অগ্ৰগতি স্থবিৰ হৈ পৰিছিল।

কলাবাৰী উত্তোলন আঁচনিৰ ক্ষেত্ৰতো একাধিক প্ৰশাসনীয় তদন্তৰ পৰিপ্ৰেক্ষিতত কামৰ অগ্ৰগতি যথেষ্ট লেহেমীয়া হৈ পৰে। তদুপৰি ১ নং আৰু ২ নং পইণ্টৰ মুখ্য নলাটোৰ বাবে প্ৰয়োজন হোৱা গড়কাপ্তানি পথ অতিক্ৰমৰ অনুমতি চলিত বছৰৰ ডিচেম্বৰ মাহতহে লাভ কৰাৰ পৰিপ্ৰেক্ষিতত কামৰ অগ্ৰগতিত বিশেষ প্ৰভাব বিস্তাৰ কৰিছে।

গতিকে বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা লোৱাৰ বাবে বৰ্ত্তমানলৈ চিন্তা কৰা নাই।

(ঘ) বৰ্ত্তমান প্ৰয়োজ্য নহয়।

বিষয় ঃ ছয় জনগোষ্ঠীক জনজাতিকৰণ।

শ্ৰী শৰৎ শইকীয়াই সুধিছে ঃ

✷ ৩৪। **মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) কোঁচ ৰাজবংশী, টাই আহোম, চুতীয়া, মৰাণ, মটক আৰু চাহ জনগোষ্ঠী এই ছয় জনগোষ্ঠীক জনজাতি কৰণৰ বাবে **(Scheduled Tribe)** বিষয়টো বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

(খ) ভাৰত চৰকাৰৰ ৰেজিষ্টাৰ জেনেৰেলৰ পৰা ছয় জনগোষ্ঠীৰ বাবে অসম চৰকাৰলৈ যি নিৰ্দেশ আহিছিল, সেই নিৰ্দেশ সমূহৰ প্ৰত্যুত্তৰ অসম চৰকাৰে দিলেনে? যদি দিছে, উক্ত উত্তৰৰ কপি সদনত দাখিল কৰিবনে?

(গ) বিষয়টো সোনকালে নিষ্পত্তি কৰিবলৈ অসম চৰকাৰৰ **WPT &BC** বিভাগে এজন উচ্চ পদস্থ বিষয়াক, ভাৰত চৰকাৰৰ জনজাতি বিভাগৰ **(Tribal Affairs)** লগত অহৰ্নিশে যোগাযোগ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) এই ছটা জনগোষ্ঠীৰ জনসংখ্যা নিৰ্দ্ধাৰণ কৰিবলৈ বিভাগৰ যোগেদি লোক পিয়ল **(Census)** কৰিবলৈ ব্যৱস্থা গ্ৰহণ 'কৰিবনে?

(ঙ) অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ নিগমক পিচপৰা শ্ৰেণীৰ লোক সকলৰ কল্যাণৰ বাবে চৰকাৰে অহা বাজেটত অধিক ধন আবণ্টন দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰী ৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) টাই-আহোম, চুতীয়া, মৰাণ, মটক, কোঁচ ৰাজবংশী আৰু চাহ

জনগোষ্ঠীক জনজাতিকৰণৰ বিষয়টো বৰ্ত্তমানে কেন্দ্রীয় চৰকাৰৰ ওচৰত বিবেচনাধীন হৈ আছে। ইতিমধ্যে মৰাণ, মটক আৰু কোঁচ ৰাজবংশী জনগোষ্ঠী বৈশিষ্ট্যতাৰ ওপৰত পৰীক্ষা নিৰীক্ষা কৰিবৰ বাবে গঠন কৰি দিয়া বিশেষজ্ঞ কমিটিৰ দাখিল কৰা প্রতিবেদন কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হৈছে। চাহ জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিয়ে তেওঁলোকৰ প্রতিবেদন এই বিভাগত দাখিল কৰিছে আৰু এই প্রতিবেদন অনতি পলমে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিছে। টাই-আহোম আৰু চুতীয়া জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিয়ে এতিয়ালৈকে তেওঁলোকৰ প্রতিবেদন দাখিল কৰা নাই।

(খ) ভাৰত চৰকাৰৰ ৰেজিষ্টাৰ জেনেৰেল ছয় জনগোষ্ঠী কেইটাক জনজাতি হিচাপে স্বীকৃতি দিবলৈ আপত্তি দৰ্শোৱাত অসম চৰকাৰে এই জনগোষ্ঠীৰ বৈশিষ্ট্যতাৰ ওপৰত পৰীক্ষা নিৰীক্ষা কৰিব বাবে ২০০৮ চনতে বিশেষজ্ঞ সমিতি গঠন কৰি দিছে। ইতিমধ্যে মৰাণ, মটক আৰু কোঁচ ৰাজবংশী জনগোষ্ঠীৰ বিশেষজ্ঞ সমিতিৰ প্রতিবেদন কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰিছে (চিঠি নং TAD/TRI/81/2011/2 dated 11-02-2011)। চাহ জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিয়ে তেওঁলোকৰ প্রতিবেদন এই বিভাগত দাখিল কৰিছে আৰু এই প্রতিবেদন অনতি পলমে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিছে। টাই-আহোম আৰু চুতীয়া জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিয়ে এতিয়ালৈকে তেওঁলোকৰ

প্রতিবেদন দাখিল কৰা নাই

(যোগাযোগ কৰা নথি অনুবদ্ধ 'ক'ত দিয়া হ'ল) (See Annexure-XVI)

(গ) চৰকাৰে এই বিষয়ত কোনো সিদ্ধান্ত লোৱা নাই।

(ঘ) পিয়ল এই বিভাগৰ পৰা কৰা নহয়।

(ঙ) এনেকুৱা কোনো প্ৰস্তাৱ অহা নাই।

বিষয় ঃ ২৭০ কৌটি টকাৰ কেলেংকাৰী।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

*** ৩৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ৰাজ্য চৰকাৰৰ জনসিঞ্চন বিভাগত প্ৰাক্তন জলসিঞ্চন মন্ত্ৰী নুৰজামাল চৰকাৰ আৰু তেওঁৰ কাৰ্য্যকালত জলসিঞ্চন বিভাগৰ বিশেষ কৰ্ত্তব্যৰত বিষয়া (OSD) জনৰ কাৰ্য্যকালত উক্ত বিভাগত ১০২ কৌটি টকাৰ কেন্দ্ৰীয় আঁচনিৰ কেলেংকাৰী সংগঠিত হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) ২০১০ চনৰ ৪ মেত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা পত্ৰযোগে ৰাজ্যৰ বিভিন্ন ঠাইত ১০০ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ প্ৰস্তাৱ দিয়া হৈছিল নে? (চিঠি আৰু প্ৰস্তাৱৰ কপি সংলগ্ন কৰিব)

(গ) উক্ত এচ্চিলাৰেডে ইৰিগেশ্বন বেনিফিট প্রগ্রেম (এ,আই, বি, পি) ৰ অধীনত ৰূপায়ণ কৰিবলগীয়া সংশ্লিষ্ট ১০০ টা প্রকল্পৰ আঁচনিৰ বাবে ৬৬৭.৪৩ কৌটি টকাৰ প্রাক্কলনো প্রস্তুত কৰা হৈছিলনে? (কপি সংলগ্ন কৰিব)

(ঘ) ৰাজ্য চৰকাৰৰ পত্রৰ পিছত ২০১০ চনৰ ১৮ মে'ত কেন্দ্রীয় চৰকাৰে দিচপুৰলৈ প্রেৰণ কৰা এখন চিঠিত উক্ত প্রকল্প সমূহৰ সংশোধনীৰ প্রস্তাৱ দিয়াটো সত্য নে? (কপি সংলগ্ন কৰিব)

(ঙ) কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰক ১০০ টা প্রকল্পৰ প্রস্তাৱৰ বিপৰীতে প্রথম কিস্তিত ৪৮.৬০ কৌটি টকাৰ আৱণ্টন দিয়াটো সত্য নে?

(চ) অৱশ্যে পিছত ইয়াক পৰিকল্পনা আয়োগে ৪০১ কৌটি টকালৈ বৃদ্ধি কৰাটো সত্য নে?

(ছ) যোৱাবিধান সভা নির্বাচনৰ পৰিপেক্ষিতত নির্বাচনী আচৰন বিধি বলবৎ হোৱাৰ বাবে উক্ত টকা মুকলি কৰি দিয়া হোৱা নাছিল ই সত্য নে?

(জ) তৎস্বত্বেও তেতিয়াৰ OSD জনে এ.আই.বি. পিৰ ৬৭ খন আঁচনিৰ বিপৰীতে ঠিকাদাৰক ১০২.৩৪৪ কৌটি টকাৰ কামৰ আৱণ্টন দিয়াটো সত্য নে?

(ঝ) OSD আৰু Secretary সচিবে কোনে কিমান টকাৰ আৱণ্টন ঠিকাদাৰক দিছিল, টকাৰ পৰিমাণ, ঠিকাদাৰৰ নাম, আঁচনিৰ নাম.

বিতংকৈ জনাবনে?

(ঞ) উক্ত বৃহৎ কেলেংকাৰী প্ৰায় ২৭০ কৌটি টকাৰ তদন্ত কৰিবলৈ CBI ক এতিয়াও কিয় দিয়া নাই চৰকাৰে জনাবনে?

(ট) কেতিয়া চৰকাৰে এই বৃহৎ অৰ্থনৈতিক কেলেংকাৰীৰ তদন্তৰ দায়িত্ব CBI ক দিব?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) জ্ঞাত নহয়।

(খ) হৈছিল। (চিঠি আৰু প্ৰস্তাৱৰ প্ৰতিলিপি সংলগ্ন কৰা হ'ল)।

(অনুবদ্ধ - ক) (See Annexure-XVII)

(গ) হয়, হৈছিল। (১০০ খন আঁচনিৰ প্ৰাককলনৰ তালিকাৰ প্ৰতিলিপি সংলগ্ন কৰা হ'ল)। (অনুবদ্ধ - খ) (See Annexure-XVIII)

(ঘ) সত্য নহয়। (প্ৰতিলিপি সংলগ্ন কৰা হ'ল)। (অনুবদ্ধ - গ) (See Annexure-XIX)

(ঙ) সত্য নহয়।

(চ) সত্য নহয়। চলি থকা আঁচনিবোৰৰ দ্ৰুত ৰূপায়ণৰ বাবেহে পৰিকল্পনা আয়োগে ৪৪৯ কৌটিলৈ বৃদ্ধি কৰিছিল।

(ছ) সত্য।

(জ) বিধানসভাৰ নিৰ্বাচনৰ নিৰ্বাচনী আচৰন বিধি বলবৎ হোৱাৰ আগেয়ে প্ৰশাসনিক অনুমোদন প্ৰাপ্ত ৬৭ খন আঁচনিৰ ভিতৰত ৩৬ খন আঁচনিৰ বিপৰীতে ঠিকাদাৰক ১০৬.১৩৭ কৌটি টকাৰ কামৰ আৱণ্টন দিয়াটো সত্য।

(ঝ) OSD য়ে ঠিকাদাৰক কামৰ আৱণ্টন (Work order) দিয়া টকাৰ পৰিমাণ, ঠিকাদাৰৰ নাম, আঁচনিৰ নামৰ বিতং তালিকা অনুবদ্ধ - ঘ ত সংলগ্ন কৰি দিয়া হল। Secretary বা সচিবে

ঠিকাদাৰক কোনো কামৰ আৱণ্টন (Work order) নিদিয়ে। ২ (দুই) কৌটি টকাৰ ওপৰত কিন্তু ৫ (পাঁচ) কৌটি টকাৰ তলৰ নিবিদা মূল্যৰ কামৰ বাবে অনুমোদনহে (Approval) দিয়ে। (See Annexure-XX)

(ঞ) যিহেতু কোনো ধৰনৰ কেলেংকাৰী সংঘটিত হোৱাই নাই, গতিকে CBI ক তদন্ত কৰিবলৈ দয়িত্ব দিয়াৰ প্ৰশ্নই নুঠে।

(ট) প্ৰশ্ন নুঠে।

বিষয় ঃ জলসিঞ্চন আঁচনিৰ অভিযোগ।

শ্ৰী প্ৰবীন হাজৰিকা সুধিছে ঃ

*** ৩৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) বিশ্বনাথ সমষ্টিৰ কিমানটা জলসিঞ্চন আঁচনি আছে?

(খ) যোৱা ২০০৬ চনৰ পৰা বৰ্ত্তমানলৈকে অনুমোদন হোৱা আঁচনি কেইটা আৰু কি কি? উক্ত আঁচনি সমূহ বৰ্ত্তমানলৈকে সম্পূৰ্ণ কৰা হ'ল নে? যদি হোৱা নাই, তাৰ সম্পুৰ্ণ কৰা কিবা ব্যৱস্থা কৰিলেনে? লগতে বন্ধ হৈ থকা আঁচনি সমূহৰ নাম জনাবনে?

(গ) (1) Ajalasuti LIS (2 points)

(2) Chatia Chapari Kaarayani LIS (3 pts)

(3) New ghiladhari LIS (2points)

(4) Ovatabeel LIS

(5) Kauribeel LIS উক্ত ৫ টা নতুন আঁচনিৰ লগতে পুৰনা Moujuli FIS আঁচনিৰ প্ৰতিটো কামত কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু কোন চনত কোন কোন ঠিকাদাৰক কামটো দিয়া হৈছিল প্ৰতিটো আঁচনিৰ ঠিকাদাৰৰ নামৰ তালিকা আৰু কিমান টকাৰ ঠিকা পাইছিল?

(ঘ) ওপৰত উল্লেখ কৰা নতুন আঁচনি কেইটাৰ ওপৰত বিভিন্ন সময়ত দৈনিক কাকতে পত্রই আৰু ৰাজহুৱা অভিযোগ উঠিছে, বিষয়টো উচ্চ পর্য্যায়ৰ তদন্ত বা সদন কমিটিৰ ব্যৱস্থা কৰিবনে?

(ঙ) New Ghiladhari LIS(2 points) আঁচনি খনত যি

নিম্ন পর্য্যায়ৰ কাম ঠিকাদাৰ সকলে কৰিলে আঁচনিটোৰ পানী কৃষক ৰাইজে নাপাওতেই প্ৰায় ভাঙি ছিঙি গ'ল, বিষয়টো চৰকাৰে তদন্তৰ বাবে জৰুৰী ব্যৱস্থা কৰিবনে?

(চ) Ajalasuti LIS (2 points) আঁচনি খন প্ৰায় ২ বছৰ ধৰি ৰাইজে বন্ধ কৰি থৈছে, চৰকাৰ অৱগত নে? যদি অৱগত, কিয় ৰাইজে বন্ধ কৰিব লগা হ'ল? চৰকাৰে তদন্তৰ জৰিয়তে জৰুৰী ভাৱে কাৰ্য্যকৰী ব্যৱস্থা লবনে?

(ছ) বিশ্বনাথ সমষ্টিৰ আঁচনি (১২টা) ৰাজহুৱা অভিযোগ মতে প্ৰতিটো আঁচনি তদন্তৰ ব্যৱস্থা কৰি এই বিত্তীয় বছৰত কৃষক ৰাইজক পানী যোগানৰ ব্যৱস্থা কৰিবনে?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত ১৭খন জলসিঞ্চন আঁচনি আছে।

(খ) যোৱা ২০০৬ চনৰ পৰা বৰ্তমানলৈকে বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত ১৭ খন আঁচনিৰ অনুমোদন হৈছে। উক্ত আঁচনি সমূহ হ'ল ....

১) বুঢ়িগংগা এফ. আই. এছ.
২) সাধাৰু এফ. আই. এছ.
৩) দিৰিং এফ. আই. এছ.
৪) পাভৈ এফ. আই. এছ
৫) সাকোমাথ এফ. আই. এছ.
৬) পেটুলিবাৰী ডি.টি. ডব্লিউ. এছ.
৭) জাপৰিগুৰি এচ.টি.ডব্লিউ. এছ.
৮) মিকিৰ ব্লক এফ. আই. এছ.

৯) মৌজুলি এফ. আই. এছ.

১০) অজলাসুঁতি এল.আই.এছ

১১) নিউ ঘিলাধাৰী এল.আই.এছ.

১২) উভতাবিল এল. আই. এছ.

১৩) কাউৰীবিল এল.আই.এছ.

১৪) পানীভঁডাল এল. আই. এছ.

১৫) লেহুগাও ডি.টি. ডব্লিউ.এছ ডব্লিউ. এছ

১৬) মৰলগাওঁ ডি.টি.

১৭) গলিয়া ডি.টি ডব্লিউ. এছ

ইয়াৰ প্ৰথম আঠখন আঁচনি বৰ্তমানলৈকে সম্পূৰ্ণ হৈছে আৰু বাকী ৯ খন আঁচনিৰ নিৰ্মাণ কাৰ্য্য বৰ্ত্তমানলৈকে চলি আছে আৰু প্ৰয়োজনীয় পুঁজিৰ আৱণ্টন সাপেক্ষে নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত এই আঁচনি সমূহ সম্পূৰ্ণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ ভিতৰত মিকিৰ ব্লক এফ. আই.এছ. আঁচনিখন বৰ্তমান বন্ধ হৈ আছে।

(গ) বিতং তথ্য সংলগ্ন কৰা হৈছে (অনুবদ্ধ - "ক") (See Annexure - XXI)

(ঘ) প্ৰশ্ন নং (গ) ত অন্তৰ্গত আঁচনি সমূহ বৰ্তমান নিৰ্ম্মীয়মান অৱস্থাত আছে আৰু এই আঁচনি সমূহৰ ৰূপায়ণৰ কাম কাজ পৰ্য্যালোচনা কৰিহে দৰকাৰ হলে তদন্তৰ ব্যৱস্থা লোৱা হব।

(ঙ) New Ghiladhari L.I.S (2 points) আঁচনি খন

বর্তমান নির্ম্মীয়মান অৱস্থাত আছে। গতিকে ভাঙি-চিঙি যোৱাৰ প্ৰশ্ন নুঠে। তথাপিও তদন্ত কৰি চোৱা হব।

(চ) Ajalasuti L.I.S আঁচনি ৩ নং পইণ্টত কাম বন্ধ হৈ থকাটো চৰকাৰ জ্ঞাত। কাম বন্ধ হৈ থকাৰ সঠিক কাৰন নিৰূপণ কৰিবলৈ বিভাগীয় ভাৱে তদন্তৰ ব্যৱস্থা হাতত লোৱা হব।

(ছ) বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত আঁচনি সমূহৰ নির্মানৰ ক্ষেত্রত থকা আসোঁৱাহ সমূহ দুৰ কৰি নির্দ্ধাৰিত সময়তে পানী যোগানৰ ব্যৱস্থা কৰা হব।

Sub: EROSION.

Shri ANAMUL HAQUE asked:

*37. Will the Minister of water Resources be pleased to state :

(a) Is the Government aware of the severe erosion at Jhan jharbali, Sonabarighat, Bagpur - Neairgram, Sonai Bazar and gangapur areas of Sonai L.A.C. of Cachar District?

(b) If yes, what remedial measures are being contemplated by the department?

Shri Rajib Lochan Pegu (Water Resources Minister) replied :

(a) Yes, the Govt. is aware of the fact that there is a problem of erosion in the river at Jhangerbali, Sonabarighat, Bagpur, Neirgram, Sonaibazar and Gangapur areas of Sonai LAC in Cachar District.

(b) To protect the erosion at Jhangerbali, Sonabarighat, Bagpur, Neirgram, Sonaibazar and Gangapur areas, schemes / remedial measures will be taken up subject to their different statutory clearances / recommendations, provision in the plan and sanction of fund.

বিষয় ঃ ঠিকাদাৰক **work order.**

শ্রী মজিবুৰ ৰহমানে সুধিছে ঃ

* ৩৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) জলসিঞ্চন বিভাগৰ বিশেষ কৰ্ত্তব্যৰত বিষয়া পদৰ পৰা কেইমাহমান পূৰ্বে অব্যাহতি লোৱা এনামূল হকে ঠিকাদাৰক সৰ্বাধিক কিমান

টকা মূল্যৰ কাম আবণ্টন দিয়াৰ বাবে চৰকাৰে কৰ্তৃত্ব প্ৰদান কৰিছিল? (এই ক্ষেত্ৰত চৰকাৰী নিদেৰ্শৰ কপি সহ দিব)

(খ) প্ৰাক্তন বিশেষ কৰ্ত্তব্যৰত বিষয়াজনে নিজৰ কাৰ্যকালত প্ৰদান কৰা সমূহ **work order** ৰ কপি সদনত দাখিল কৰিবনে?

(গ) প্ৰাক্তন বিশেষ কৰ্ত্তব্যৰত বিষয়াজনে নিজৰ বিত্তীয় ক্ষমতা মতে এক কৌটিৰ পৰা দুই টকা মূল্যৰ কামৰ আৱণ্টন দিয়া বুলি যোৱা ৬-৯-২০১১ তাৰিখে প্ৰকাশিত "দৈনিক অগ্ৰদূত" কাকতত এক স্পষ্টীকৰণ দিয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঘ) প্ৰাক্তন বিশেষ কৰ্ত্তব্যৰত বিষয়াজনে বিত্তীয় ক্ষমতা উলংঘা কৰি নগাওঁ সংমণ্ডল আৰু কলিয়াবৰো সংযোজিত কলং সংমণ্ডলৰ কেতবোৰ আঁচনিৰ কামৰ বিপৰীতে ঠিকাদাৰক ২ কৌটি টকাৰ অধিক মূল্যৰ কাম আৱণ্টন দিয়াটো চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, তেন্তে কি ব্যৱস্থা লোৱা হৈছে?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) বিত্ত বিভাগৰ অধিসূচনা অনুসৰি মুখ্য অভিযন্তাৰ ওপৰত ন্যস্ত থকা দুই কৌটি টকালৈ কামৰ আৱণ্টন দিয়াৰ বিত্তীয় অধিকাৰৰ কৰ্তৃত্ব সেই সময়ৰ বিশেষ কৰ্ত্তব্যৰত বিষয়া এনামূল হকক প্ৰদান কৰা হৈছিল।

(সদনৰ মজিয়াত চৰকাৰী নির্দেশৰ প্রতিলিপিৰ অনুবদ্ধ 'ক' আৰু 'খ' সংলগ্ন কৰা হ'ল) (See Annexure-XXII)

(খ) প্রাক্তন বিশেষ কর্ত্তব্যৰত বিষয়াজনে নিজৰ কার্য্যকালত প্রদান কৰা সমূহ work order ৰ প্রতিলিপি সদনৰ মজিয়াত দাখিল কৰা হ'ল। (অনুবদ্ধ গ) (See Annexure-XXIII)

(গ) হয়, জ্ঞাত।

(ঘ) প্রাক্তন বিশেষ কর্ত্তব্যৰত বিষয়াজনৰ দ্বাৰা বিত্ত বিভাগৰ অধিসূচনা নং FEB. 234/2007/1 (U/O) Dtd. 26/2/2008 (অনুবদ্ধ খ) ৰ আধাৰত তথা উর্দ্ধতম কর্তৃপক্ষৰ অনুমোদন সাপেক্ষে সম্পূর্ণ বিভাগীয় নীতি নিময় অনুসৰি নগাওঁ সংমণ্ডল আৰু কলিয়াবৰ সংযোজিত কলং সংমণ্ডলৰ কেতবোৰ আঁচনিৰ কামৰ বিপৰীতে ঠিকাদাৰক ২ কৌটি টকাৰ অধিক মূল্যৰ কাম আৱণ্টন দিয়া হৈছিল। এই ক্ষেত্রত যিহেতুকে কোনো ধৰণৰ বিত্তীয় ক্ষমতা উলংঘন কৰা হোৱা নাছিল, গতিকে ব্যৱস্থা লোৱাৰ প্রশ্নই নুঠে।

বিষয় ঃ নির্মীয়মাণ পানী যোগান আচনি সম্পূর্ণকৰণ।

শ্রীঘনশ্যাম কলিতাই, সুধিছে ঃ

*** ৩৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) অসম বিধানসভা অধিবেশনৰ ইং ১২/৭/১১ তাৰিখে তৰাবিহীন প্ৰশ্ন নং ৫৯ (ক) ৰ উত্তৰত উল্লেখ কৰা নিৰ্মীয়মাণ ২০ টা পানী যোগান আচনিৰ কাম সম্পূৰ্ণ কৰা হ'লনে?

(খ) যদি হোৱা নাই, তেনেহলে এই আচনি সমূহ কিমান দিনৰ ভিতৰত সম্পূৰ্ণকৰণৰ বিভাগীয় ব্যৱস্থা কৰা হৈছে।

(গ) সম্পূৰ্ণ হোৱা ৩২ খন পানী যোগান আঁচনিৰ ৬ খন অকাৰ্য্যক্ষম অৱস্থাত আছে বুলি একেটা প্ৰশ্নৰ (খ)ৰ উত্তৰত উল্লেখ কৰা পানী যোগান আচনি কেইখন বৰ্ত্তমান কাৰ্য্যক্ষম কৰি তোলা হৈছেনে?

(ঘ) যদি হোৱা নাই, আচনি ৬ খন কাৰ্য্যক্ষম কৰিবলৈ আৰু কিমান সময়ৰ প্ৰয়োজন হব জনাব?

শ্ৰী গৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অসম বিধানসভা অধিবেশনৰ ইং ১২/৭/১১ তাৰিখে তৰাবিহীন প্ৰশ্ন নং ৫৯ (ক) উত্তৰত উল্লেখ কৰ নিৰ্মীয়মান ২০ টা পানীযোগান আঁচনিৰ ভিতৰত বৰ্ত্তমানলৈকে ৩ টা পানী যোগান আচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে।

(খ) বাকী থকা ১৭ টা পানীযোগান আচনিৰ ৯ টা আচনিৰ যাবতীয় নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ কৰা হৈছে। উক্ত ৯ টা পানী যোগান আচনিৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ লগত বৈদ্যুতিক সংযোগৰ কাৰণে

সঘনাই যোগাযোগ কৰি থকা হৈছে। তেতিয়াই বিদ্যুৎ সংযোগ পোৱা হ'ব তেতিয়াই আচনি কেইটা কার্য্যক্ষম কৰিব পৰা যাব। বাকী থকা ৮ টা পানী যোগান আচনিৰ কাম পূর্ণগতিত চলি আছে আৰু অহা বিত্তীয় বর্ষৰ ভিতৰত কাম সম্পূর্ণ কৰা হ'ব।

(গ) সম্পূর্ণ হোৱা ৩২ খন পানী যোগান আচনিৰ যি ৬ খন অকার্য্যক্ষম অৱস্থাত আছিল তাৰ ভিতৰত বর্ত্তমান এখন আঁচনি কার্য্যক্ষম কৰি তোলা হৈছে।

(ঘ) বৈদ্যুতিক সংযোগ সম্পূর্ণ হ'লে বাকী থকা ৩ খন পানী যোগান আচনিৰ কাম অনতিপলমে কার্য্যক্ষম কৰিব পৰা যাব।

বিষয় ঃ ভূমি আৱণ্টন।

শ্রী ফণীভূষণ চৌধুৰী য়ে সুধিছেঃ

*** ৪০। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) চৰকাৰে মহকুমা ভূমি উপদেষ্টা বোর্ডসমূহ গঠন কৰিলেনে? চৰকাৰৰ নীতি অনুসৰি উপদেষ্টা বোর্ডসমূহৰ সভা বছৰত কেইবাৰ অনুষ্ঠিত হব লাগে? চৰকাৰৰ নীতি অনুসৰি বোর্ডৰ সভা অনুষ্ঠিত হৈছেনে? (মহকুমা নাম, সভা অনুষ্ঠিত হোৱা তাৰিখ, ২০০১ চনৰ পৰা বর্ত্তমানলৈ দাখিল কৰিব)

(খ) চবকাৰৰ ভূমি নীতি অনুসৰি বিদ্যালয় তথা অনুষ্ঠান প্রতিষ্ঠান সমূহক ভূমি আবণ্টন দিয়া হয় নে?

(গ) যদি হয়, ২০০১ চনৰ পৰা ২০১১ চনৰ ৩১ অক্টোবৰলৈ অসমত কিমান খন বিদ্যালয় তথা অনুষ্ঠান প্রতিষ্ঠানক ভূমি আৱণ্টন দিয়া হ'ল? (তালিকা দাখিল কৰিব)

(ঘ) বঙাইগাওঁ সমষ্টিৰ মুলাগাওঁ কন্যা উচ্চ মাধ্যমিক বিদ্যালয় আৰু ড॰ ৰাধা কৃষ্ণন প্রাথমিক বিদ্যালয়ে ভূমি আৱণ্টনৰ বাবে কেতিয়া আবেদন কৰিছিল আৰু কোন চনৰ কোন তাৰিখে উক্ত বিদ্যালয় দুখনৰ ভূমি আৱণ্টনৰ বিষয়টো ভূমি উপদেষ্টা বোৰ্ডত অনুমোদন জনাইছিল?

(ঙ) ভূমি উপদেষ্টা অনুমোদন জনোৱাৰ পিছতো আজিলৈ বিদ্যালয়খনে আৱণ্টন নোপোৱাৰ কাৰণ কি?

শ্রী পৃথিৱী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে

(ক) অসম চৰকাৰৰ ভূমি নীতি ১৯৮৯ অনুসৰি ভূমি উপদেষ্টা বোৰ্ডসমূহ গঠন কৰা হৈছে। চৰকাৰৰ নীতি অনুসৰি ভূমি উপদেষ্টা বোৰ্ডসমূহৰ সভা বছৰত ৪ (চাৰি) বাৰ অনুষ্ঠিত হব লাগে।

১৫ খন জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্যৰ ভিত্তিত মহকুমা ভূমি উপদেষ্টা বোৰ্ড সমূহৰ অনুষ্ঠিত হোৱা সভাৰ তাৰিখ পৰিশিষ্ঠ 'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-XXIV)

(খ) হয়।

(গ) ২০০১ চনৰ পৰা ২০১১ চনৰ ৩১ আক্টোবৰলৈ অসমৰ বিদ্যালয়

তথা অনুষ্ঠান প্রতিষ্ঠানক ভূমি আৱণ্টন দিয়াৰ তথ্য জিলাৰ উপায়ুক্ত সকলৰ পৰা পোৱা তথ্যৰ ভিত্তিত পৰিশিষ্ট 'খ'ত উল্লেখ কৰা হ'ল। (See Annexure-XXV)

(ঘ) বঙাইগাওঁ জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি বঙাইগাওঁ সমষ্টিৰ মুলাগাওঁ কন্যা উচ্চ মাধ্যমিক বিদ্যালয়খনে ১০/১৫/১৯৯৯ তাৰিখে আৰু ড' ৰাধা কৃষ্ণন প্রাথমিক বিদ্যালয়খনে ১০/০৮/২০০৭ তাৰিখে ভূমি আৱণ্টনৰ বাবে আবেদন কৰিছিল।

মুলাগাওঁ কন্যা উচ্চ মাধ্যমিক বিদ্যালয়খনৰ ভূমি আৱণ্টনৰ প্রস্তাৱটো ১৫/০৯/২০০০ তাৰিখে ভূমি উপদেষ্টা বোর্ডত অনুমোদন জনোৱা নাই।

(ঙ) যাৱতীয় ব্যৱস্থা লৈ থকা হৈছে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ ৰাজহ বিভাগৰ অন্তর্গত বিভিন্ন সমস্যা।

শ্রী ৰাজেন বৰঠাকুৰে সুধিছে ঃ

৫১। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) তেজপুৰ চহৰৰ কিমান জলাশয় চৰকাৰী / দেবোত্তৰ ভূমি ম্যাদিকৰণ কৰা হ'ল জনাবনে?

(খ) এনে ভূমি কি ভূমি নীতিত ম্যাদি হ'ল? ইয়াৰ বাবে জিলা ভূমি উপদেষ্টা সমিতিৰ বা ৰাজহ বিভাগৰ অনুমোদন আছেনে? চহৰখনৰ ভূমি কি নীতিত শ্রেণী সংশোধন আৰু এই বিষয়ে চৰকাৰ অৱগতনে?

(গ) তেজপুৰ সমষ্টিৰ তেজপুৰ ৰাজহ চক্রৰ অধীনত জীয়া ভৰলী নদীয়ে দীর্ঘদিন ধৰি চলাই অহা গৰাখহনীয়াত আজিলৈকে কিমান মানুহ সম্পূর্ণ ভূমিহীন হয় তাৰ তথ্য চৰকাৰৰ হাতত আছেনে? (ক্ষতিগ্রস্তৰ তালিকা সহ উল্লেখ কৰিব)

(ঘ) উক্ত ব্যক্তি সকলৰ বর্ত্তমানলৈকে কেনে ধৰণৰ ক্ষতিপূৰণৰ ব্যৱস্থা লৈছে / কৰিছে? (ক্ষতিগ্রস্তৰ নাম বিপৰীতে উল্লেখ কৰিব)

(ঙ) তেজপুৰ পৌৰ সভাৰ নামত পূর্বতে থকা মাটি পুনৰ চৰকাৰী বুলি নামভূক্ত হৈছে তাৰ বিষয়ে চৰকাৰ অৱগতনে?

শ্রী পৃথিবী মাঝি (ৰাজহ আৰ দুর্যোগ ব্যৱস্থাৰ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) উপায়ুক্তৰ কার্য্যলয়ৰ পৰা পোৱা তথ্য অনুসৰি তেজপুৰ চহৰৰ জলাশয় চৰকাৰী জমী আৱণ্টন দিয়া নাই। ধর্মীয় ও দাতব্য অনুষ্ঠানৰ ভূমি অধিগ্রহণ আইন অনুসৰি ৩৮ বিঘা ১৮.৫ লেচা মাটি বন্দোৱস্তী দিয়া হৈছে।

(খ) উপায়ুক্তৰ কার্য্যালয়ৰ পৰা পোৱা তথ্য অনুসৰি ধর্মীয় ও দাতব্য অনুষ্ঠানৰ ভূমি অধিগ্রহণ আইনৰ ১৫ (ক) ধাৰামতে ৰায়তক

বন্দোৱস্তী দিয়া হৈছে। ৰায়তক পট্টন দিয়াৰ ক্ষেত্রত জিলা ভূমি উপদেষ্টা সমিতিৰ অনুমোদনৰ প্রয়োজন নাই। ৰাজহ বিভাগৰ অনুমোদনৰ বিষয়টো পৰীক্ষা কৰি থকা হৈছে। অসম ভূমি ও ৰাজহ অধিনিয়ম, ১৮৮৬, অসম ভূমি ৰাজহ পুনঃ নির্দ্ধাৰন আইন, ১৯৩৬ আৰু অসম ভূমিলেখ্য নিয়মাৱলী অনুসৰি উপায়ুক্তৰ অনুমোদন ক্রমে মাটিৰ শ্রেণীৰ পৰিৱর্ত্তন কৰা হয়।

(গ) উপায়ুক্তৰ কার্য্যালয়ৰ পৰা পোৱা তথ্য অনুসৰি তেজপুৰ সমষ্টিৰ তেজপুৰ ৰাজহ চক্রৰ অধীনত জীয়াভৰালী নদীৰ গৰাখহনীয়াত আজিলৈকে মুঠ ১১৭৩ জন লোক ভূমিহীন হয়। ভূমিহীনৰ বিতং তালিকা উপায়ুক্তৰ পৰা বিচৰা হৈছে।

(ঘ) মুঠ ৬৩ জন লোকক ১০,০০০ (দহ হাজাৰ) টকাকৈ আদায় দিয়া তালিকা পৰিশিষ্ট - 'ক' যোগে সদনৰ মজিয়াত দাখিল কৰা হ'ল। পুনৰ সংস্থাপনৰ বাবে ব্যৱস্থা লৈ থকা হৈছে। (See Annexure-XXVI)

(ঙ) তেজপুৰ পৌৰ সভাৰ দখলত থকা মাটি পুনৰ বন্দোৱস্তী সময়ৰ পৰা নথিত চৰকাৰী বুলি উল্লেখ আছে।

Sub :- PHE Sub - Division of Ramkrishna Nagar.

Shri Kripa Nath Mallah asked :

52. Will the Minister of P.H.E. be pleased to state:

(a) Whether Govt. is aware about the fact that there is a long felt public demand for setting up of a PHE Sub- Division at Ramkrishna Nagar? If so, what action has been initiated by the Govt. in this regard?

(b) How many PHE Sub-Division officers are functioning with in the state of Assam? (Place a statement with name / location of offices, jurisdiction and present work load).

(c) Will the Govt. identify and existing PHE Sub- Division with less work load & shift it to Ramkrishna Nagar at an early date ? (Place copy of such notification)?

Shri Gautom Roy (Minister, P.H.E.Department), replied:

(a) Yes, the filed level officials have already

been asked for submission of the proposal for establishment of a Sub-Division at Ramkrishna Nagar immediately.

(b) There are 89 (eighty nine) nos. of Sub-Division in PHE Department (Statement placed at Annexure - I)(See Annexure-XXVII). Regarding work load of PHE Sub-Division it is to be stated that the work load varies from place to place mainly depending upon hilly terrain and water quality contamination affected areas, areas to be covered, sanitation status and other pertinent issues.

(c) Advice of Hon'ble MLA Shri K.N. Mallah will be looked into if feasible.

বিষয় ঃ- মাতমৰা মথাউৰি / গোগামুখ, বাঘমৰা, জেংৰাই, সোৱণশিৰি মথাউৰি।

শ্রী নৰ কুমাৰ দলেই সুধিছে ঃ

৫৩। মাননীয় জনসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে চিচি টেকেলীফুটাত ব্ৰহ্মপুত্ৰ মথাউৰিৰ জিঅ'টিউৱৰ অংশৰ উজনি আৰু নামনিত ভয়ংকৰ ৰূপ লোৱা ব্ৰহ্মপুত্ৰ প্ৰবল খহনীয়াই ইতিমধ্যে জৰাজীৰ্ণ হৈ থকা পুৰণি মথাউৰিটোৰ প্ৰতি গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে?

(খ) যদি অৱগত, তেন্তে এই মথাউৰিটোৰ সমগ্ৰ দৈৰ্ঘ্য জিঅ' টিউৱ পদ্ধতিৰে পুনৰ নিৰ্মাণ কৰিবনে?

(গ) এইটো সত্যনে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মাতমৰা জিঅ' টিউৱ মথাউৰিৰ শুভ উদ্ঘোধনৰ সময়ত উজনি আৰু নামনি খণ্ডটো জিঅ'টিউৱ প্ৰযুক্তিৰে মথাউৰিটো পুনৰ নিৰ্মাণ কৰাৰ আঁচনি সম্পৰ্কে ঘোষণা কৰিছিল?

(ঘ) যদি সত্য, বৰ্ত্তমান এই আঁচনি কি পৰ্য্যায়ত আছে?

(ঙ) চৰকাৰ অৱগতনে, গোগামুখৰ পৰা বাঘমৰা হৈ জেংৰাই পৰ্য্যন্ত বিস্তৃত সোৱণশিৰি মথাউৰিটোৰ ভগ্নপ্ৰায় জৰাগ্ৰস্ত অৱস্থাই ঢকুৱাখনা আৰু মজুলী মহকুমাৰ জনসাধাৰণক শংকিত কৰি আহিছে?

(চ) যদি অৱগত, মথাউৰিটোৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ বাবে বিভাগে কিবা আঁচনি গ্ৰহণ কৰিছেনে?

(ছ) যদি কৰিছে, আঁচনি ৰূপায়ণৰ কাম কেতিয়াৰ পৰ আৰম্ভ হব?

শ্ৰী ৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) উল্লেখিত চিচি টেকেলীফুটা মথাউৰিৰ জিঅ' টিউব অংশৰ উজনি আৰু নামনিৰ মাটি অংশক জিঅ' টিউব পদ্ধতিৰে পুনৰ নির্মাণ কৰাৰ আঁচনি বর্ত্তমানলৈকে নাই।

(গ) হয়, সত্য।

(ঘ) জিঅ' মেট আৰু জিঅ'টিউব এপ্রন সন্নিবিষ্ট কৰি মথাউৰি সৱলীকৰণ কৰা এখন আঁচনি, বর্ত্তমান কেন্দ্রীয় জল আয়োগৰ পর্য্যবেক্ষণত আছে।

(ঙ) হয়, অৱগত।

(চ) মথাউৰিটোৰ মেৰামতি আৰু পুনৰ নির্মাণৰ বাবে ১,৫৬৪ কোটি টকাৰ আঁচনি এখন যুগুত কেন্দ্রীয় জল আয়োগৰ অনুমোদনৰ বাবে দাখিল কৰা হৈছে।

(ছ) কেন্দ্রীয় চৰকাৰৰ যাৱতীয় অনুমোদন তথা পুঁজিৰ আৱণ্টন সাপেক্ষে আঁচনিখনৰ কাম আৰম্ভ কৰিব পৰা হব।

বিষয় ঃ খোৱাপানী আঁচনি কার্য্যকৰী কৰাৰ ব্যৱস্থা।

শ্রী ৰনজিৎ কুমাৰ দাসে সুধিছে ঃ

৫৪। **মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) সৱভোগ বিধানসভা সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কিমানটা খোৱাপানী যোগান আঁচনি আছে? ইয়াৰ ভিতৰত কি কি আঁচনি কার্য্যক্ষম হৈ আছে? বিকল হৈ থকা কোনকেইটা আঁচনি কার্য্যকৰী কৰি তোলাৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে? (বিতংকৈ জনাব)

(খ) এই বিধানসভা সমষ্টিত খোৱাপানী যোগানৰ নতুন কি কি আঁচনি গ্রহণ কৰা হৈছে? উক্ত আঁচনি সমূহ কেতিয়ালৈকে কার্য্যকৰী কৰাৰ বৱস্থা কৰিছে?

শ্রী গৌতম ৰয়, (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী,) য়ে উত্তৰ দিছে ঃ

(ক) সৱভোগ বিধানসভা সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সর্বমুঠ ২৩ টা পানীযোগান আঁচনি আছে।

কার্য্যক্ষম হৈ থকা পানীযোগান আঁচনিৰ তালিকা ঃ

১। খৈৰাবাৰী, ২। নিচুকা, ৩। মেদা, ৪। বালডিটা, ৫। গেল্লাপাৰা, ৬। কলিতাপাৰা, ৭। উত্তৰ আঠিয়াবাৰী, ৮। ফেউৰাখোৱা ৯। বিলাসী পাৰা পথাৰ, ১০। কমাৰ গাওঁ, ১১। খুদনাবাৰী গাওঁ, ১২। ভেৰভেৰী , ১৩। বালাপেত আৰু ১৪। উঃ গনকগৰী পানীযোগান আঁচনি।

বিকল হৈ থকা চুলিয়াকটা, কাটাঝাৰ পথাৰ আৰু চাক্ষাকামাৰ পানীযোগন আচনি কার্য্যক্ষম কৰি তোলাৰ বাবে যাবতীয় ব্যৱস্থা পর্য্যায়ক্রমে আৰু পুঁজি সাপেক্ষে লোৱা হব,

ইয়াৰ উপৰিও ৬ টা আঁচনি নিৰ্মীয়মান অৱস্থাত আছে।

(খ) সৰভোগ বিধানসভা সমষ্টিত খোৱাপানী যোগানৰ বাবে গ্ৰহণ কৰা নতুন আঁচনিসমূহ তলত উল্লেখ কৰা হ'ল।

১। নিজ চকাবাউসী, ২। পুঠিমাৰী, ৩। ভলুকাডোবা, ৪। বলবাৰী, ৫। মনিপুৰ, ৬। দহলাপাৰা, ৭। গমাৰীগুৰী, ৮। ভোমনী গাওঁ, ৯। নিজভমকা পানীযোগান আঁচনি

উক্ত পানীযোগান আঁচনি সমূহ ২০১৩ চনৰ ভিতৰত কার্য্যক্ষম কৰি তোলাৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ আৱণ্টিত ধন ব্যয়।

শ্ৰী উৎপল দত্তই সুধিছে ঃ

৫৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০৬ চনৰ পৰা বৰ্ত্তমানলৈ জলসিঞ্চন বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা কি কি আঁচনিৰ অধীনত কিমান ধন পাইছিল? (জিলা ভিত্তিত আৱণ্টিত ধন, ব্যয় হোৱা পুঁজিৰ পৰিমাণ আৰু কামৰ অগ্ৰগতিৰ তালিকা বছৰ ভিত্তিত দাখিল কৰিব)

(খ) লক্ষীমপুৰ জিলাত উক্ত সময়ছোৱাত কি কি আঁচনি কার্য্যকৰি কৰা হৈছে? (আঁচনিৰ নাম, আৱণ্টিত পুঁজি, ব্যয়ৰ পৰিমাণ, কামৰ অগ্ৰগতি আৰু উপকৃত গাঁৱৰ তালিকা গাঠি দিব)

(গ) লক্ষীমপুৰ জিলাত জলসিঞ্চন আঁচনিৰ আৱণ্টিত ধন ব্যয় কৰাৰ পৰিবর্তে ৰাস্তা, দলং, ঘৰ আদিত অধিক পৰিমাণে ব্যয় কৰা কথাটো সঁচানে?

(ঘ) যদি সত্য, তেন্তে প্রকৃত আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্রত কিবা প্রভাৱ পেলাব নেকি? (ব্যয় হোৱা ধনৰ পৰিমাণ আঁচনিৰ বিপৰীতে দিব)

ডাঃ অর্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬ চনৰ পৰা বর্ত্তমানলৈ জলসিঞ্চন বিভাগে কেন্দ্রীয় চৰকাৰৰ পৰা আঁচনি সমূহৰ বিপৰীতে পোৱা ধন ব্যয় হোৱা পুঁজিৰ পৰিমান আৰু কামৰ অগ্রগতিৰ তালিকা অনুবদ্ধ ১(ক) আৰু ১ (খ)ত দাখিল কৰা হল। (See Annexure-XXVIII)

(খ) লক্ষীমপুৰ জিলাত থকা ঢকুৱাখানা সংমণ্ডলত ৬ টা আঁচনি আছে। আনহাতে, লক্ষীমপুৰ সংমণ্ডলৰ অধীনত ৭ টা আঁচনি কার্য্যকৰী কৰা হৈছে। আঁচনি সমূহৰ বিতং তথ্য অনুবদ্ধ ২ (ক) আৰু ২ (খ) ত দাখিল কৰা হ'ল। (See Annexure-XXIX)

(গ) আঁচনিলৈ অহা যোৱাৰ বাবে ৰাস্তা আদি নির্মানত ধন ব্যয় কৰাতো সত্য।

(ঘ) আঁচনিটো ৰক্ষণাবেক্ষণৰ বাবে চতুর্থ শ্রেণীৰ কর্মচাৰী আবাস গৃহ বনাবলৈ ধন ব্যয় কৰা হৈছে যদিও এই বিলাকে আঁচনি সমূহৰ

ৰূপায়ণৰ ক্ষেত্ৰত কোনো বিৰূপ প্ৰভাৱ পেলোৱা নাই। বিতং তথ্য অনুবদ্ধ ত'ত দাখিল কৰা হ'ল। (See Annexure-XXX)

বিষয় ঃ আঁচনি ৰূপায়ণ।

শ্ৰী শ্বেখ শাহ আলমে সুধিছে ঃ

৫৬। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ভূমি সংৰক্ষণৰ নামত ২০০৭-০৮ বৰ্ষৰ চলিত বৰ্ষলৈ অসমৰ কোন কোন জিলাত কিমান টকা ধাৰ্য্য কৰা হৈছে?

(খ) গোৱালপাৰা জিলাত ভূমি সংৰক্ষণৰ নামত ২০০৭-০৮ বৰ্ষৰ পৰা চলিত বিত্তীয় বৰ্ষলৈ কিমান টকা ধাৰ্য্য কৰা হৈছে আৰু কি কি আঁচনি হাতত লোৱা হৈছে?

(গ) উক্ত আঁচনি সমূহ ৰূপায়ণ কৰা হৈছেনে?

ডঃ অৰ্ধেন্দু কুমাৰ দে (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিগত ২০০৭-০৮ বৰ্ষৰ পৰা চলিত বৰ্ষলৈকে অসমৰ বিভিন্ন জিলাত ভূমি সংৰক্ষণৰ নামত ধাৰ্য্য কৰা ধনৰ পৰিমাণ তালিকা 'ক' ত উল্লেখ কৰা হ'ল। (See Annexure-XXXI)

(খ) গোৱালপাৰা জিলাত ২০০৭-০৮ বৰ্ষৰ পৰা চলিত বিত্তীয় বৰ্ষলৈ ভূমি সংৰক্ষণৰ নামত ধাৰ্য্য কৰা ধনৰ পৰিমাণ আঁচনিৰ বিপৰীতে তালিকা 'খ' ত উল্লেখ কৰা হ'ল। (See Annexure-

XXXII)

(গ) ২০০৭-০৮ বৰ্ষৰ পৰা ২০১০-১১ বৰ্ষলৈ বিভিন্ন ভূমি সংৰক্ষণ আঁচনি সমূহ ৰূপায়ণ কৰা হৈছে। ২০১১-১২ বৰ্ষৰ আঁচনি সমূহ প্ৰস্তুত কৰি ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ গোচৰ স্থানান্তৰ।

শ্ৰী প্ৰশান্ত ফুকনে সুধিছে ঃ

৫৭। মাননীয় শ্ৰমবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত থকা শ্ৰমিক আদালত আৰু উদ্যোগিক ন্যায়াধীকৰণ সমূহৰ পৰা গোচৰ সমূহ জিলা সত্ৰ ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰ কৰি ৰাজ্যৰ শ্ৰমিক আদালত আৰু উদ্যোগিক ন্যায়াধীকৰণ সমূহ বিলুপ্ত কৰাৰ পৰিকল্পনা কৰা হৈছে নেকি?

(খ) এই বিলুপ্তিকৰণ প্ৰক্ৰিয়াই সৰ্বহাৰা আৰু সাধাৰণ শ্ৰমিক সকলৰ কিবা উপকাৰ সাধিবনে? চৰকাৰে এইক্ষেত্ৰত শ্ৰমিক আদালত আৰু উদ্যোগিক ন্যায়াধীকৰণ সমূহ পুনৰ বাহাল কৰাৰ বাবে কিবা উচিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰী পৃথিৱী মাঝি (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ ন্যায় বিভাগৰ অধিসূচনা নং জে. দি. জে. (ই) ৬২/২০০০/১৫৩ তাৰিখ ১৬/৯/২০১১ মৰ্ম্মে ৰাজ্যখনত থকা

শ্রমিক আদালত আৰু উদ্যোগিক ন্যায়াধীকৰণ সমূহৰ পৰা নিষ্পত্তি নোহোৱা গোচৰ সমূহ জিলাসত্র ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰ কৰা হৈছে যদিও শ্রমিক আদালত আৰু উদ্যেগীক ন্যায়াধীকৰণ সমূহ বিলুপ্ত কৰাৰ বাবে কোনো কার্য্যকৰী ব্যৱস্থা শ্রম ও নিয়োগ বিভাগে বর্ত্তমানলৈকে লোৱা নাই।

(খ) হয়। ইয়াৰ যোগেদি সাধাৰণ শ্রমিক সকলে নিজৰ গৃহ জিলাতে তেওঁলোকৰ গোচৰ সমূহৰ নিষ্পত্তিকৰণৰ ব্যৱস্থা পাব প্রশ্ন নুঠে।

বিষয় ঃ বাঘবৰ সমষ্টিত হোৱা নদীৰ গৰাখহনীয়া।

শ্রী শ্বেৰমান আলী আহমেদে সুধিছে ঃ

৫৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বাঘবৰ সমষ্টিৰ বাঘ্‌বৰ ৰাজহ চক্র আৰু কলগাছিয়া ৰাজহ চক্রৰ এলেকাৰ বামুনদংৰা দিঘীৰ পাম, চাছৰা, সত্রকনৰা, মাণিকপুৰ, বাঘবৰ, সোণাবাৰী, মইনবৰী আৰু চতলা গাওঁ পঞ্চায়ত এলেকাৰ কিমানখন গাওঁ ক্রমে ব্রহ্মপুত্র, বেকী আৰু মানাহ নদীৰ গৰাখহনীয়াত পৰি আংশিকভাৱে / সম্পূর্ণভাৱে বিধস্ত হৈছে? উক্ত নদী সমূহৰ গৰাখহনীয়াত কিমানটা পৰিয়াল ক্ষতিগ্রস্ত হৈছে? (গাওঁৰ নাম, আংশিক ভাবে / সম্পূর্ণৰূপে ক্ষতিগ্রস্ত মাটিৰ পৰিমাণ আৰু পৰিয়ালৰ সংখ্যা পৃথককৈ দিব)

(খ) ক্ষতিগ্রস্ত পৰিয়াল সমূহক পুনৰবাসন আৰু চৰকাৰে ঘোষণা

কৰামতে সাহায্য প্ৰদান কৰা হৈছেনে? যদি হৈছে, উল্লেখিত কোন পঞ্চায়তৰ কিমানটা পৰিয়ালক এনে সাহায্য দিয়া হৈছে?

(গ) সম্প্ৰতি ভয়ংকৰ গৰাখহনীয়া চলি থকা বামুনদংৰা, মাণিকপুৰ, সত্ৰকনৰা, বাঘবৰ, সোণাবাৰী আৰু মইনবৰী গৰাখহনীয়া ৰোধৰ তাৎক্ষণিক-ব্যৱস্থা আৰু স্থায়ী বিজ্ঞান সন্মত আঁচনি গ্ৰহণ কৰিবনে?

(ঘ) এই সম্পৰ্কে বিভাগীয় কৰ্মকৰ্ত্তা সকলক জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিবনে?

(ঙ) ব্ৰহ্মপুত্ৰ, বেকী আৰু মানাহ নদীৰ সম্পূৰ্ণ বিজ্ঞান সন্মত নিয়ন্ত্ৰণৰ বাবে চৰকাৰে কিবা ফলপ্ৰসু ব্যৱস্থা হাতত লবনে?

(চ) এই বছৰ ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াত ছিণ্ডি যোৱা চাচৰা বাঘবৰ মথাউৰি অতি ক্ষীপ্ৰতাৰে পুনৰ নিৰ্মাণ কৰি ৰাইজক অহা বছৰৰ বানপানীৰ পৰা ৰক্ষা কৰিবনে?

শ্ৰী ৰাজীৰ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজহ বিভাগৰ পৰা পোৱা তথ্য পৰিশিষ্ট 'ক' ত আৰু 'খ' ত সংলগ্ন কৰা হ'ল। (See Annexure - XXXIII)

(খ) ৰাজহ বিভাগৰ পৰা পোৱা তথ্য অনুসৰি, বাঘবৰ ৰাজহ চক্ৰৰ অধীনত বাঘবৰ গাওঁ পঞ্চায়তৰ ৩১ টা পৰিয়ালক প্ৰতি পৰিয়াল হিচাপে ১২ (বাৰ) হাজাৰ টকাকৈ সাহায্য প্ৰদান কৰা হৈছে।

(গ) উক্ত অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে তাৎক্ষনিক আৰু স্থায়ী আঁচনি হাতত লোৱাৰ যো-জা কৰা হৈছে। বিত্তীয় অনুমোদন তথা বিত্তীয় পুঁজি আৱণ্টন সাপেক্ষে আঁচনি সমূহ ৰূপায়ন কৰা হ'ব।

(ঘ) আঁচনি গ্ৰহনৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(ঙ) হয়, এই সম্পৰ্কে উক্ত এলেকাত ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে ইতিমধ্যে আঁচনি প্ৰস্তুত কৰি থকা হৈছে। বেকী আৰু মানাহ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ৩৭৯.৩০ কোটি টকাৰ বৃহৎ আঁচনি প্ৰস্তুত কৰি ব্ৰহ্মপুত্ৰ বোৰ্ডলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে।

(চ) বহৰি বাঘবৰ মথাউৰিত চাচ্ৰা এলেকাত ২০১১ ইং চনৰ বাৰিষাত চিঙি যোৱা অংশৰ পুনঃ নিৰ্মাণ কৰাৰ কাৰনে ইতিমধ্যে ২০.৮৯ কোটি টকাৰ এখন আঁচনি প্ৰস্তুত কৰি ৰাজহ বিভাগলৈ অনুমোদনৰ কাৰনে প্ৰেৰণ কৰা হৈছে।

বিষয় ঃ জলসিঞ্চন বিভাগৰ আঁচনি সম্পৰ্কে।

শ্ৰী মইন উদ্দিন আহমেদে সুধিছে ঃ

৫৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) জলসিঞ্চন বিভাগৰ যোগেদি জলেশ্বৰ বিধান সভা সমষ্টিত আজিলৈকে কোন কোন আঁচনি ৰূপায়ণ কৰা হৈছে? (আঁচনি

সমূহৰ নাম আৰু ঠিকনা দাখিল কৰিব)

(খ) উক্ত আঁচনি সমূহৰ ভিতৰত কোন কোন আঁচনি কার্য্যক্ষম হৈ আছে আৰু কোন আঁচনি বিকল হৈ আছে জনাবনে? (কার্য্যক্ষম আৰ বিকল হোৱাৰ তাৰিখ জনাব)

(গ) উক্ত আঁচনি সমূহৰ কোনখনত কিমানজন কর্মচাৰী কর্মৰত হৈ আছে? (নাম, ঠিকনা আৰু পদবী বিতং ভাবে জনাব)

(ঘ) বর্ত্তমান কাম চলি থকা বা আধৰুৱা হৈ থকা আঁচনি সমূহৰ নাম, ঠিকনা, আবণ্টিত ধনৰ পৰিমাণ, ঠিকাদাৰৰ নাম, কাম আৰম্ভ হোৱাৰ তাৰিখ, কামৰ অগ্রগতি, আদায় দিয়া ধনৰ পৰিমাণ আৰু Work Order Copy & DPR সহকাৰে বিতং তথ্য দাখিল কৰিব?

(ঙ) অহা বিত্তীয় বর্ষৰ বাবে জলেশ্বৰ সমষ্টিৰ বাবে কোনো নতুন আঁচনিৰ প্রস্তাৱ বিভাগীয়ভাবে দাখিল কৰা হৈছেনে?

(চ) যদি হৈছে, ইয়াৰ বিতং তথ্য জনাবনে?

ডাঃ অর্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) জলসিঞ্চন বিভাগৰ যোগেদি জলেশ্বৰ বিধান সভা সমষ্টিৰ গোৱালপাৰা অনুসন্ধান সংমণ্ডলৰ অধীনত ৬ খন আঁচনি আৰু মানকাছাৰ সংমণ্ডলৰ অধীনত ২খন আঁচনি ৰূপায়ণ কৰা হৈছে। (আঁচনিৰ বিতং তথ্য অনুবদ্ধ (ক) ত দাখিল কৰা হ'ল।)

(খ) মানকাছাৰ সংমণ্ডলৰ অধীনত দুয়োখন আঁচনি বিকল হৈ আছে। আনহাতে, গোৱালপাৰা অনুসন্ধান সংমণ্ডলৰ অধীনত ৩ খন কার্য্যক্ষম হৈ আছে আৰু তিনিখন আঁচনিৰ কামৰ অগ্রগতি হৈ আছে। (বিতং তথ্য অনুবদ্ধ (ক) ত দাখিল কৰা হ'ল।) (See Annexure-XXXIV)

(গ) আঁচনি সমূহত কর্মৰত হৈ থকা কর্মচাৰীৰ নাম, ঠিকনা অনুবদ্ধ (খ) ত দাখিল কৰা হ'ল। (See Annexure-XXXV)

(ঘ) মানকাছাৰ সংমণ্ডলৰ অধীনত তেনে কোনো আঁচনি নাই। আনহাতে গোৱালপাৰা অনুসন্ধান সংমণ্ডল (জলসিঞ্চন)ৰ অধীনৰ আঁচনিৰ নাম, ঠিকনা, কাম, কামৰ বিবৰণ, Work order আৰু বিতং তথ্য ও DPR ৰ মুখ্যাংশ আদিৰ তথ্য অনুবদ্ধ 'গ'ত দাখিল কৰা হ'ল। (See Annexure-XXXVI)

(ঙ) অহা বিত্তীয় বর্ষৰ বাবে জলেশ্বৰ সমষ্টিত কোনো নতুন আঁচনিৰ প্রস্তাৱ বিভাগীয় ভাবে নাই।

(চ) প্রয়োজ্য নহয়।

বিষয় ঃ খেতি পথাৰত পানী যোগান আঁচনি।

শ্রী মনোৰঞ্জন দাসে সুধিছে ঃ

৬০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৪২ নং পাটাছাৰকুছি বিধান সভা সমষ্টিৰ বজালী উন্নয়ন খণ্ডৰ

এলেকাৰ অধীনত ২০০১-০২ বৰ্ষৰ পৰা ২০১০-১১ বৰ্ষলৈ খেতি পথাৰত পানী যোগানৰ বাবে Accelerated Irrigation Benefit Programme, Command Area Development and Water Management Programme, Asom Vikash Yojona Schemes Under NABARD (RIDF), State Plan আৰু Non-Lapasable Central Pool of Resources আদিৰ জৰিয়তে কিবা আঁচনি ৰূপায়ণ কৰা হৈছে নেকি? (যদি হৈছে, আঁচনিবোৰৰ নাম, কোন আঁচনিৰ বিপৰীতে কোন বছৰত কিমান টকা ধাৰ্য্য আৰু খৰচ হ'ল জনাব)

(খ) আঁচনিবোৰ ৰূপায়ণৰ বাবে Open Tender আহ্বান কৰা হৈছেনে? কোনটো আঁচনি কোন ঠিকদাৰক আৱণ্টন দিয়া হৈছিল? (ঠিকদাৰৰ নাম আৰু ঠিকনা জনাব)

ডা· অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) Accelerated Irrigation Benefit Programme, Command Area Development আৰু State Plan ৰ অধীনত এতিয়ালৈকে মুঠ ১৩টা আঁচনি হাতত লোৱা হৈছে। বিতং তথ্য তালিকা (ক) ত দেখুৱা হৈছে। (See Annexure-XXXVII)

(খ) আঁচনিবোৰ ৰূপায়ণৰ বাবে Open Tender আহ্বান কৰা হৈছিল। আঁচনি অনুযায়ী ঠিকাদাৰৰ নামৰ তালিকা (খ) ত দেখুওৱা হৈছে। (See Annexure-XXXVIII)

বিষয় ঃ ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ।

শ্রী ৰেকিবুদ্দিন আহমেদে সুধিছে ঃ

৬১। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদে যোৱাটো কার্য্যকালত চৰকাৰৰ পৰা পোৱা বিভিন্ন শিতানত ধনৰ পৰিমাণ কিমান আৰু কোন কোন বিপৰীতে খৰচৰ পৰিমাণ কিমান বিতং তথ্য সহকাৰে জনাবনে?

(খ) উক্ত পৰিষদৰ মুখ্য কার্যবাহী সদস্য, ডাঃ শৰৎ ৰাভাৰ নেতৃত্বাধীন পৰিষদে ছয়গাওঁ বিধান সভা সমষ্টিৰ অন্তর্গত ঠাই সমূহত কি কি কামত কিমান খৰচ কৰিলে তথ্য সহকাৰে জনাবনে?

শ্রী ৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিচপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) উত্তৰ অনুবদ্ধ 'ক', 'খ', 'গ', আৰু 'ঘ'ত দিয়া হৈছে। (See Annexure-XXXIX)

(খ) ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ আবণ্টিত পুঁজি সমষ্টি ভিত্তিত খৰছ কৰা নহয়। এই পুঁজি দক্ষিণ কামৰূপ আৰ গোৱালপাৰা জিলা পৰিষদৰ অধীনৰ এলেকাত খৰছ কৰা হৈছে।

বিষয় ঃ জলসিঞ্চন বিভাগৰ মাণ্ডলিক কার্য্যালয়।

শ্রী কলমসিং নার্জাৰীয়ে সুধিছেঃ

৬২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বর্ত্তমানে জলসিঞ্চন বিভাগৰ অধীনস্থ কিমানটা মাণ্ডলিক কার্য্যালয় আছে? উক্ত কার্য্যালয় সমূহৰ জৰিয়তে কোন কোন এলেকা সামৰি লোৱা হৈছে? (সবিশেষ তথ্য সহ দিব)

(খ) জলসিঞ্চন বিভাগৰ কাম কাজ সুস্থভাবে পৰিচালনাৰ স্বার্থত বিভাগটোৰ অধীনত নতুন মাণ্ডলিক কার্য্যালয় স্থাপনৰ প্রস্তাৱ চৰকাৰে বিবেচনা কৰি থকা কথাটো সঁচানে? যদি হয়, কোন কোন স্থানত উক্ত কার্য্যালয় সমূহ স্থাপনৰ প্রস্তাৱ বিবেচনা কৰি থকা হৈছে? (সবিশেষ তথ্য সহ দিব).

(গ) পূর্বৰ চৰকাৰৰ কার্য্যকালত বিজনীত জলসিঞ্চন বিভাগৰ মাণ্ডলিক কার্য্যালয় এটা স্থাপনৰ প্রতিশ্রুতি দিয়া কথাটো সচাঁনে? যদি হয়, উক্ত প্রস্তাৱটো আজিলৈকে কার্য্যকৰী নোহোৱাৰ কাৰণ কি? (সবিশেষ তথ্য সহ দিব)

(ঘ) বিজনীত জলসিঞ্চন বিভাগৰ মাণ্ডলিক কার্য্যালয়টো কিমান দিনৰ ভিতৰত স্থাপন কৰা হব?

ডা' অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) জলসিঞ্চন বিভাগৰ অধীনত অসমত বৰ্ত্তমানে ২১ টা মাণ্ডলিক কার্য্যালয় আছে। সবিশেষ তথ্য অনুবদ্ধ ১' ত দাখিল কৰা হ'ল। (See Annexure-XL)

(খ) বৰ্ত্তমানে জলসিঞ্চন বিভাগৰ অধীনত নতুন মাণ্ডলিক কার্য্যালয় স্থাপনৰ প্রস্তাৱ লোৱা হোৱা নাই।

(গ) তেনে কোনো তথ্য চৰকাৰৰ হাতত নাই।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ স্থায়ী কমিটিৰ সংখ্যা।

শ্রী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৬৩। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰৰ শ্রম বিভাগত কেইখন স্থায়ী কমিটি আছে?

(খ) কোন কোন স্থায়ী কমিটিৰ যোৱা পাঁচ (৫) বছৰৰ ভিতৰত কেইবাৰ বৈঠক অনুষ্ঠিত হৈছিল আৰু কি কি সিদ্ধান্ত লোৱা হৈছিল?

(গ) এই স্থায়ী কমিটি সমূহত কোন কোন সদস্য, কোন কোন কমিটিত আছে? (নাম সমূহ উল্লেখ কৰিব)

শ্রী পৃথিৱী মাঝি (শ্রম ও নিয়োগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৩ (তিনি) খন স্থায়ী কমিটি আছে।

(খ) বাগিচা বনুৱা সকলৰ বাবে থকা ৰাজ্যিক স্থায়ী কমিটিখনৰ (State standing labour comittee for plantation labours) বৈঠক ২ (দুই) বাৰ অনুষ্ঠিত হৈছে। এই বৈঠক দুখনত লোৱা সিদ্ধান্ত সমূহ সন্নিবিষ্ট থকা কার্য্য বিৱৰণী দুয়োখন ইয়াৰ লগত নথি = 'ক' আৰু নবি = 'খ' ৰূপে সদনৰ মেজত দিয়া হ'ল।

State council for vocational training (SCVT) ৰ বৈঠক যোৱা পাঁচ বছৰত এবাৰ অনুষ্ঠিত হৈছে আৰু State apprnticeship council ৰ বৈঠক অনুষ্ঠিত হোৱা নাই। SCVT ৰ বৈঠকৰ কার্যবিৱৰনীৰ প্রতিলিপি নথি = 'গ' সদনত দাখিল কৰা হ'ল।

(গ) উক্ত স্থায়ী কমিটি ৩ খনৰ সদস্যৰ নামৰ চৰকাৰী Notification নথি = 'ঘ' ত সদনৰ মেজত দিয়া হ'ল।

Sub : Irrigation Scheme.

Shri ABDUR RAHMAN AJMAL asked:

64. Will the Minister of Irrigation be pleased to state:-

(a) How many bighas of Agriculatural land in South Salmara Constituency have been covered under Irrigation facility?

(b) What are the other Schemes sanctioned or to be sanctioned by the Irrigation Department under South Salmara LAC?

(c) Have any new Scheme been undertaken recently?

(d) If so, when will the work be completed and how much agricultural land will be covered?

Dr. Ardhendu Kumar Dey (Minister of Irrigation) replied:

(a) 1086 bighas of Agricultural land in South Salmara Constituency have been cov-

ered under Irrigation facility.

(b) Two Nos. of Irrigation Schemes namely Tumni Simla Kand STW 10 Pts. and Imp. of Tumni Simla Kand DTW Schemes were sanctioned under South Salmara LAC of which Minakandi STW and Bowalia STW are partially operative due to river erosion and flood damage.

(c) Two Nos. of Irrigation Schemes have been proposed under NLCPR (For consideration by G.O.I) under the constituency.

(d) The works of the proposed Schemes will be started on receipt of aproval from Govt. of India under NLCPR. The targeted land for coverage by the schemes is 750 Ha.

বিষয় ঃ কেঁচা চাহ পাতৰ মূল্য।

শ্রী ৰাজু চাহুয়ে সুধিছে ঃ

৬৫। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি

জনাবনেঃ

(ক) অসমৰ বিভিন্ন অঞ্চলৰ ৬৭.০০০ ক্ষুদ্ৰ চাহ খেতিয়কে পানীৰ দৰত কেঁচাপাত কম মূল্যত বিক্ৰী কৰিব লগীয়া হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে? তেওঁলোকে কেঁচা পাতৰ মূল্য প্ৰতি কিলোগ্ৰামত ১৮ টকা হব লাগে বুলি দাবী কৰাটো সঁচানে? যদি সঁচা, তেওঁলোকৰ দাবী পূৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) ক্ষুদ্ৰ চাহ খেতিয়ক সকলে তেওঁলোকৰ বাৰীৰ তামোল গছ, কমলা গছ, শাক-পাচলি, ফলমূলৰ গছ, বাঁহ গছ ইত্যাদি উঘালি চাহ গছৰ খেতি কৰা স্বত্বেও উৎপাদিত কেঁচা পাত অনুপাতে বৰ্ত্তমান ৰাজ্যখনত কলঘৰ নোহোৱাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, পৰ্য্যাপ্ত পৰিমাণৰ নতুন কলঘৰৰ Permit দিয়াৰ বিষয়ে চৰকাৰে কিবা আঁচনি লৈছে নে?

(গ) যদি লৈছে, তেন্তে কিমান দিনৰ ভিতৰত নতুন Factory Permit দিয়াৰ ব্যৱস্থা লব?

শ্ৰী পৃথিবী মাঝি (শ্ৰম আৰু নিয়োগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় অৱগত। যোৱা অক্টোবৰ মাহত অসমৰ কিছুমান জিলাত ক্ষুদ্ৰ চাহ খেতিয়কে উৎপাদন কৰা কেঁচা চাহপাতৰ মূল্য অধিক নিম্নগামী হৈছে। কেচাঁপাতৰ মূল্য প্ৰতি কিলোগ্ৰামত, ১৮ টকা হব লাগে বুলি দাবী কৰা কথাটো সচাঁ নহয়। তেওঁলোকে ভাৰতীয় চাহ বৰ্ডৰ Tea Marketing Control, Order, 2003

ৰ অধীনৰ Price Sharing Formula মতে কেঁচা চাহ পাতৰ মূল্য নির্দ্ধাৰণ কৰাৰ বাবেহে সময়ে সময়ে দাবী জনাই আহিছে।

Price Sharing Formula ৰূপায়নৰ দায়িত্ব চাহ ব'ৰ্ডৰ ফেক্টৰীৰ সংখ্যা হিচাবত প্ৰয়োজনীয় বিষয়া / কৰ্মচাৰী নথকাৰ বাবে চাহ ব'ৰ্ডে ইয়াক ৰূপায়ন কবি পৰা নাই। এই বিষয়ত চাহ ব'ৰ্ড আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যেই বিষয়া নিযুক্তিৰ ক্ষেত্ৰত অনুমোদন জনাইছে আৰু চাহ ব'ৰ্ড বিষয়া নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। সাময়িকভাবে অসম চৰকাৰৰ পৰা ১৩ জন উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়া চাহ ব'ৰ্ডৰ তত্বাৱধানত প্ৰাৰম্ভিক কাম আৰম্ভ কৰাৰ কাৰনে দিয়া হৈছে। তেওঁলোকে ফেক্টৰী পৰিদৰ্শনৰ কাম আৰম্ভ কৰিছে।

(খ) কেচাঁ চাহপাত উৎপাদন হিচাবত কলঘৰ পর্য্যাপ্ত নোহোৱা কথাটো সঁচা নহয়। ২০০৯ চনত ১৪ খন জিলাত ক্ষুদ্ৰ চাহ খেতিয়ক আৰু bought leaf factory জৰীপ তথ্যমতে দেখা গৈছে যে উক্ত জিলা সমূহত থকা ১৭৬ টা bought leaf factory ৰ বাদেও ২৩৫ টা কোম্পানী বাগিছাৰ কলঘৰে ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা চাহপাত ক্ৰয় কৰে। প্ৰয়োজন সাপেক্ষে অঞ্চলসমূহত কলঘৰ স্থাপনৰ অনুমতি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে।

(গ) প্রয়োজন থকা অঞ্চলৰ কলঘৰ স্থাপনৰ ক্ষুদ্র চাহ খেতিয়কৰ আত্ম সহায়ক গেট, ক্ষুদ্র চাহ খেতিয়কৰ কো-অপাৰেটিভ ছাইটি, চাইটি ৰেজিষ্ট্রেচন আইনৰ আধাৰত গঠন হোৱা ক্ষুদ্র চাহ খেতিয়ক ছচাইটি আৰু কোম্পানী আইনৰ আধাৰত গঠন হোৱাকোম্পানী য'ত শতকৰা ১০০ ভাগেই ক্ষুদ্র চাহ খেতিয়ক অংশীদাৰ হয় তেওঁলোকক অগ্রাধিকাৰ দিয়া হব। এওঁবিলাকৰ অনুপস্থিতত ক্ষুদ্র চাহ খেতিয়ক নোহোৱা উদ্যোগীকে অনুমতি দিয়া হব। ইয়াৰ বাবে কোনো নির্দ্দিষ্ট সময় সীমা নাই।

বিষয় ঃ আঁচনি সংখ্যা।

শ্রী আবুল কালাম আজাদে সুধিছে ঃ

৬৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ভৱানীপুৰ সমষ্টিত সর্বমুঠ কিমানটা পানীযোগান আঁচনি আছে?

(খ) এই আঁচনিসমূহৰ কিমানটা কার্য্যক্ষম আৰু কিমানটা বিকল হৈ আছে?

(গ) বিকল হৈ থকা পানীযোগান আঁচনিসমূহ কার্য্যক্ষম কৰি ৰাইজক পানী যোগানৰ ব্যৱস্থা গ্রহণ কৰিবনে?

(ঘ) পানী যোগান আঁচনিয়ে সামৰি নোলোৱা গাওঁ সমূহত নতুনকৈ পানী যোগান আঁচনি ৰূপায়ন কৰিবনে?

(ঙ) যদি কৰে, কেতিয়া কৰিব আৰু কিমান দিনৰ ভিতৰত কৰিব?

শ্রী গৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ভৱানীপুৰ সমষ্টিত সর্বমুঠ ২১ টা পানীযোগান আঁচনি আছে।

(খ) এই আঁচনিসমূহৰ ১৬ টা পানী যোগান আঁচনি কার্য্যক্ষম আৰু ৩ টা বিকল হৈ আছে। বাকী ২ টা পানী যোগান আঁচনিৰ কামচলি আছে।

(গ) বিকল হৈ থকা পানী যোগান আঁচনি সমূহ পর্য্যায়ক্রমে কার্য্যক্ষম কৰি ৰাইজক পানী যোগানৰ ব্যৱস্থা কৰা হব।

(ঘ) পানী যোগান আঁচনিয়ে সামৰি নোলোৱা গাওঁ সমূহত পানী যোগানৰ ব্যৱস্থা কৰা হব।

(ঙ) পানী যোগানৰ ব্যৱস্থা নথকা গাওঁ সমূহত পর্য্যায়ক্রমে তথা পুঁজিসাপেক্ষে পানী যোগানৰ ব্যৱস্থা কৰা হব।

বিষয় ঃ ছয় জনগোষ্ঠীক জনজাতিকৰণ তালিকাত অন্তর্ভূক্ত।

শ্রী দিলীপ মৰাণে সুধিছে ঃ

৬৭। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মৰাণ, মটক, কোঁচ-ৰাজবংশী, তাই-আহোম, চাহ জনগোষ্ঠী আৰু চুতীয়া জনগোষ্ঠীক জনজাতিকৰণৰ বাবে বিগত চৰকাৰখনে গঠন

কৰা বিশেষজ্ঞ সমিতি সমূহে দাখিল কৰা প্ৰতিবেদন সমূহ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছেনে?

(খ) যদি প্ৰেৰণ কৰা হ'ল, বিতং তথ্য সদনৰ মেজত দাখিল কবিনে?

(গ) যদিহে প্ৰেৰণ কৰা হোৱা নাই, তেন্তে চৰকাৰে এই সম্পৰ্কত কি পদক্ষেপ লৈছে?

শ্ৰী ৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মৰাণ, মটক আৰু কোচ-ৰাজবংশী এই তিনিটা জনগোষ্ঠীৰ বিশেষজ্ঞ সমিতিয়ে দাখিল কৰা প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। চাহ জনগোষ্ঠীৰ বিশেষজ্ঞ কমিটিয়ে তেওঁলোকৰ প্ৰতিবেদন এই বিভাগত দাখিল কৰিছে আৰু এই প্ৰতিবেদন অনতি পলমে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। টাই-আহোম, চুতীয়া আৰু চাহ জনগোষ্ঠীৰ প্ৰতিবেদন বিশেষজ্ঞ সমতিয়ে বিভাগত দাখিল কৰা নাই।

(খ) তিনিটা জনগোষ্ঠীৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা নথিৰ প্ৰতিলিপি অনুবদ্ধ 'ক'ত দিয়া হ'ল। (See Annexure-XL-I)

(গ) টাই-আহোম আৰু চুতীয়া জনগোষ্ঠীৰ প্ৰতিবেদন বিশেষজ্ঞ সমিতিয়ে দাখিল কৰিলে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব।

বিষয় ঃ খোৱাপানী যোগান আঁচনি।

শ্রীমতী মণিকা বৰাই সুধিছে ঃ

৬৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) গহপুৰ বিধানসভা সমষ্টিৰ এলেকাত সৰ্বমুঠ কিমানটা খোৱাপানী যোগান আঁচনি আছে?

(খ) ইয়াৰে বৰ্ত্তমান কিমানটা কার্য্যক্ষম হৈ আছে আৰু কিমানটা অচল অৱস্থাত আছে?

(গ) অচল অৱস্থাত থকা আঁচনিসমূহ কি কাৰণে অচল হৈ আছে আৰু এইবিলাক কেতিয়াৰ পৰা কার্য্যক্ষম কৰি তুলিব?

(ঘ) ২০০৮-০৯/ ২০০৯-১০ আৰু ২০১০-১১ বিত্তীয় বৰ্ষত গহপুৰ বিধানসভা সমষ্টিত মুঠ কিমানটা নতুন খোৱাপানী যোগান আঁচনি অনুমোদন হৈছিল।

(ঙ) ইয়াৰে কিমানটা সম্পূৰ্ণ হ'ল আৰু কিমানটা সম্পূৰ্ণ হ'বলৈ বাকী আছে?

(চ) সম্পূৰ্ণ হ'বলৈ বাকী থকা আঁচনি কেইটা কিমানদিনৰ ভিতৰত সম্পূৰ্ণ হ'ব?

শ্রী গৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গহপুৰ বিধানসভা সমষ্টিৰ এলেকাত সৰ্বমুঠ ৮৯ টা খোৱা পানী যোগান আঁচনি আছে।

(খ) ইয়াৰে ৫৯ টা পানীযোগান আঁচনি কাৰ্য্যক্ষম হৈ আছে আৰু ১ অচল অৱস্থাত আছে। বাকী ২৯ টা পানী যোগান আঁচনি নিৰ্মীয়মাণ অৱস্থাত আছে।

(গ) গভীৰ নলীনাদৰ জলস্তৰ নিম্নগামী হোৱা হেতুকে ডিজেল চালিত ইঞ্জিনেৰে পানী উত্তোলন কৰিব নোৱাৰাৰ বাবে ২১-১১-২০১১ তাৰিখৰ পৰা ধোপাবৰ পানীযোগান আঁচনি খনৰ পানী যোগান বন্ধ হৈ আছে। ইতিমধ্যে আঁচনিখনত বিদ্যুৎ সংযোগৰ বাবে আৱেদন জনোৱা হৈছে আৰু সংযোগ সম্পূৰ্ণ হলেই আঁচনিখন কাৰ্য্যক্ষম কৰি তোলা হব।

(ঘ) ২০০৮-০৯/২০০৯-১০ আৰু ২০১০-১১ বিত্তীয় বৰ্ষত গহপুৰ বিধানসভা সমষ্টিত নতুনকৈ ২৭ টা খোৱা পানী যোগান আঁচনি অনুমোদন হৈছিল।

(ঙ) ইয়াৰে ৭ টা পানীযোগান আঁচনি সম্পূৰ্ণ হৈছে আৰু ২০ টা আঁচনি সম্পূৰ্ণ হবলৈ বাকী আছে।

(চ) বাকী থকা আঁচনি সমূহৰ ভিতৰত ৮ খন আঁচনি ৩১ মাৰ্চ, ২০১২ আৰু ১২ খন আঁচনি ২০১২-১৩ বিত্তীয় বৰ্ষত সম্পূৰ্ণ হব।

বিষয় ঃ আঁচনি ৰূপায়ণ।

শ্ৰী শিৱচৰণ বসুমতাৰী য়ে সুধিছেঃ

৬৯। মাননীয় জলসিঞ্চন বিভাৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) এইটো সত্যনে জলসিঞ্চন বিভাগৰ বহু আঁচনি বৰ্ত্তমান মৃত অৱস্থাত আছে?

(খ) যদি সত্য, সেইবোৰ মেৰামতি তথা পুনৰ জীৱিত কৰাৰ কিবা ব্যৱস্থা লৈছে নেকি?

ডা' অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সত্য।

(খ) পৰ্য্যায়ক্ৰমে আঁচনিবোৰ মেৰামতি কৰি পুনৰ জীৱিত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ চাহ শ্ৰমিকৰ সংখ্যা।

শ্ৰী এতোৱা মুণ্ডাই সুধিছে ঃ

৭০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানটা বৃহৎ চাহ বাগিচা আৰু কিমানটা ক্ষুদ্ৰ চাহ বাগিচা আছে? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(খ) কলঘৰ থকা চাহ বাগিচা আৰু কলঘৰ নথকা চাহ বাগিচাৰ সংখ্যা

কিমান আছে? ৰাজ্যখনৰ মুঠ সংখ্যা জনাবনে?

(গ) অসমৰ চাহ বাগিচা সমূহৰ কর্মৰত মুঠ পুৰুষ আৰু মহিলা শ্রমিকৰ সংখ্যা পৃথকে পৃথকে দাখিল কৰিবনে?

(ঘ) ১৯৯৬ চনৰ পৰা২০০০ চনলৈকে আৰ ২০০১ চনৰ পৰা ২০১০ চনলৈকে অসম ৰাজ্যত চাহৰ উৎপাদনৰ পৰা মুঠ কিমান টকা উপার্জন কৰা হ'ব বিত্তীয় বর্ষৰ ভিত্তিত জনাবনে? লগতে মুঠ উপার্জনৰ পৰা অসম চৰকাৰে কিমানটা অংশ হিচাপে পালে সদনক জনাবনে?

(ঙ) ৰাজ্যখনৰ চাহ বাগিচা সমূহত চাহ মজদূৰ সকলৰ বাবে মুঠ কিমানটা পকীঘৰ আৰু কিমানটা কেঁচাঘৰ আছে, জিলা ভিত্তিত তথ্য সমূহ সদনত দাখিল কৰিবনে?

শ্রী পৃথিৰী মাঝি (শ্রম ও নিয়োগ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত মুঠ ৫০৩ খন বৃহৎ আৰু ২৯৮ খন ক্ষুদ্র চাহ বাগিচা আছে। (জিলা ভিত্তিত তালিকা 'ক' সংলগ্ন কৰা হ'ল)

(খ) কলঘৰ থকা চাহ বাগিচা ৪৯৬ খন আৰু কলঘৰ নথকা চাহ বাগিচা ৩০৫ খন। ৰাজ্যখনৰ মুঠ সংখ্যা ৮০১ ।

(গ) মুঠ পুৰুষ শ্রমিকৰ সংখ্য, ২,৪৮,১১১ জন। মুঠ মহিলা শ্রমিকৰ সংখ্যা ২,৬৭,৮৪৬ গৰাকী।

(ঘ) ৰাজ্যত চাহৰ উৎপাদনৰ পৰা সংগৃহীত মুঠ অর্থ উপার্জন বিতং তথ্য সংশ্লিষ্ট বিভাগৰ পৰা সংগ্রহৰ ব্যৱস্থা কৰি থকা হৈছে।

(ঙ) ৰাজ্যখনৰ চাহ বাগিচা সমূহত চাহ মজদুৰ সকলৰ বাবে ২, ১৮,৩৫৩ টা পকীঘৰ আৰু ৬৭, ৮৫২ টা কেঁচাঘৰ আছে।

(জিলা ভিত্তিত তালিকা - 'ক' গাঁঠি দিয়া হ'ল।) (See Annexure-XL-II)

বিষয় ঃ জলসিঞ্চন আঁচনি।

শ্রী আলী হুছেইনে সুধিছে ঃ

১৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সৰুক্ষেত্রী সমষ্টিত কিমানখন জলসিঞ্চন আঁচনি আছে? ইয়াৰে কিমানখন কার্য্যক্ষম অৱস্থাত আৰু কিমানখন অকার্য্যক্ষম অৱস্থাত আছে? (আঁচনি সমূহৰ নাম বিতং তথ্য সদনত দাখিল কৰিব)

(খ) অকার্য্যক্ষম আঁচনি বিলাক কার্য্যক্ষম কৰিবলৈ চৰকাৰে কোনো ব্যৱস্থা গ্রহণ কৰিছেনে? যদি কৰিছে, এই অকার্য্যক্ষম আঁচনিসমূহ কিমান দিনৰ ভিতৰত কার্য্যক্ষম কৰা হব?

(গ) বিশেষকৈ অটা জলসিঞ্চন আঁচনি আৰু শিশাৰজান জলসিঞ্চন আঁচনি দুটা কিমান দিনৰ ভিতৰত কার্য্যক্ষম কৰিব?

ডা' অর্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সৰুক্ষেত্রী সমষ্টিত মুঠ ৫ খন জলসিঞ্চন আঁচনি আছে।

সৰুক্ষেত্রী সমষ্টিত থকা জলসিঞ্চন আঁচনি সমূহ হ'লঃ-

১। অটা জলসিঞ্চন আঁচনি।

২। সৰ্থেবাৰী গভীৰ নলীনাদ আঁচনি।

৩। ভকুৱামাৰী গভীৰ নলীনাদ আঁচনি।

৪। নিজচালদহ বৈদ্যুতিক উত্তোলক জলসিঞ্চন আঁচনি।

৫। উন্নিজান বোঁৱতী জলসিঞ্চন আঁচনি।

ইয়াৰ প্রথম খন আঁচনি সম্পূর্ণভাৱে অকার্য্যক্ষম অৱস্থাত আছিল। সেয়ে এই আঁচনি খন যোৱা বছৰ ২০০৯- ১০ ত এ.বি.পি.ৰ অধীনত লোৱা হৈছে। আঁচনি খনৰ কাম সমূহ চলি আছে। দ্বিতীয় আৰু তৃতীয় আঁচনি দুখন অকার্য্যক্ষম অৱস্থাত আছে। চতুর্থ আৰু পঞ্চম আঁচনি দুখনৰ কাম চলি আছে আৰু আঁচনি দুখনৰ কাম মার্চ, ২০১২ ৰ ভিতৰত সম্পূর্ণ হব।

(খ) হয় কৰিছে। অটা জলসিঞ্চন আঁচনিখন এ.আই.বি.পি. ৰ অধীনত লোৱা হৈছে। এই আঁচনি খন অহা মার্চ, ২০১২ ত সম্পূর্ণ হব। সৰ্থেবাৰী গভীৰ নলীনাদ আঁচনিখন কার্য্যক্ষম কৰাৰ কাৰণে NABARD RIDE 'XVII' অধীনত প্রকল্প প্রতিবেদন

দাখিল কৰা হৈছে। ভকুৱামাৰী গভীৰ নলীনাদ আঁচনিখনৰ ক্ষেত্ৰত সদ্যহতে কোনো ব্যৱস্থা লোৱা হোৱা নাই।

(গ) অটা জলসিঞ্চন আঁচনি খন অহা মাৰ্চ, ২০১২ ত সম্পূৰ্ণ হব। শিশাৰজান আঁচনিখন NREGA ৰ অধীনত অহা মাৰ্চ, ২০১২ ত সম্পূৰ্ণ হব।

বিষয় ঃ ভুৰা দলিল আৰ মাটি বেদখল।

শ্ৰী অঞ্জন দত্তই সুধিছে ঃ

৭২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ভুৰা দলিলৰ ৰমৰমীয়া বেহাৰ বাবে চৰকাৰে কোটি কোটি টকাৰ ৰাজহ হেৰুৱাব লগীয়া হোৱা অভিযোগ সন্দৰ্ভত উচিত তদন্ত কৰা হব বুলি বিগত বিধান সভাৰ অধিবেশনত চৰকাৰে কথা দিয়া সম্পৰ্কত চৰকাৰ অবগতনে?

(খ) এই সন্দৰ্ভত সোধা-পোছা অথবা জেৰা কৰাৰ বাবে এই পৰ্য্যন্ত কোনো লোকক আটক অথবা গ্ৰেপ্তাৰ নকৰাৰ ফলত অপৰাধী চক্ৰই তথ্য প্ৰমাণ লুকৰাবলৈ সময় আৰু সুযোগ নাপালেনে?

(গ) এই ক্ষেত্ৰত চি আই ডিৰ তদন্ত কি পৰ্য্যায়ত আছে অথবা কিমান দূৰ আগবাঢ়িছে? কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(ঘ) আমগুৰি সমষ্টিৰ অন্তৰ্গত আমগুৰি চাহ বাগিচা পৰিচালক গৰাকীয়ে

এন এছ চি এনৰ সহযোগত কেইবাশ বিঘা মাটি বেদখল কৰাৰ যি গুৰুতৰ অভিযোগ সেই সন্দর্ভত কিবা তদন্তৰ ব্যৱস্থা কৰিছেনে?

(ঙ) যদি কৰিছে, এই তদন্ত কি পর্য্যায়ত আছে?

(চ) এনে বেদখল মুক্ত কৰি নিবনুৱা সকলক সংস্থাপিত কৰাৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রী পৃথিবী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় অবগত, এই সংক্রান্তত অপৰাধ অনুসন্ধান বিভাগৰ গোচৰ নং ৬৯/২০১১ ভাঃ দঃ বিঃ আইনৰ ১২০ (খ) ২৫৮/২৬০ ধাৰাত গোচৰ ৰুজু কৰি তদন্ত চলাই থকা হৈছে।

(খ) ধৰণৰ গোচৰত সন্দেহজনক নথি (Questioned Document) জব্দ কৰি ফৰেন্‌চিক্‌ বিজ্ঞানগাৰত বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰাই তাৰ মতামতৰ ওপৰতহে অপৰাধৰ সত্যাসত্য প্রমাণিত হয়। আপত্তিতজনক নথিসমূহ জব্দ কৰাৰ পিছত সেয়া লুকৰাবলৈ সময় আৰু সুযোগ পোৱাৰ অৱকাশ নাথাকে।

(গ) অপৰাধ অনুসন্ধান বিভাগৰ গোচৰ সংক্রান্ত সন্দেহজনক দলিল সমূহ জব্দ কৰিছে আৰু সেইবোৰ ফৰেন্‌ চিক্‌ বিজ্ঞানগাৰলৈ পঠিওৱাই বিশেষজ্ঞৰ মতামতৰ বাবে অপেক্ষা কৰি থকা হৈছে। FSL ৰ প্রতিবেদন পালেই অপৰাধী চক্রক গ্রেপ্তাৰৰ ব্যৱস্থা কৰা

হ'ব।

এই ক্ষেত্রত অনুসন্ধানকাৰী বিষয়াই এতিয়ালৈকে ১১ জনক সোধ-পোচ কৰিছে তাৰ ভিতৰত কোষাগাৰ বিষয়া ও কর্মচাৰী (Staff) দলিল বিক্রেতা ইত্যাদিও আছে। বর্ত্তমানলৈকে কেইবাজনকো এই অপৰাধত সন্দেহ কৰা হৈছে যদিও অতিৰিক্ত প্রমাণ আদি যুগুতোৱাৰ পাছতহে সেই সকলক অতি সোনকালেই আটক কৰা হ'ব। বর্ত্তমান গোচৰটো অপৰাধ তদন্ত বিভাগৰ উর্দ্ধতন (CID Supervising) বিষয়াৰ দ্বাৰা অগ্রগতিৰ পর্য্যবেক্ষণ থকা হৈছে।

(ঘ) আমগুৰি বাগানে চিলিং চৰকাৰ ২১৭ বিঘা ২ কঠা ২ লেচা মাটি আৰু এন, চি এলেকাত ৬২৪ বিঘা ৩ লেচা মাটি চাহ পুলি লগাই বেদখল কৰি আছে। উক্ত বেদখলকৃত মাটিত বাগানখোলাত বাগান কর্ত্তৃপক্ষ আৰু এন,এচ,চি, এনৰ মাজত কিবা সহযোগ থকা সন্দর্ভত আৰু এই বিষয়ে তদন্ত কৰাৰ তথ্য উপায়ুক্তৰ কার্য্যালয়ত উপলব্ধ নহয়।

(ঙ) প্রশ্ন নুঠে।

(চ) এই বিষয়ে উপায়ুক্তৰ পৰা প্রতিবেদন তথা প্রস্তাৰ বিচৰা হৈছে।

বিষয় ঃ গৰাখহনীয়া প্রতিৰোদ।

শ্রী হাফিজ বছিৰ আহমেদে সুধিছে ঃ

৭৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) গৰাখহনীয়া প্রতিৰোধ কৰাৰ বাবে চৰকাৰৰ হাতত স্থায়ী আৰু অস্থায়ী কি কি ব্যৱস্থা আছে?

(খ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিত গৌৰাং টিক্কাই আৰু সোণকোষ নৈৰ দ্বাৰা সৃষ্টি হোৱা ভেলাকোৱা, বড়োচৰ, কার্ডনবাৰী, পিয়াজবাৰী, গোৱালেৰ চৰ, ফুণি মাৰী অঞ্চলত হোৱা গৰাখহনীয়া সম্পর্কে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, ইয়াৰ প্রতিৰোধ কৰাৰ ববে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে? (বিস্তাৰিত ভাবে জনাব)

(ঘ) যদি লোৱা নাই, তেন্তে অতি সোনকালে ব্যৱস্থা গ্রহণ কবিনে?

শ্রী ৰাজীৱ লোচন পেগু (জসসম্পদ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গৰাখহনীয় প্রতিৰোধ কৰাৰ স্থায়ী ব্যৱস্থা হিচাবে শিল, concrete slab, geobag, geomattress আদিৰে নদীৰ পাৰত Pitching আৰু Apron দিয়া হয়। নদীৰ গতিপথ সলনি আদিৰ বাবে শিল তথা মাটিৰে স্পাৰ নির্মাণ কৰা হয়। খহনীয়া আক্রান্ত অঞ্চলত পলস পেলাবৰ বাবে R.C.C. Porcupine আদিৰ ব্যৱস্থা কৰা হয়।

অস্থায়ী ব্যৱস্থা হিচাবে বাঁহৰ ক্রীৱচ, বাঁহৰ পার্কুপাইন, প্যালেচাইডিং বাঁহৰ মুঠা, গছৰ ঠাল ঠেঙুলি, গোটা গছ ইত্যাদিৰে

খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা লোৱা হয়।

(খ) হয়, অৱগত।

(গ) উক্ত অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে আঁচনিৰ খচৰা প্ৰস্তুত কৰি পৰৱৰ্ত্তী কাৰিকৰী উপদেষ্টা সমিতিত অনুমোদনৰ বাবে দাখিল কৰা হব।

(ঘ) 'গ' ত দিয়া উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Sub : Lift Irrigation Schemes.

Shri ANAMUL HAQUE asked:

74. Will the Minister of Irrigation be pleased to state:-

(a) What is the total number of Lift Irrigation Schemes in the State of Assam?

(b) Of these Schemes, how many are currently in operation?

(c) What are the reasons for such Schemes being defunct?

(d) What steps are being taken for revival of the defunct Schemes in the current

financial year?

Dr. Ardhendu Kumar Dey (Minister of Irrigation) replied:

(a) The Total number of Lift Irrigation Scheme in the State of Assam is 556.

(b) Of these Schemes 248 Nos. are cur rently in-operative.

(c) The main reason for such schemes being defunct is non availability of fund for re-pairing of the schemes under concerned Head of Account. Moreover, there are also some other important reasons for such schemes being defunct such as (a) recurrent flood every year (b) theft of H.T. Line / L.T. line, motors/ pumps, etc. by miscreants (c) damage of transformer, pump, motors, (d) change of river course etc.

(d) Under the 13th Finance Commission

grant-in-aid, Rs. 229.44 Lakhs is proposed for repairing of 7 nos. of Lift Irrigation Schemes under Minor Irrigation Secror and Rs. 57.26 Lakhs is poposed for repairing of 1 No. of Major / Medium Irrigation sector to revive lost potential of 349 hectare and 200 hectare respectively in the current financial year.

বিষয় ঃ জলসিঞ্চন আঁচনি ৰূপায়ন।

শ্রী আব্দুৰ ৰহিম খানে সুধিছে ঃ

৭৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) যোৱা বিত্তীয় বর্ষত বৰপেটা জিলাত কিমান হেক্টৰ কৃষি ভূমিৰ বাবে কোন কোন ঠাইত জলসিঞ্চন আঁচনি গ্রহণ কৰা হৈছে?

(খ) বৰপেটা সমষ্টিত কোন কোন আঁচনি চালুকীয়া অৱস্থাত আছে?

(গ) সমষ্টিখনৰ বাবে নতুন কোনো আঁচনি গ্রহন কৰিব পৰা হৈছেনে?

(ঘ) সমষ্টিখনত কিমান আঁচনি বাস্তৱত চালুকীয়া হৈ আছে আৰু কিমান আঁচনি বিকলহৈ আছে? (বিতং তালিকা সদনত জনাব)

ডাঃ অর্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) যোৱা বিত্তীয় বর্ষত বৰপেটা জিলাৰ পাঠশালা সংমণ্ডলৰ অধীনত ১৬১৪ হেক্টৰ, বৰপেটা সংমণ্ডলৰ ১৫৩৫ হেক্টৰ আৰু পহুমাৰা ৰূপহী সংমণ্ডলৰ অধীনত ১৬১০ হেক্টৰ মাটিত জলসিঞ্চন আঁচনি গ্রহণ কৰা হৈছে।

(খ) বৰপেটা সমষ্টিত চালুকীয়া (কার্য্যক্ষম) অৱস্থাত থকা জলসিঞ্চন আঁচনি সমূহ হ'লঃ-

১) পাটবাউসী উত্তোলক জলসিঞ্চন প্রকল্প।

২) নাক কাটি গভীৰ নলী-নাদ প্রকল্প।

৩) পল্লা জলসিঞ্চন প্রকল্পৰ অন্তর্গত বিলাসীপাৰা মেচপাৰা আৰু গুৱাগাচা কেন্দ্র।

(গ) হৈছে। কালঝাৰ -কদমগুৰি আঁচনিৰ অন্তর্গত কদমগুৰি আঁচনি আৰু মন্দিয়া আগমন্দিয়া তেকলাবালা জসসিঞ্চন প্রকল্পৰ অন্তর্গত তেকলাবালা আঁচনি।

(ঘ) বৰপেটা সমষ্টিত চালুকীয় (কার্য্যক্ষম) অৱস্থাত ৩খন আঁচনি আৰু ১খন আঁচনি বিকল হৈ আছে। (খত থকা আঁচনিকেইখন চালুকীয়া আৰু দামুগাওঁ বোৱতী জলসিঞ্চন আঁচনিখন বিকল হৈ আছে।)

বিষয় ঃ জসসিঞ্চন আঁচনি গ্রহণ।

শ্রী আমিনুল ইছলামে সুধিছে ঃ

৭৬। **মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) চৰকাৰ অৱগতনে যে নগাওঁ আৰু মৰিগাওঁ জিলাৰ ভিতৰত ধিং সমষ্টিতেই জলসিঞ্চন ব্যৱস্থা আটাইতকৈ কম?

(খ) চলিত বিত্তীয় বছৰত নগাওঁ আৰু মৰিগাওঁ জিলাত জসসিঞ্চন বাবে কিমান টকা আৱণ্টন দিয়া হৈছে আৰু সেই টকাৰে কি কি আঁচনি ৰূপায়ণ কৰা হব?

(গ) ধিং সমষ্টিত জলসিঞ্চনৰ কি কি নতুন আঁচনি গ্রহণ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে আৰু সেইবোৰ ক'ত ৰূপায়ণ কৰা হ'ব?

ডা' অৰ্ধেন্দু কুমাৰ দে (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) অৱগত। মৰিগাওঁ জিলাত ধিং সমষ্টিৰ ক্ষুদ্র অংশ এটাহে অন্তর্ভুক্ত।

(খ) চলিত বিত্তীয় বছৰত নগাওঁ আৰু মৰিগাওঁ জিলাত জলসিঞ্চন বাবে ২৫৩.৮০ কৌটি টকাৰ আৱণ্টন দিয়া হৈছে আৰ সেই টকাৰে নিম্ন লিখিত আঁচনি সমূহ ৰূপায়ণ কৰা হব -।

১) জখলাবন্ধা উত্তোলিত জলসিঞ্চন আঁচনি।

২) চতিয়াল উত্তোলিত জলসিঞ্চন আঁচনি।

৩) উলুৱণী (পুনৰ জীৱিত) উত্তোলিত আঁচনি।

৪) হাতীমূৰাস্থিত সংযোজিত কলং আঁচনিৰ মূল উত্তোলন কেন্দ্র।

৫) মিছামুখ বাওঁ উত্তোলন কেন্দ্র।

৬) কৰহালী গাওঁ উত্তোলন কেন্দ্র।

৭) দিফলু উত্তোলন কেন্দ্র।

৮) দক্ষিন পাট সোঁ উত্তোলন কেন্দ্র।

(গ) ধিং সমষ্টিত কোনো নতুন আঁচনি গ্রহণ কৰা হোৱা নাই যদিও নগাওঁ সংমণ্ডল (জলসিঞ্চন)ৰ অধীনত দুখন নতুন আঁচনিৰ প্রস্তাৱ ৰখা হৈছে। প্রস্তাবিত আঁচনি দুখন হ'ল -

১) গভীৰ নলীনাদ (আঠগাওঁ অঞ্চল) আঁচনি NLCPR(২০১২-১৩) ৰ অধীনত।(প্রাক্কলন পৰিমান ৪১২.৩৩ লাখ টকা)

২) গভীৰ নলীনাদ (শিঙিয়া পথাৰ অঞ্চল) আঁচনি NABARD RIDF XVII (২০১১-১২) ৰ অধীনত। (প্রাক্কলন পৰিমান ৫২.০৫ লাখ টকা)

বিষয় ঃ আৱণ্টিত পুঁজি ও আঁচনি ৰূপায়ণ।

শ্রী মজিবুৰ ৰহমানে সুধিছে ঃ

৭৭। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) নগাওঁ ভূমি সংৰক্ষণ সংমণ্ডলৰ বিপৰীতে ২০০৯-১০,২০১০-

১১ আৰ ২০১১-১২ বৰ্ষত আৱণ্টিত পুঁজিৰ পৰিমাণ, শিতানৰ নাম, আঁচনিৰ নাম, আঁচনিৰ বিপৰীতে ব্যয় হোৱা পুঁজিৰ পৰিমাণ আৰু কামৰ অগ্ৰগতি সহ সদনৰ মেজত দাখিল কৰিবনে? (পুঁজি ব্যয়ৰ ব্যৱহাৰিক প্ৰমাণপত্ৰ আৰু স্থানীয় গাওঁবুঢ়া সহ পঞ্চায়ত প্ৰতিনিধিয়ে আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দিয়া প্ৰমাণ পত্ৰ সহ দিব)

(খ) উক্ত বৰ্ষ কেইটাত জলোচ্ছেদ প্ৰকল্পৰ বিপৰীতে সংমণ্ডলটোৰ বিপৰীতে আৱণ্টিত পুঁজিৰ পৰিমাণ, ব্যয় হোৱা পুঁজিৰ পৰিমাণ, আঁচনিৰ নাম-ঠিকনা, কামৰ অগ্ৰগতি, প্ৰাক্কলন, প্ৰশিক্ষণৰ স্থান, প্ৰশিক্ষণত ব্যয় হোৱা পুঁজিৰ পৰিমানৰ তথ্য দিবনে?

(গ) উক্ত বৰ্ষ কেইটাত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ বাবে ব্যয় হোৱা পুঁজিৰ বিল-ভাউচাৰ দিবনে?

ডা· অৰ্ধেন্দু কুমাৰ দে (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) নগাওঁ ভূমি সংৰক্ষণ সংমণ্ডলৰ বিপৰীতে ২০০৯-১০,২০১০-১১ আৰু ২০১১-১২ বৰ্ষত আৱণ্টিত পুঁজিৰ পৰিমান আঁচনিৰ নাম, আঁচনিৰ বিপৰীতে ব্যয় হোৱা পুঁজিৰ পৰিমান তলত তালিকা-(ক) উল্লেখ কৰা হ'ল। (See Annexure-XL-III)

(খ) নগাওঁ ভূমি সংৰক্ষণ সংমণ্ডলৰ বিপৰীতে ২০০৯-১০,২০১০-১১ আৰু ২০১১-১২ বৰ্ষত জলচ্ছেদ প্ৰকল্পৰ নামত আৱণ্টিত হোৱা ধনৰ পৰিমানআৰ ব্যয়ৰ হিচাব ২০১১ বৰ্ষৰ নৱেম্বৰ

মাহলৈকে তলত উল্লেখ কৰা হ'লঃ-

জিলাৰ নাম	জলচ্ছেদ প্রকল্পৰ নাম	আৱণ্টিত ধনৰ পৰিমান	ব্যয় হোৱা ধনৰ পৰিমান
		টকাৰ পৰিমান লাখৰ হিচাবত	
নাম	ফুলগুৰী জলচ্ছেদ প্রকল্প (ৰহা আৰু দলংঘাট উন্নয়ন খণ্ডৰ অন্তর্গত)	৫৫.২৬১	২৪.২৬৯৫৩
	ননৈ জলচ্ছেদ প্রকল্প (কঠিয়াতলি আৰু ববহমপুৰ উন্নয়ন খণ্ডৰ অন্তর্গত)	৪৯.৫৫৩	২০.৯৫৯৬১
মৰিগাওঁ	ববদলনী জলচ্ছে প্রকল্প (মায়ং উন্নয়ন খণ্ডৰ অন্তর্গত)	৬৬.৬০	৩০.৫৬২৫

উক্ত জলেচ্ছদ প্রকল্প সমূহৰ আয়-ব্যয়ৰ বিৱৰণ ক্রমে প্র-পত্র (খ), প্র-পত্র (ঘ) আৰু প্র-পত্র (ঙ) ত তেখুওৱা হৈছে আৰু সংলগ্ন কৰি দিয়া হ'ল। (See Annexure-XL-III)

(গ) ফুলগুৰী জলচ্ছেদ প্রকল্পৰ প্রশিক্ষনৰ আয়-ব্যয়ৰ হিচাব তলত উল্লেখ কৰা হ'লঃ-

আৱণ্টিত ধনৰ পৰিমান ঃ ২.২৫৭৪১ লাখ টকা

ব্যয়ৰ পৰিমান ঃ ০.৩৭৬৪৮ লাখ টকা

ননৈ জলচ্ছেদ প্রকল্প আৰু বৰনদী জচ্ছেদ প্রকল্পত বর্তমানলৈকে কোনো প্রশিক্ষণ অনুষ্ঠিত কৰা হোৱা নাই।

ফুলগুৰী জলচ্ছেদ প্রকল্পৰ অনুষ্ঠিত প্রশিক্ষণ শিৱিৰৰ ব্যয়ৰ নথি প্র-পত্র (গ) ত দেখুৱা হৈছে আৰু ইয়াৰ লগত সংলগ্ন কৰা হৈছে। (See Annexure-XL-III)

Sub: ITI Building at Ramkrishna Nagar

Shri Kripa Nath Mallah asked:

78. Will the Minister of Labour & Employment be pleased to State:-

(a) Whether the Govt. has placed necessary fund for construction of Building of Karimganj ITI at its permanent site at Ram Krishna Nagar? (Please place copy of administrative approval). If not Govt. will take how many years more to start and complete construction?

(b) Whether Engineering Deptt. will be directed to float tender and allot the work? (Please place a copy of tender notice,

work order etc.)

Shri Prithivi Majhi (Minister, Labour & Employment) replied:

(a) There is no budget allocation for the construction of ITI Building at Ramkrishna Nagar in the current financial year's budget. Necessary steps for construction of the building are being taken up.

(b) Doesnot arise.

Sub : ITI Building at Ramkrishna Nagar

Shri Kripa Nath Mallah Asked:

78. Will the Minister of Labour & Employment be pleased to State:-

(a) Whether the Govt. has place necessary fund for construction of Building of Karimganj ITI at its permanent site at Ram Krishna Nagar? (Please place copy of administrative approval). If not Govt. will

take how many years more to start and complete construction?

(b) Whether engineering Deptt. will be directed to float tender and allot the work? (Please place a copy of tender notice, work order etc.)

Shri Prithivi Majhi (Minister, Labour& Employment) Replied:

(a) There is no budget allocation for the construction of ITI Building at Ramkrishna Nagar in the current financial year's budget. Necessary steps for construction of the building are being taken up.

(b) Doesnot arise.

বিষয় ঃ ৰাজহ চক্ৰৰ সংখ্যা।

শ্রীঘনশ্যাম কলিতাই সুধিছেঃ

৭৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত কিমানটা ৰাজহ চক্র আছে?

(খ) ৰজাহ চক্ৰ সমূহৰ সকলোতে চক্ৰ বিষয়া আছেনে? (চক্ৰ বিষয়া নথকা ৰাজহ চক্ৰৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) যদি নাই, ৰাজহ চক্ৰ বিষয়া নথকা ৰাজহ চক্ৰ সমূহত কেতিয়া চক্ৰ বিষয়া নিযুক্তি দিব জনাবনে?

শ্ৰী পৃথিবী মাঝি (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত মুঠ ১৫৩ টা ৰাজহ চক্ৰ আছে।

(খ) সকলো ৰাজহ চক্ৰতে চক্ৰ বিষয়া নাই। (চক্ৰ বিষয়া নথকা ৰাজহ চক্ৰ সমূহৰ তালিকা পৰিশিষ্ট - 'ক' ত সংলগ্ন কৰা হ'ল) (See Annexure-XL-IV)

(গ) এই সন্দৰ্ভত ৰাজহ ও দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ ফালৰ পৰা ইতিমধ্যে অসম চৰকাৰৰ কৰ্মচাৰী 'ক' বিভাগৰ সৈতে অসম অসামৰিক সেৱা বিষয়া হস্তান্তৰৰ কাৰণে যোগাযোগ কৰি থকা হৈছে আৰু কৰ্মচাৰী 'ক' বিভাগৰ পৰা অসম আসামৰিক সেৱা বিষয়া হস্তান্তৰ কৰিলেই ৰাজহ চক্ৰ বিষয়া নথকা ৰাজহ চক্ৰ সমূহত চক্ৰ বিষয়া পদস্থাপনৰ ব্যৱস্থা কৰা হ'ব।

বিষয় ঃ পানীযোগান আঁচনি।

শ্ৰী জাহান উদ্দিনে সুধিছেঃ

৮০। **মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি**

জনাবনে?

(ক) ধুবুৰী সমষ্টিত মুঠ কেইটা খোৱা পানী যোগান আঁচনি আছে? (বিতং তালিকা দিব)

(খ) উক্ত আঁচনি সমূহৰ ভিতৰত কেইটা আঁচনি কার্য্যক্ষম আৰু কেইটা আঁচনি বিকল হৈ আছে? (বিতং তথ্যৰ যোগান ধৰিব)

(গ) বিকল হৈ থকা আঁচনি সমূহ কার্য্যক্ষম কৰি তুলিবলৈ ব্যৱস্থা হাতত লোৱা হৈছেনে? যদি হৈছে, বিতং জনাব?

(ঘ) বর্ত্তমানে কোন কোন শিতানত কি কি আঁচনি ৰূপায়ণ কৰিথকা হৈছে?

(ঙ) ধুবুৰী চহৰৰ বিভিন্ন প্রান্তত ৰাস্তাৰ কাষেদি পাইপ লাইন কেবাৰছৰ আগতে স্থাপন কৰা স্বত্বেও উক্ত পাইপ-লাইন সমূহত পানী যোগান নধৰাৰ কাৰণ কি?

(চ) ধুবুৰী অসামৰিক চিকিৎসালয়ত পানী যোগান ধৰাৰ বাবে কিবা আঁচনি যুগত কৰা হৈছেনে? (যদি হৈছে, বিতংকৈ জনাব)

(ছ) ধুবুৰী সমষ্টিত নতুনকৈ পানী যোগান আঁচনি স্থাপনৰ কিমানটা প্রস্তাৱ লোৱা হৈছে?

(জ) প্রস্তাৱিত আঁচনি সমূহৰ বিহীত ব্যৱস্থা কিমান দিনৰ ভিতৰত কৰি জনাবনে?

শ্রী গৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে

(ক) ধুবুৰী সমষ্টিত বৰ্ত্তমান মুঠ ১৮ (ওঠৰ) টা খোৱাপানী যোগান আঁচনি আছে। (বিতং তালিকা '১' কত দেখুৱা হৈছে)

(খ) উক্ত আঁচনি সমূহৰ ভিতৰত বৰ্ত্তমান ৬ (ছয়) টা আঁচনি কার্য্যক্ষম হৈ আছে আৰু ৯ (ন) টা আঁচনি বিকল হৈ আছে। আনহাতে, বাকী ৩ (তিনি) টা আঁচনিৰ কাম বৰ্ত্তমান চলি আছে। (বিতং তথ্যৰ তালিকা '১' কত দেখুৱা হৈছে) (See Annexure-XL-V)

(গ) বিকল হৈ থকা ৯ (ন) টা আঁচনিৰ ভিতৰত ৩ (তিনি) টা আঁচনি পুনৰ কার্য্যক্ষম কৰি তোলাৰ বাবে কাম চলি আছে আৰু বাকী ৬ (ছয়) টা আঁচনি কার্য্যক্ষম কৰিবলৈ পর্য্যায়ক্রমে আৰু পূঁজি সাপেক্ষে ব্যৱস্থা গ্রহণ কৰা হব। (বিতং তথ্যৰ তালিকা '১' কত দিয়া হৈছে)

(ঘ) বৰ্ত্তমান NRDWP শিতানত মুঠ ৩ (তিনি) টা নতুন আঁচনি, যথাক্রমে, "শিলঘাগৰী," "তিস্তাপাৰা," আৰু "বঙলামাৰি"ৰ কাম ৰূপায়ন কৰি থকা হৈছে। ইয়াৰ উপৰিওঁ " State Plan" ৰ শিতানত তলৰ ৩ (তিনি) টা বিকল আঁচনিৰ পূনৰ কার্য্যক্ষম কৰাৰ কাম চলি আছে।

(১) ধর্মশালা (২) টিঁয়ামাৰি আৰু (৩) শৌলমাৰী হয় খণ্ডপানী যোগান আঁচনি।

(ঙ) ধুবুৰী চহৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা কোনো পানী যোগান আঁচনি ৰূপায়ণ কৰি থকা নাই।

(চ) ধুবুৰী অসামৰিক চিকিৎসালয়ত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা পানী যোগানৰ বাবে বৰ্ত্তমানলৈ কোনো আঁচনি যুগত কৰা হোৱা নাই।

(ছ) ধুবুৰী সমষ্টিত বৰ্ত্তমান ১ (এক) টা আঁচনি ("ৰৌৱা পানীযোগান আঁচনি) স্থাপনৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

(জ) "ৰৌৱা" আঁচনি খনৰ ৰূপায়নৰ কাম অতি সোনকালেই হাতত লোৱা হব।

বিষয় ঃ মাতমৰা জিঅ'টিউৱ মথাউৰিৰ বাবে অধিগ্রহণ কৰা ভূমিৰ ক্ষতিপূৰণ।

শ্রীনৰ কুমাৰ দলেই সুধিছেঃ

৮১। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) এইটো সত্যনে, চিচি টেকেলীফুটা ব্রহ্মপুত্র মথাউৰি মাতমৰা ছিঙাত নতুনকৈ নির্মাণ কৰা জিঅ'টিউৱ মথাউৰিৰ বাবে অধিগ্রহণ কৰা ভূমিৰ বাবদ সংশ্লিষ্ট ক্ষতিগ্রস্ত পৰিয়াল সমূহক ক্ষতিপূৰণ দিবলৈ অসম বিধান সভাৰ বিগত বাজেট অধিবেশনতে ৯ কোটি ৪৮ লাখ টকা মঞ্জুৰী দিয়াটো সত্যনে?

(খ) যদি সত্য, ক্ষতিপূৰণ আদায় দিয়াৰ ব্যৱস্থা কেতিয়া কৰিব?

(গ) যদি কৰা নাই, তেন্তে সংশ্লিষ্ট বিভাগে ক্ষতিগ্রস্ত সকলক ক্ষতিপূৰণ দিয়া ব্যৱস্থা কেতিয়া কৰিব?

শ্রী পৃথিবী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে

(ক) জলসম্পদ বিভাগে জনোৱা মতে উক্ত টকা বাজেটত অর্ন্তভুক্ত কৰা হৈছে।

(খ) লক্ষীমপুৰ জিলাৰ উপায়ুক্তই জনোৱা মতে প্রয়োজনীয় পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰিবলৈ ইতিমধ্যে জলসম্পদ বিভাগলৈ লিখা হৈছে। কিন্তু জলসম্পদ বিভাগে অদ্যপি কোনো পুঁজিৰ যোগান ধৰা নাই। আনহাতে জলসম্পদ বিভাগে জনোৱা মতে চিচি, টেকেলীফুটা ব্রহ্মপুত্র মথাউৰিৰ মাতমৰা ছিঙাত নতুনকৈ নির্মাণ কৰা জিঅ'ড়িৰ মথাউৰিৰ বাবে অধিকগ্রহণ কৰা ভূমিৰ বাবদ ৰাজহ বিভাগে অনুমোদন কৰা প্রাক্কলনটো কিছু আসোৱাঁহ থকাৰ পৰিপ্রেক্ষিতত পুণৰ পৰীক্ষণৰ বাবে লক্ষীমপুৰ জিলাৰ উপায়ুক্তক অনুৰোধ জনোৱা হৈছে আৰু জিলা উপায়ুক্তৰ পৰা সংশোধিত প্রাক্কলনটো পোৱাৰ পিছত যাৱতীয় ব্যৱস্থা গ্রহণ কৰা হ'ব। জলসম্পদ বিভাগে উল্লেখ কৰা বিষয়টো সন্দর্ভত ৰাজহ বিভাগে লক্ষীমপুৰ জিলাৰ উপায়ুক্তৰ পৰা এটি প্রতিবেদন বিচাৰিছে।

(গ) লক্ষীমপুৰ জিলাৰ উপায়ুক্তই জনোৱা মতে জলসম্পদ বিভাগৰ পৰা যাৱতীয় পুঁজি উপায়ুক্তই পালেই ক্ষতিপূৰণ আদায় দিয়াৰ ব্যৱস্থা কৰিব।

বিষয় ঃ গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা।

শ্ৰী ৰনজিৎ কুমাৰ দাসে সুধিছে ঃ

৮২। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনেঃ

(ক) সৰভোগ সমষ্টিৰ অন্তৰ্গত গোৱৰ্দ্ধনা, কাটাঝাৰ, বৰপেটা আদি অঞ্চলত প্ৰতি বছৰে বেকী নৈয়ে গৰাখহনীয়াৰ সৃষ্টি কৰি অহা কথাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই ক্ষেত্ৰত চৰকাৰে গৰাখহনীয়া প্ৰতিৰোধৰ কিবা ব্যৱস্থা হাতত লৈছেনে?

(গ) যদি লৈছে, কি কি ব্যৱস্থা হাতত লৈছে আৰু কেতিয়ালৈ কাৰ্যকৰী কৰা হ'ব?

শ্ৰী পৃথিবী মাঝি ঃ (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয় অৱগত।

(খ) "দুৰ্য্যোগ সাহায্য পুঁজি" / "ৰাজ্যিক দুৰ্য্যোগ সহাঁৰি পুঁজি" ত গৰাখহনীয়াক প্ৰাকৃতিক দুৰ্য্যোগ হিচাপে অন্তৰ্ভুক্ত নকৰা হেতুকে গৰাখহনীয়া বিষয়টো ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ অধীনস্থ নহয়।

(গ) "খ" অংশৰ উত্তৰত সন্নিবিষ্ট কৰা হৈছে।

বিষয় ঃ মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা।

শ্রী পদ্ম হাজৰিকাই সুধিছে ঃ

৮৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৰাজ্যখনৰ ক্ষুদ্র চাহ খেতিয়ক সকলক মাটিৰ পট্টা দিয়াৰ কিবা ব্যৱস্থা কৰিছে নেকি?

(খ) যোৱা বিধান সভা অধিবেশনত ৰাজহ বিভাগে ক্ষুদ্র চাহ খেতিয়ক সকলক মাটিৰ পট্টা প্রদান কৰিবৰ বাবে কিবা ঘোষণা কৰিছে নেকি?

(গ) যদি কৰিছে, অনুগ্রহ কৰি উক্ত ঘোষণা কার্য্যকৰী কৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্রী পৃথিবী মাঝি ঃ (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) অসম ভূমি ও ৰাজহ অধিনিয়ম ১৮৮৬ আৰু ১৯৮৯ চনৰ ভূমিনীতি ও অন্যান্য চৰকাৰী নির্দেশনাৰ আধাৰত ক্ষুদ্র চাহ খেতিয়ক সকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা অব্যাহত আছে।

(খ) আবেদনকাৰীৰ আবেদনৰ ভিত্তিত যোগ্যতা অনুসৰি অসম ভূমি ও ৰাজহ অধিনিয়ম ১৮৮৬ আৰু অসম চৰকাৰৰ ১৯৮৯ চনৰ ভূমিনীতি ও অন্যান্য চৰকাৰী নির্দেশনা অনুসৰি ক্ষুদ্র চাহ

খেতিয়কক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে বুলি যোৱা জুলাই, ২০১১ ৰ বিধান সভা অধিবেশনত ৬৫ নং তঁৰাবিহীন প্ৰশ্নৰ উত্তৰত জনোৱা হৈছিল।

(গ) এইটো এটা চলিত প্ৰক্ৰিয়া।

Sub: Jamuna Irrigation Project:

Shri JADAB CHANDRA DEKA asked:

84. Will the Minister of Irrigation be pleased to state:

(a) What is the total amount of liabilities under Head of Account 2701 c.o. maintenance for Jamuna Irrigation Project?

(b) Is it a fact that Govt. had issued LOC of Rs. 27.00 lakhs under Head of Account 2701 c.o. maintenance very recently? If yes, whether any liabilities of petty contractors and unemployed youth engaged in contract work were met?

(c) If not, where has the amount allocated recently been utilized? If the amount was utilized for new works? whether any tender was invited for the

same? (Copy of NIT, Paper cutting of advertisement made through DIPR, list of contractors engaged with name of works and work value may kindly be furnished)

(d) Is it a fact that the amount was utilised for relatively unimportant works such as gravelling of canal embankment instead of critical works such as closing of breaches, repairing of earthen canals etc. which could have benefitted the cultivators?

(e) If so, what action is the Govenrment contemplating against the erring officials?

Dr. Ardhendu Kumar Dey (Minister of Irrigation) replied

(a) The Total Amount of liabilities under the Head of Account 2701 C.O. maintenance for Jamuna Irrigation Project is Rs. 1,18,36,475.00.

(b) Yes, Govt. has issued ceiling amounting to Rs. 27 lakhs under Head of Account 2701 C.O. maintenance under Jamuna CAD Division. The

Payment has been disbursed to the contractors relating to works mentioned in the respective ceiling.

(c) The payment has been made against the work sanctioned for the year 2011-12. All the formalities such as invitation of Tender, advertisement made through DIPR, published in the leading news paper are observed. However, Copy of NIT, paper cutting of advertisement made through DIPR, list of contractors engaged with the name of work and value of work are enclosed in Annexure-I, II and III. (See Annexure XL-VI)

(d) The Amount was utilized for improvement of Inspection Path cum Canal Embankment for safety of Canal D-3 Jamuna Irrigation Scheme as well as relief to the beneficiaries.

(e) Does not arise

বিষয় ঃ চৰৰ মাটিৰ পট্টা প্ৰদান।

শ্ৰী শ্বেৰমান আলী আহমেদে সুধিছে ঃ

৮৫। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে

অনুগ্রহ কৰি জনাবনেঃ

(ক) বাঘবৰ ৰাজহ চক্ৰ আৰু কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘবৰ সমষ্টিৰ চৰগাওঁ সমূহৰ কিমান বিঘা মাটিৰ এতিয়ালৈকে পট্টা প্ৰদান কৰা হৈছে?

(খ) বাঘবৰ সমষ্টিৰ চৰগাওঁ সমূহৰ জৰীপ আৰু পট্টা প্ৰদানৰ ব্যৱস্থা কেতিয়ালৈকে সম্পূৰ্ণ কৰা হব?

(গ) সমগ্ৰ অসমৰ চৰগাওঁ সমূহৰ জৰীপ আৰু পট্টাদান নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰী পৃথিবী মাঝি ঃ (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) বৰপেটা জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি বাঘবৰ ৰাজহ চক্ৰ আৰু কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘবৰ সমষ্টিৰ চৰগাওঁ সমূহৰ ১৩৮৪৮ বিঘা ৪ কঠা ১৬ লেচা মাটিৰ এতিয়ালৈকে পট্টা প্ৰদান কৰা হৈছে।

(খ) বাঘবৰ সমষ্টিৰ চৰগাওঁ সমূহৰ জৰীপ আৰু পট্টা প্ৰদানৰ ব্যৱস্থা কৰি থকা হৈছে। এইটো এটা প্ৰচলিত প্ৰক্ৰিয়া।

(গ) জৰীপ আৰু পট্টাদান এটা প্ৰচলিত প্ৰক্ৰিয়া। কিছু সংখ্যক চৰগাওঁৰ জৰীপ আৰু যোগ্য লোকক পট্টাদানৰ ব্যৱস্থা চৰকাৰৰ ভূমিনীতি আৰু প্ৰচলিত নীতি-নিৰ্দেশনাৰ জৰিয়তে কৰি থকা হৈছে।

বিষয়ঃ- জলসম্পদৰ আঁচনি।

শ্রী মইন উদ্দিন আহমেদে সুধিছে ঃ

৮৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) জলসম্পদ বিভাগৰ জৰিয়তে গোৱালপাৰা আৰু ধুবুৰী জিলাত যোৱা পাঁচ বছৰত কিমান পুঁজি আৱণ্টন দিয়া হৈছে আৰু উক্ত পুঁজি কোন কোন আঁচনিত কি ধৰণে খৰচ কৰা হৈছে?

(খ) উক্ত আঁচনি সমূহ জলেশ্বৰ বিধান সভা সমষ্টিত কি ধৰণে ৰূপায়ণ কৰা হৈছে? ইয়াৰ কোন কেইটা আঁচনি সম্পূর্ণ হৈছে আৰু কোন কেইটা আধুৰুৱা হৈ আছে?

(গ) সমষ্টিটোত বৰ্ত্তমান চলি থকা কামৰ আঁচনিৰ নাম, ঠিকনা, আৱণ্টিত পুঁজিৰ পৰিমাণ, DPR ঠিকাদাৰৰ নাম, Work order ৰ কপি, কামৰ অগ্রগতি, Mode of payment/ Release of payment আৰু Date of Completion আদিৰ সৈতে বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব?

(ঘ) অহা বিত্তীয় বৰ্ষৰ বাবে সমষ্টিটোৰ কাৰণে বিভাগীয় ভাবে কোনো নতুন আঁচনিৰ প্রস্তাৱ দিয়া হৈছেনে? (বিতং তথ্য দাখিল কৰিব)

শ্রী ৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী) য়ে দিছেঃ

(ক) গোৱালপাৰা জিলাৰ গোৱালপাৰা জলসম্পদ সংমণ্ডলৰ অধীনত যোৱা পাঁচ বছৰত মুঠ ২৩৭৯'৪৩ লাখ টকা পুঁজি আৱণ্টন দিয়া হৈছে আৰু খৰচৰ পৰিমান ২৩৭৯.১৬ লাখ টকা। বিতং তথ্য পৰিশিষ্ট 'ক' ত সংযোজন কৰা হৈছে। (See Annexure-VII)

ধুবুৰী জিলাৰ ধুবুৰী জলসম্পদ সংমণ্ডলৰ অধীনত যোৱা পাঁচ বছৰত মুঠ ২৫৩৯.৮৪ লাখ টকা পুঁজি আৱণ্টন দিয়া হৈছে আৰু খৰচৰ পৰিমান ২৫৩৯.৮৪ লাখ টকা।

(বিতং তথ্য পৰিশিষ্ট -'খ' ত সংযোজন কৰা হৈছে।)

(See Annexure-XL-VIII)

(খ) গোৱালপাৰা জলসম্পদ সংমণ্ডলৰ জলেশ্বৰ বিধান সভা সমষ্টিৰ যোৱা পাঁচ বছৰত ৪ খন আঁচনিৰ কাম হাতত লোৱা হৈছিল আৰু ইয়াৰে ৪ খন আঁচনিয়েই সম্পূর্ণ হৈছে। এতিয়ালৈ ৪ নং কামটোৰ কোনো ধৰনৰ পুঁজি আৱণ্টন ও খৰচ কৰা হোৱা নাই। (বিতং তথ্য পৰিশিষ্ট - 'গ' ত সংযোজন কৰা হৈছে ।.(See Annexure-XL-IX)

ধুবুৰী জলসম্পদ সংমণ্ডলৰ জলেশ্বৰ বিধান সভা সমষ্টি

'Immediate measures to protect Buraburi than

and its adjoining area form the erosion of river Brahmaputra for 2007-08 under C.R.F.' নামৰ ৫১.৭৪ লাখ টকা মুল্যৰ এখন আঁচনি ৰূপায়ন কৰা হৈছে। ইতিমধ্যে পুঁজি আৱণ্টিত হৈছে আৰু কামৰ বিল আদায় দি থকা হৈছে।

(গ) গোৱালপাৰা জলসম্পদ সংমণ্ডলৰ জলেশ্বৰ বিধান সভা সমষ্টিত বৰ্ত্তমান চলি থকা কামৰ আঁচনিৰ নাম আৰু ঠিকনা তলত উল্লেখ কৰা হ'লঃ-

"Immediate measures to B/dyke form Balikuchi to Beldubi at jaleswar and Jakimari area ch. 34.00 Km. for 2010-11 under C.R.F." উক্ত আঁচনিৰ আৱণ্টিত পুঁজিৰ পৰিমান =১৯৯.৯৮৫ লাখ টকা।

DPR পৰিশিষ্ট 'ঘ' ত work order ৰ তালিকা পৰিশিষ্ট 'ঙ' ত (বিতং তথ্য সংগ্রহ কৰি থকা হৈছে) কামৰ অগ্রগতি পৰিশিষ্ট -'চ' ত সংযোজন কৰা হৈছে।

Mode of payment --- NIL.

Release of payment - NIL.

Date of Completion -03-11-2011

ধুবুৰী জলসম্পদ সংমণ্ডলৰ জলেশ্বৰ বিধান সভা সমষ্টিত

বর্ত্তমান কোনো কাম চলি থকা নাই।

Sub: Implementation of Scheme.

Shri SIRAJUDDIN AJMAL asked:

87. Will the Minister of Irrigation be pleased to state:-

(a) Name the Schemes that have been under Implementation by the JCADD, Hojai at the moment? (Please give in details with amount sanctioned scheme-wise)

(b) In case of the Scheme of Installation of 10 ELIS (lift points) along the Jamuna CCFE, whether any provision of modernization of the CCEF is included in the DPR of the same? (Please furnish the DPR in details)

(c) What is the status of the Scheme as mentioned in para (b) as on today? (Please give in details)

Dr. Ardhendu Kumar Dey (Minister of Irrigation)

replied

(a) At present there are three nos. of Minor Schemes under Jamuna CAD Division, Irrigation, Hojai (Details enclosed in Annexure - I).

(b) Provision for Modernisation of C.C.F.E. was not included in the estimate. However, limited provision of protection and strengthening in some most vulnerable reaches of C.C.F.E. near the lift point was included in order to prevent further damages. Abstract of the estimate is enclosed in Annexure - II.

(c) The Status of the Scheme "LIS from river Jamuna at Namati - 10 points" is enclosed in Annexure.

বিষয় ঃ ৰাজহ ও দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ আঁচনি।

শ্রী ৰেকিবুদ্দিন আহমেদে সুধিছে ঃ

৮৮/ মাননীয় ৰাজহ ও দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ছয়গাওঁ বিধান সভা সমষ্টিত যোৱা চৰকাৰৰ কার্য্যকালত ৰাজহ ও দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা কি কি আঁচনিৰ বিপৰীতে কিমান টকা লাভ কৰিছিল?

(খ) যোৱা চৰকাৰৰ কার্য্যকালত ৰাজহ ও দুর্য্যোগ ব্যৱস্থাপনা বিভাগে কি কি আঁচনিৰ জৰিয়তে কিমান টকাৰ কাম ৰূপায়ণ কৰিলে? (তথ্য দিব)

(গ) বর্ত্তমান চৰকাৰৰ দিনত উক্ত বিভাগে কিবা আঁচনি ছয়গাওঁ বিধান সভা সমষ্টিৰ কাৰণে গ্রহণ কৰিছে নেকি? যদি কৰিছে, আঁচনিৰ নাম ধনৰ পৰিমাণ অৱগত কৰিবনে?

শ্রী পৃথিবী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) "দুর্য্যোগ সাহায্য পুঁজি" / "ৰাজ্যিক দুর্য্যোগ সহাঁৰি পুঁজি"ৰ ধন সমষ্টি ভিত্তিত মঞ্জুৰি দিয়া নাযায়। কামৰূপ জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য মতে যোৱা চৰকাৰৰ কার্য্যকালত ছয়গাওঁ বিধান সভা সমষ্টিত ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগে মঞ্জুৰি দিয়া আঁচনি আৰু ইয়াৰ বিপৰীতে ধনৰ পৰিমান সম্বলিত তথ্য অনুবদ্ধ 'ক' সংলগ্ন কৰা হ'ল।

(খ) যোৱা চৰকাৰৰ কার্য্যকালত ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগে ৰূপায়ন কৰা বিভিন্ন আঁচনি আৰু মঞ্জুৰি দিয়া ধনৰ পৰিমান

সম্বলিত বিতং তথ্য অনুবদ্ধ 'খ'ত সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) এতিয়ালৈ গ্রহণ কৰা হোৱা নাই।

Sub: Relief and Rehabilitation Grant to the Fire victims etc. of Karimganj District.

Shri Monilal Gowala asked:

89. Will the Minister of Revenue & Disaster Management be pleased to state:

(a) Will the Govt. State the number of cases of fire victims/ wild elephant depredation of Karimganj district pending as yet far disposed?

(The details i.e. name and address of the victims/ date of mishaps may please be furnished).

(b) Whether the Govt. think the necessity of quick disposal of such cases?

(c) If so, why the delay is caused?

(d) Would the Govt. ensure the house specifying time within which such cases will

be disposed of?

Sri Prithibi Majhi (Minister, Revenue & D.M. Department) replied:

(a) At present only three proposals involving 111 families in respect of fire victims of Karimganj District are under consideration in Revenue 7 Disaster Management Department. The names and addresses of the fire victims and also dates of mishaps are shown in the statements enclosed at Annexure - A.

The cases of depredation by wild elephants are dealt with by the Environment and Forest Department.

The following cases of depredation by wild elephant are pending as awaiting approval of Deputy Commissioner, Karimganj and receipt of these proposal to the Principal Chief Conservator of Forests, Wildlife, Assam for consideration.

Name & address	Date incident	Remarks
1. Raja Ram Munda S/o Lt. Grish Munda Chandkhera T.E. P.O. - Chandkhera	21-9 2008	Deputy Commissioner's approval not available
2. Loknath Tanti Solgoi 8 No P.O. Hatikhera	15-11-2009	-do-
3. Abdul Sahid (Fotik) S/o. Lt. Sofiqur Rahman Vill. & P.O. - Rajbari, South Tripura	11-11-2009	-do-
4. Rupam Talukdar S/o. Lt. Sudhansu Talukdar Vill. & P.O Rajbari South Tripura	27-9-2011	-do-

(b) Yes .The Government is fully aware of the need for quick disposal of such cases.

(c) Delay is generally caused due to insufficiency of information in the proposals as required under the norms and guidelines of the SDRF. Thus necessitating the Government to seek further

information /clarifications from the Deputy Commissioner concerned.

As reported by Environment & Forest Department in respect of cases relating to elephant depredation, usualy there is no delay. However, sometimes cases get delayed due to late receipt of the proposals from the field and non-availability of fund.

(d) Government always tries to dispose of such proposals expeditiously as soon full information as required under various norms & guidelines is received.

Subject: Implemenation of Scheme.

Shri Sushanta Borgohain asked:

90. Will the Minister of W.P.T. & B.C. be pleased to state:

(a) Which Schemes have been implemented in the Missing Autonomous Council controlled area in the Thowra LAC during the last two financial years of 2009-2010 and 2010-2011?

(b) How much money has been released for realising these Schemes?

(c) What is the present status of these Schemes? (A detailed report may please be furnished)

Shri Rajiv Lochan Pegu (Minister, WPT & BC Department) replied:

(a) Total six nos. of schemes have been selected from the Thowra LAC for the year 2009-2010. No

Sl. No.	Name of Schemes	Alloted amount
1	Building construction of Mising Bhawan at Dihingmukh.	Rs. 4,45,000.00
2	Earth filling and floor construction of community work shed at Boroguri	Rs. 2,00,000.00
3	Road repairing and sand gravelling of Juroudi Kokborta Dolwul Road	Rs. 1,46,588.00
4	Boundary wall construction of Borchumoni L.P. School. At Borchumoni.	Rs, 2,00,000.00
5	Upgradation of Boroguri Anchalik Puthi Bharal at Boroguri	Rs. 70,000.00
6	Construction of building of Luhitpuria Mising cultural centre	Rs. 3,00,000.00

schemes have been selected for the year 2010 -2011 so far. Details of schemes under 209-2010 are given below-

(b) No fund has been released for the above schemes so far.

(c) Implementation of schemes are on process.

বিষয় ঃ কোচ ৰাজৱংশী সকলক জনজাতিকৰণ।

ডাঃ দুর্ল্লভ চন্দ্র চমুৰাই সুধিছেঃ

৯১। মাননীয় ভৈয়াম জনজাতি আৰ পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কোচ ৰাজবংশী সকলক জনজাতিৰ মর্য্যাদা কেতিয়া দিয়া হ'ব? এই বিষয়ে চৰকাৰে কি পদক্ষেপ গ্রহণ কৰিছে? বর্ত্তমান বিষয়টো কি পর্য্যায়ত আছে?

(খ) কোচ ৰাজবংশী সকলক আন ছয় জনগোষ্ঠীৰ সৈতে একেলগে জনজাতি ঘোষণা কৰা হবনে? (সবিশেষ সদনৰ সজিয়ত জনাব)

শ্রী ৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে?

(ক) এই বিষয়ে কেন্দ্রীয় চৰকাৰে সিদ্ধান্ত গ্রহণ কৰিব। বিশেষজ্ঞ সমিতিয়ে

দাখিল কৰা প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হৈছে। বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) এনে ঘোষণা কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ। বৰ্ত্তমানলৈ অসমৰ কোচ ৰাজবংশীকে ধৰি মাত্ৰ তিনিটা জনগোষ্ঠীৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

বিষয় ঃ- মথাউৰি নিৰ্মাণ।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সুধিছেঃ

৯২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাত কপিলী, নিখাৰী আৰু কলং নদীৰ পানীয়ে বঢ়মপুৰ বিধান সভা সমষ্টিৰ এক বিস্তৃত অঞ্চল বানপানীয়ে ক্ষতি সাধন কৰি আহিছে চৰকাৰ অৱগতনে? যদি অৱগত, নদী সমূহৰ দুয়োপাৰে মথাউৰি পথ নিৰ্মাণ কৰি বানপানী ৰোধৰ বাবে আৰু ৰাইজৰ যাতায়তৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা হাতত লবনে?

(খ) কলঙৰ পানী নগাওঁ টাউনৰ পলিটেকনিক আৰু কেন্দ্ৰীয় বিদ্যালয়ৰ সমীপত ২৩ নং ৰাৰ্ডত কলঙৰ বাঢ়নী পানী আৰু খহনীয়াই যাতে অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা শীঘ্ৰে হাতত লবনে?

শ্রী ৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

বঢ়মপুৰ বিধান সভা সমষ্টিৰ এক বিস্তৃত অঞ্চল সামৰি বানপানী প্রতিৰোধৰ বাবে ব্যৱস্থা গ্রহণৰ কাম চলি আছে।

(খ) ইতিমধ্যে অসম চৰকাৰৰ ৰাজহ বিভাগৰ অনুমোদনত প্রাকৃতিক দুর্য্যোগ শিতানত ২০০৭-২০০৮ বর্ষত মথাউৰি সৱলীকৰণৰ কাম কৰা হৈছিল। খহনীয়া প্রতিৰোধৰ বাবে প্রাকৃতিক দুর্য্যোগ শিতানৰ অধীনত ৰাজহ বিভাগলৈ অনুমোদন বিচাৰি বিস্তৃত প্রাক্‌লন প্রেৰণ কৰা হৈছে। অনুমোদন পালে কার্য্যকৰী ব্যৱস্থা হাতত লোৱা হয়।

বিষয়ঃ ৰবৰ খেতি।

শ্রী প্রবীন হাজৰিকাই সুধিছেঃ

৯৩/ মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

যোৱা বিধান সভা বহাৰ সময়ত ৰবৰ খেতি কৰাৰ ওপৰত মাননীয় মন্ত্রীয়ে এখন পত্র বিধায়ক সকললৈ প্রেৰন কৰিছিল আৰু অসমৰ কেবাখনো জিলা এই বিষয়টো সাঙুৰি লোৱা হল। কিন্তু শোণিতপুৰ জিলা বাদ পৰি গল। চৰকাৰে উক্ত আচঁনিৰ বাবে শোণিতপুৰ জিলাখন এই বিত্তীয় বর্ষত অন্তর্ভুক্ত কৰাৰ ব্যৱস্থা কৰিবনে?

ডাঃ অর্ধেন্দু কুমাৰ দে (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগে হাতত লোৱা ৰবৰ খেতি আঁচনি খনৰ পৰা ২০১১-১২ চনত শোণিতপুৰ জিলাখন বাদ পৰি যোৱাটো সঁচা। এই বিত্তীয় বৰ্ষত উক্ত আঁচনিখনৰ বিপৰীতে ধাৰ্য্য কৰা আৱণ্টিত পুঁজিৰ পৰিমাণ কম হোৱা বাবে। শোণিতপুৰ জিলাখন অন্তৰ্ভক্ত কৰিব পৰা হোৱা নাই।

অহা বিত্তীয় বৰ্ষত ২০১২-২০১৩ চৰকাৰৰ পৰা পুঁজিৰ আৱণ্টন সাপেক্ষে ৰাজ্যৰ অইন জিলা বিলাকৰ সৈতে শোণিতপুৰ জিলাকো অন্তৰ্ভূক্ত কৰা হয়।

বিষয় ঃ মৌজা হস্তান্তৰ।

শ্রীমনোৰঞ্জন দাসে সুধিছে ঃ

৯৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বাক্সা জিলা গঠনৰ পিচত ৰৰপেটা জিলাৰ মাণিকপুৰ মৌজাটো জালাহ ৰাজহ চক্রৰ পৰা বজালী ৰাজহ চক্রলৈ এতিয়াও হস্তান্তৰ নকৰাৰ কাৰণ কি?

(খ) চৰকাৰে এই বিষয়ে শ্রীঘ্রে ব্যৱস্থা লোৱাৰ কথা বিবেচনা কৰিছে নেকি?

শ্রী পৃথিবী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ মাণিকপুৰ মৌজাৰ মুঠ ১৭ খন গাওঁৰ ভিতৰত ১৫ খন গাওঁৰেই বৰপেটা জিলাৰ অন্তর্গত আৰু বাকী দুখন গাওঁহে বাক্সা জিলাৰ অন্তর্গত। মাণিকপুৰ মৌজাখন বজালী ৰাজহ চক্রলৈ হস্তান্তৰ কৰা বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) বিষটো বিবেচনাধীন হৈ আছে।

বিষয় ঃ Bot-liaf ফেক্টৰীৰ সংখ্যা।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৯৫। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ডিগবৈ বিধান সভা সমষ্টিত কেইটা Bot-liaf ফেক্টৰী (কাৰখানা) আছে

(খ) কোন কোন Bot-lieaf ফেক্টৰীত কিমান শ্রমিকে কাম কৰি আছে?

(গ) Bot-liaf ফেক্টৰীৰ শ্রমিক সকলৰ দৈনিক মজুৰি কিমান আৰু এই মজুৰি চৰকাৰী মজুৰি নির্দ্ধাৰণ সমিতিৰ নির্দ্ধাৰন কৰা মতে দিয়া হৈছেনে?

(ঘ) অসম চাহ বাগিছা বনুৱা আইন আৰু বিধিমতে শ্রমিকে কি কি সুবিধা পাইছে?

(ঙ) শ্রম পৰিদর্শক সকলে পৰিদর্শন কৰা এই Bot-leaf ফেক্টৰীত পৰিদর্শন কৰেনে?

শ্রী পৃথিৱী মাঝি (শ্রম ও নিয়োগ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ডিগবৈ বিধানসভা সমষ্টিত মুঠ ২০ টা Bought leaf ফেক্টৰী (কাৰখানা) আছে।

(খ) Bought leaf ফেক্টৰীত কাম কৰি থকা শ্রমিকসকলৰ তালিকা সংলগ্ন কৰা হ'ল।

(গ) ক্ষেত্রীয় বিষয়াৰ পৰা প্রাপ্ত তথ্য অনুসৰি Bought leaf ফেক্টৰীৰ শ্রমিকসকলৰ দৈনিক মজুৰি ১০০টকা আৰু চৰকাৰী মজুৰি নির্দ্ধাৰণ কমিটিয়ে নির্দ্ধাৰন কৰা মতেই মজুৰি দিয়া হৈছে।

(ঘ) Bought leaf ফেক্টৰীত কাম কৰা শ্রমিকে অসম চাহ বাগিছা বনুৱা আইন চাহ বাগিছা শ্রমিকৰ বাবেহে, Bought leaf ফেক্টৰীত কাম কৰা কৰা শ্রমিকৰ ক্ষেত্রত ই প্রয়োজ্য নহয়।

হয়। শ্রম পৰিদর্শকসকলে Bought leaf ফেক্টৰী পৰিদর্শন কৰে।

Sub.:- Water Supply scheme.

Abdur Rahman Ajmal asked:-

96. Will the Minister of P.H.E. be pleased to state:

(a) At present how many water supply Schemes have been undertaken in South Salmara LAC?

(b) How many of these schemes are functional & how many of them have been lying defunct?

(c) Have any new schemes been undertaken recently?

(d) If so, when will these schemes commence & when these be completed?

(e) How many 'Tarapumps' have been installed in South Salmara Constituency during the last five years (Precise list of such installation may be pin-pointed)?

Shri Gautom Roy (Minister, P.H.E. Department) replied:

(a) At present, there are 5(five) nos. of PWSS have been undertaken in South Salmara LAC.

(b) All the 5(five) nos. of schemes are lying defunct due to flood and damages of pipe lines. Efforts have been taken to get the schemes re-commissioned early through fund under 'Natural Calmities'.

(c) Proposal for construction of 14 nos. of IRP including installation of Tara Hand Pumps have been undertaken.

(d) The wok will commended by January, 2012 and targeted for completion by March, 2012.

(e) Year wise list of pinpoints for installation of Tara Hand Pumps have been anexed herewith (Annexure-II).

Nos. of Tara Pump installed during :-

2006-07 - 61 Nos.

2007-08 - 25 Nos.

2008-09 - 41 Nos.

2009-10 - Nil

2010-11 - 131 Nos.

Total - 258 Nos.

বিষয় ঃ ক্ষতিগ্রস্তক আর্থিক সাহায্য।

শ্রী উৎপল দত্তই সুধিছেঃ

৯৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ২০০৮-০৯ আৰু ২০৯ -১০ বৰ্ষৰ প্ৰলয়ংকাৰী বানপানীৰ ফলত লক্ষীমপুৰ সমষ্টিৰ তেলাহী, লক্ষীমপুৰ নগৰ আৰু লক্ষীমপুৰ উন্নয়ন খণ্ডৰ বান বিধস্ত আৰু ক্ষতিগ্ৰস্ত লোক সকলক আৰ্থিক সাহায্য তথা পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি কি ব্যৱস্থা কৰিছিল?

(খ) যদি সংস্থাপনৰ ব্যৱস্থা কৰিছিল, তেনেহলে ক্ষতিগ্ৰস্ত লোক সকলৰ নামৰ তালিকা দাখিল কৰিব আৰু যদি ব্যৱস্থা কৰা হোৱা নাছিল তেনেহলে সাহায্য দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰী পৃথিবী মাঝি (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) ঃ ৰ উত্তৰ দিছেঃ

(ক) লক্ষীমপুৰ জিলাৰ উপায়ুক্তই দাখিল কৰা তথ্য মতে ২০০৮-০৯ বৰ্ষত লক্ষীমপুৰ সমষ্টিৰ তেলাহী, লক্ষীমপুৰ নগৰ আৰু লক্ষীমপুৰ উন্নয়ন খণ্ডৰ বানত ক্ষতিগ্ৰস্ত ৩৬৩৬ টা পৰিয়ালক ৯৭,৫২,০০০.০০ টকা পুনৰ সংস্থাপন অনুদান দিয়া হৈছিল। আকৌ ২০০৯ -১০ বৰ্ষত লক্ষীমপুৰ সমষ্টিৰ উক্ত তিনিখন ঠাইৰ বানত ক্ষতিগ্ৰস্ত ৩১০ টা পৰিয়ালক ৮,০৫,০০০.০০ টকা পুনৰ সংস্থাপন অনুদান দিয়া হৈছিল। বানত ক্ষতিগ্ৰস্ত কোনো পৰিয়ালক পুনৰ সংস্থাপিত কৰা হোৱা নাছিল, যিহেতু বানপানী শেষ হোৱাৰ পাচত পৰিয়াল সকলক নিজৰ নিজৰ ঘৰলৈ স্থানান্তৰিত কৰা হৈছিল।

(খ) প্ৰশ্ন নুঠে।

বিষয় ঃ ৰুগ্ন চাহ বাগিচা।

শ্রী ৰাজু চাহুয়ে সুধিছেঃ

৯৮/ মাননীয় শ্রম ও নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমৰ বিভিন্ন চাহ বাগিচাসমুহৰ ৰুগ্ন অৱস্থাৰ বাবে মালিক পক্ষই বাগিচাসমূহ এৰি আঁতৰি যোৱাৰ ফলত বাগিচাৰ শ্রমিকৰ পানীত হাঁহ নচৰা অৱস্থা হোৱাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই সকল শ্রমিকৰ সুৰক্ষাৰবাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

(গ) ৰাজ্য চৰকাৰে এক বিশেষ আইন প্রণয়ন কৰি শ্রমিক সকলক কৰা এনে অৱহেলা ৰোধ কৰাত বাধা প্রদান কৰিবলৈ প্রচেষ্টা হাতত লবনে?

শ্রী পৃথিৰী মাঝি (শ্রম ও নিয়োগ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) অৱগত।

(খ) ত্রিপাক্ষিক আলোচনাৰ সহায় লোৱা হয় আৰু প্রয়োজন সাপেক্ষে শ্রমিকৰ স্বার্থ সুৰক্ষাৰ বাবে শ্রমিকসকলৰ প্রতিনিধিৰে তদর্থ পৰিচালনা সমিতি পাতি এনে পৰিত্যক্ত বাগিচা লোৱাৰ ব্যৱস্থা কৰা হয়।

(গ) এই পৰামর্শটোৰ ওপৰত চিন্তা-চর্চ্চা কৰি চোৱা হব।

বিষয় ঃ-মথাউৰি নির্মাণ সম্পর্কে।

শ্রী আবুল কালাম আজাদে সুধিছে ঃ

১৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ভৱানীপুৰ সমষ্টিৰ অন্তর্গত পহুমাৰা নদীৰ পূৱফালে ৰাজাঘাটৰ পৰা নকুছি গাওঁলৈ বিস্তৃত মথাউৰিটোৰ নকুছি গাওঁৰ পৰা নকুছি পাথাৰ আৰু কৰাপাৰি গাওঁ হৈ কয়াকুছি পামলৈ অসম্পূর্ণ হৈ থকাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে উক্ত মতাউৰিটো সম্পূর্ণকৈ নির্মাণ কৰি ভৱানীপুৰ ৰাইজৰ উপকাৰ সাধন কৰিবনে?

(গ) যদি কৰে, কেতিয়া কৰিব আৰু কিমান দিনৰ ভিতৰত কৰিব?

শ্রী ৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) উক্ত মথাউৰিটো সম্পূর্ণকৈ নির্মাণ কৰাৰ বর্ত্তমান কোনো আঁচনি নাই যদিও, প্রয়োজন সাপেক্ষে পৰিস্থিতিৰ গুৰুত্বৰ অনুযায়ী আঁচনিৰ খচৰা প্রস্তুত কৰি কাৰিকৰী সমিতিৰ অনুমোদনৰ বাবে দাখিল কৰা হব।

(গ) উক্ত আঁচনিখন হাতত লোৱাৰ আগতে প্রয়োজন হোৱা বিভিন্ন বিভাগীয় অনুমোদন তথা বিত্তীয় পুঁজিৰ আৱণ্টন সাপেক্ষে আঁচনিখন ৰূপায়ণ কৰিব পৰা হয়।

বিষয় ঃ- খোৱা পানীৰ আঁচনি।

শ্রীদিলীপ মৰানে সুধিছে ঃ-

১০০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ-

(ক) ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তর্গত মুঠ কিমানটা বিশুদ্ধ খোৱা পানী যোগান আঁচনি আছে? এই আঁচনি কেইটাৰ ভিতৰত বর্তমান কেইটা কার্য্যক্ষম হৈ আছে আৰু কিমানটা বিকল অৱস্থাত আছে, জনাবনে?

(খ) কোন কোন আঁচনি বিকল হৈ আছে? এই বিকল আঁচনি কেইটা পুনৰ কার্য্যক্ষম কৰি তুলিবলৈ কিবা ব্যৱস্থা গ্রহন কৰিছে নেকি?

(গ) ডুমডুমা চহৰত থকা পানী যোগান আঁচনি সম্পূর্ণ কৰিবলৈ চলিত বিত্তীয় বর্ষত কাম আৰম্ভ কৰিব পৰাকৈ প্রশাসনিক মঞ্জুৰী মঞ্জুৰ কৰিবনে?

(ঘ) পানী যোগান আঁচনিয়ে সামৰি নোলোৱা অঞ্চল সমূহত দমকল দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঙ) যদি কৰে, কেতিয়া কৰা হ'ব?

শ্রী গৌতম ৰয় (জনস্বাস্থ্য কাৰি কৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১২৫ নং ডুমডুমা বিধান সভা সমষ্টিৰ অন্তর্গত মুঠ ২৭ টা বিশুদ্ধ খোৱা পানী-যোগান আঁচনি আছে। এই আঁচনি কেইটাৰ ভিতৰত সম্পূর্ণ হোৱা ১৯ টা আঁচনিৰ ১৮ টা আঁচনি কার্য্যক্ষম হৈ আছে আৰু ১ টা আঁচনি বিকল অৱস্থাত আছে।

(খ) বিকলহৈ থকা আঁচনি খনৰ নাম পিঠাগুটি পানী যোগান আঁচনি। এই বিকল আঁচনিখন পুনৰ কার্য্যক্ষম কৰি তুলিবলৈ যাবতীয় ব্যৱস্থা গ্রহন কৰা হৈছে আৰু জানুৱাৰী, ২০১২ মাহত পানী যোগান ধৰা হব।

(গ) ডুমডুমা চহৰ পানী যোগান আঁচনি সম্পূর্ণ কৰিবলৈ যাৱতীয় প্রশাসনিক মঞ্জুৰি নগৰ পানী যোগান ও পয়-প্রনালী পৰিষদৰ পৰাহে মঞ্জুৰ হব; যিহেতু চহৰ অঞ্চলক পানী যোগান দায়িত্ব এই বিভাগৰ হাততেই ন্যস্ত।

(ঘ) পানী যোগান আঁচনিয়ে সামৰি নোলোৱা অঞ্চল সমুহত পর্য্যায়ক্রমে দমকল দিয়াৰ ব্যৱস্থা কৰা হব।

(ঙ) চলিত বিত্তীয় বর্ষত পানী যোগান আঁচনিয়ে সামৰি নোলোৱা ৩৩ খন চুবুৰীত ৪২ টা তাৰা হস্তচালিত পাম্প বহুওৱা হব আৰু বাকী অঞ্চল সমুহ পৰবর্ত্তী বিত্তীয় বর্ষ সমুহত পর্য্যায়ক্রমে আঁচনি লোৱা হব।

SHORT NOTICE QUESTIONS AND ANSWERS.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্রশ্ন নং ঃ-১

শ্রী প্রফুল্ল কুমাৰ মহন্তই সধিছেঃ

১। মাননীয় জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনেঃ (বি.টি.এ. ডিৰ বাহিৰে)

(ক) মিচিং স্বায়ত্ব শাসিত পৰিষদ, ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ আৰু সোনোৱাল কছাৰী স্বায়ত্ব শাশিত পৰিষদ কেইখন আৰু কিমানদিন নিৰ্বাচন অবিহনে তদৰ্থ ভিত্তিক চলি থাকিব?

(খ) এই পৰিষদবোৰৰ নিৰ্বাচন পাতি সাংবিধানিকভাবে নিৰ্বাচিত জনপ্ৰতিনিধি নিৰ্বাচন কৰি জনকল্যাণমূলক আঁচনিবোৰ কাৰ্য্যকৰী কৰাৰ কথা চৰকাৰে নেভাবেনে?

(গ) চৰকাৰে এই পৰিষদবোৰৰ নিৰ্বাচন পতাৰ কাৰণে কিমানবাৰ এই সদনৰ সজিয়াত প্ৰতিশ্ৰুতি দিলে আৰু কিমানবাৰ এনে প্ৰতিশ্ৰুতি দিব?

(ঘ) চৰকাৰে এই নিৰ্বাচন পতাৰ কাৰণে নিৰ্দিষ্ট দিন / তাৰিখ ঘোষণা কৰিবনে?

শ্ৰী ৰাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) মিচিং স্বায়ত্ব শাসিত পৰিষদ, ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ আৰু সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ সাধাৰণ সভাৰ নিৰ্বাচন পতাৰ বাবে চৰকাৰে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে অসম

ৰাজ্যিক নির্বাচন আয়োগক মিচিং স্বায়ত্ব শাসিত পৰিষদৰ আৰু উপায়ুক্ত, ডিব্রুগড়ক সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ নির্বাচন পতাৰ দায়িত্ব দিয়া হৈছে।

(খ) উত্তৰ 'ক'ত দিয়া হৈছে।

(গ) উচ্চ ন্যায়ালয়ত নির্বাচন বিষয়ক গোচৰ বিচাৰাধীন হৈ থকাৰ মিচিং আৰু ৰাভা হাচং পৰিষদ কেইখনৰ নির্বাচন পতা হোৱা নাছিল। উচ্চ ন্যায়ালয়ৰ নির্দেশ মর্মে লেখ আবেদনকাৰী সকলৰ শুনানী গ্রহণ কৰি থকা হৈছে। শুনানী শেষ হোৱাৰ পাচত নির্বাচন পাতিৰ পৰা হ'ব।

সোনোৱা কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ নির্বাচনৰ বাবে সমষ্টি পুনর্নির্দ্ধাৰণ আৰু ভোটাৰ তালিকাসমূহৰ কাম সম্পূর্ণ হৈছে।

(ঘ) ভোটাৰ তালিকাসমূহৰ প্রকাশ সম্পূর্ণ হোৱাৰ পিছতে নির্বাচনৰ দিন ঘোষণা কৰ হ'ব।

বিষয় ঃ- তাকৰীয়া সময়ৰ প্রশ্ন নং।

শ্রী প্রফুল্ল কুমাৰ মহন্তই সুধিছেঃ

২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) হাইলাকান্দি PHE Division ৰ অন্তর্গত w/c Personnel ৩৬ জন লোকে তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ কৰিবৰ বাবে Chief Engineer PHE, Chief Secy. আৰু Minister,

PHE লৈ আবেদন কৰাটো সত্য নে?

(খ) EE (PHE) HKD Division য়ে যোৱা ০১/০৬/২০০৬ তাৰিখে চিঠি নং - PHEE/H/ESTT/1/2006-07/627 যোগে উক্ত ৩৬ জন লোকৰ চাকৰি নিয়মীয়া কৰণৰ বাবে Chief Engineer, PHE লৈ পঠোৱা সত্যনে (চিঠিৰ Copy সংলগ্ন কৰিব)

(গ) যদি সত্য হয়, তেতিয়া হলে তেওঁলোকৰ চাকৰীসমূহ আজিও নিয়মীয়া নকৰাৰ কাৰণ কি?

(ঘ) উক্ত লোক সকলৰ চাকৰি সমূহ কেতিয়া নিয়মীয়া কৰণ কৰা হব জনাবনে?

শ্রী গৌতম ৰয় (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) সঁচা, বিহিত ব্যৱস্থাৰ বাবে প্রেৰণ কৰা হৈছে।

(খ) সঁচা, (কপি সংলগ্ন কৰা হ'ল "Annexure - A").

(গ) বিহিত ব্যৱস্থাৰ বাবে সংশ্লিষ্ট বিভাগ (বিত্ত)ৰ লগত যোগাযোগ কৰি থকা হৈছে।

(ঘ) মুখ্য অভিযন্তাৰ পৰা তথ্য ভিত্তিত চিঠি পোৱাৰ পিছত বিষয়টো পুনৰ বিত্ত বিভাগলৈ প্রেৰণ কৰা হব। বিত্ত বিভাগৰ পৰা যাৱতীয় অনুমোদন পোৱাৰ পিছত হাইলাকান্দি (PHE) ডিভিজনৰ অন্তর্গত

w/c Personnel কেইজনৰ চাকৰি নিয়মীয়া কৰা হব।

বিষয় ঃ- তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রী প্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৩। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছৱপৰা শ্রেণীৰ কল্যাণ মন্ত্রীয়ে অনুগ্রহ কৰি জনাবনে? (B.T.A.D.) ৰ বাহিৰে)

(ক) অসমৰ জনজাতি ৰাইজৰ কল্যাণ আৰু অন্যান্য পিছৱপৰা শ্রেণীৰ কল্যাণার্থে বৰাদ্দ কৰা পূঁজি ২০০৭-২০০৮ চনৰ পৰা ২০১০-২০১ বিত্তীয় বর্ষলৈকে কিমান পূঁজি চৰকাৰে ৰেভিনিউ ডিপ'জিত কৰি ৰাখিছে?

(খ) এনে পূঁজি কোন কোন শিতানৰ কিমান টকা কি কাৰণত চৰকাৰে আৱণ্টন কৰাৰ পিছতো ৰেভিনিউ ডিপ'জিত কৰি ৰাখিব লগা হৈছে জনাবনে?

(গ) চৰকাৰৰ বিত্ত বিভাগে নানা অজুহাতত এনেবোৰ উন্নয়ণ পূঁজি মুকলি কৰি নিদিয়াতো সত্যনে?

(ঘ) এই পূঁজিবোৰ অনতিপলমে জনজাতি ৰাইজৰ কল্যাণৰ অর্থে মুকলি কৰি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্রী ৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ২০০৭-০৮ চনৰ পৰা ২০১০-১১ বিত্তীয় বৰ্ষলৈকে মুঠ ৯৯,৮৫,৩৮,৮৩১ (নিৰান্নৱৈ কোটি, পঁচাশী, লাখ, আঠত্রিশ হাজাৰ আঠশ একত্রিশ) টকা মাত্ৰ ৰেভিনিউ ডিপ'জিত কৰি ৰখা হৈছে।

(খ) ৰেভিনিউ ডিপ'জিতত ৰখা বিভিন্ন পূঁজি শিতানসহ অনুবদ্ধ 'ক', 'খ - ১' 'খ- ২' আৰু 'খ- ৩' ত দেখুওৱা হ'ল।
উক্ত ধনসমূহ বিত্তীয় বৰ্ষৰ অন্তিম ক্ষণত আৱণ্টন দিয়াৰ বাবে মোকলাই দিব পৰা নগ'ল। সেয়েহে এই সমূহ পূঁজি ৰেভিনিউ ডিপ'জিতত ৰখা হৈছে।

(গ) সত্য।

(ঘ) এই পূঁজি মোকলাই দিয়াৰ অৰ্থে বিত্ত বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে।

তলত উল্লেখ কৰা মাননীয় সদস্য সকলৰ পৰা সৰ্বমুঠ ৭ খন শূন্যকালীন ঘণ্টাৰ জাননী প্ৰাপ্তি হৈছে।

১। **শ্ৰী কমলেখ্য দে পুৰকায়স্থ**

২। **শ্ৰী অঞ্জন দত্ত**

৩। **শ্ৰী পদ্ম হাজৰিকা**

৪। **শ্ৰী বিনন্দ কুমাৰ শইকীয়া**

৫। **শ্ৰী ফণীভূষণ চৌধুৰী**

---

* Speech not corrected

৬। শ্রী মেম্বৰ গগৈ

৭। শ্রী অঞ্জন দত্ত

উক্ত জাননী সমূহৰ পৰা নিয়মানুসৰি মই ৩ খন শূন্যকালীন ঘণ্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্রদান কৰিলো।

DISCUSSION ON ZERO HOUR MATTER

১। এতিয়া মই, মাননীয় সদস্য, শ্রী বিনন্দ কুমাৰ শইকীয়াক ইং ১৯-১২-২০১১ তাৰিখৰ "আমাৰ অসম" বাতৰি কাকতত প্রকাশিত-

"শঙ্কৰদেৱৰ সমাধিস্থলৰ স্মৃতি সংৰক্ষণ কৰিব কোনে?"

শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

শ্রী বিনন্দ কুমাৰ শইকীয়া ঃঃঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো, এটা গুৰুত্বপূর্ণ বিষয়ত ওপৰত আলোচনা কৰাৰ সুধিবা অনুমতি দিয়াৰ কাৰণে। মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি, ১৯ ডিচেম্বৰ তাৰিখে আমাৰ অসম বাতৰি কাকত খনৰ এটা বাতৰিৰ প্রতি দৃষ্টি আকর্ষণ কৰি দুষাৰমান কব বিছাৰিছো। বাতৰিৰ শিৰোনামাটো আছিল শংঙ্কৰদেৱৰ সমাধিস্থলৰ স্মৃতি সংৰক্ষণ কৰিব কোনে। মাননীয় অধ্যক্ষ মহোদয়, শঙ্কৰদেৱৰ সমাধি স্থল জাতি গঠণৰ এক সর্ব্বজন গ্রহনযোগ্য। গতিকে ইয়াক সকলোৱে গ্রহণ কৰিব পৰাকৈ এই কীর্তিচিহ্ন সমূহ সংৰক্ষণ কৰাৰ ব্যৱস্থা চৰকাৰে

---

* Speech not corrected

হাতত লব লাগে। মহাপুৰুষ শঙ্কৰদেৱে তেখেতৰ দিনত বৃহত্তৰ অসমীয়া জাতি গঠনৰ কাৰণে প্ৰক্ৰিয়া হাতত লৈছিল। আৰু অসমৰ সকলো জাতি -গোষ্ঠী লগ লগাই প্ৰকৃত ভেটি স্থাপন কৰিবৰ ঘৰৰ ভেটি গঢ় দি গল। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই মহাপুৰুষ জনাৰ সমাধি স্থলত ৰক্ষণা-বেক্ষণ এতিয়াও হোৱা নাই। আজি আমাৰ সমাজক বহুত অবদান দি যোৱা মনিষি সকলক যদি গুৰুত্ব দিয়া নহয়, তেন্তে এইবোৰ কালৰ সোতঁত হেৰাই যোৱাৰ উপক্ৰম হব। স্বৰ্গীয় জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভাকে আদি কৰি মহান ব্যক্তি সকলৰ লগতে অলপতে বিদায় লোৱা সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা দেৱৰ সমাধি স্থলৰ সংৰক্ষণৰ ব্যৱস্থা নকৰিলে পিছলৈ কি হয়গৈ কোৱা টান। আজি পৰা ৪৫০ বছৰ আগতে স্থাপন হোৱা কাকতকটা সত্ৰখন এটা নাম ঘৰত বাহিৰে আৰু একো নাই, এই সত্ৰখন কোচঁৰজাৰ দিনত স্থাপন কৰা হৈছিল। এতিয়া এই সত্ৰখন নদীৰ বুকুত জাহ গৈছে। ইয়াৰ কিছু মুল্যবান বস্তু মধুপুৰ সত্ৰলৈ নিয়া হৈছে। আচলতে অধ্যক্ষ মহোদয় ইয়াৰ দায়িত্ব অসম, বঙ্গ দুয়োখন দেশে লব লাগে, লোৱা উচিত কিন্তু আমাৰ অসম দায়িত্ব বেছি। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে স্মৃতি সংৰক্ষণৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি? আমাৰ সত্ৰ সমূহ সংস্কৃতিৰ থলি। এই সত্ৰ সমুহ বেদখল কৰি বা অন্য ধৰণে নাইকীয়া হৈ নাযায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। শেহতীয়া ভাৱে আমাৰ মূখ্য মন্ত্ৰী মহোদয়ে,

* Speech not corrected

এটা ইনিছেটিভ লৈছিল। সত্র সমূহৰ বহুত মাটি বেদখল হৈ আছে। এই কাকত কুটা সত্রৰ পৰাই শঙ্কৰদেৱে নৰণাৰায়ণ ৰাজসভাৰ শ্রেষ্ঠ সভা কবি হিচাবে পৃষ্ঠপোষকতা কৰি এই গ্রন্থৰাজি ৰচনা কৰিছিল। এই সম্পদৰাজি নাইকীয়া হৈ গৈছে । ইয়াতকৈ আৰু কি পৰিতাপৰ কথা আছে। গতিকে অধ্যক্ষ মহোদয়, এই সামাজিক সম্পদ সমূহ, ৰাইজৰ সম্পদ সমূহৰ সংৰক্ষণৰ কি ব্যৱস্থা গ্রহণ কৰে ইয়াৰ প্রতি দৃষ্টি আকর্ষণ কৰি মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলোঁ।

শ্রীমতী প্রনতি ফুকন (মন্ত্রী) মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্রী বিনন্দ শইকীয়া ডাঙৰীয়াই যি দাব উৎথাপন কৰিছে উত্তৰত মই কব বিছাৰিছো যে, আমাৰ সাংস্কৃতিক পৰিক্রমা বিভাগৰ ফালৰ পৰা ২০০৯ চনত ধুবুৰী জিলাৰ ডি, চিৰ জৰিয়তে ১ কোটি ৩০ লাখ টকা অনুদান দিয়া হৈছে। কাকতকুটা সত্রত কেনেধৰণে সাহার্য্য দিয়া হব এই সম্বন্ধে জিলা উপায়ুক্ত আৰু সত্রাধিকাৰৰ লগত আলোচনা কৰি কৰাহব। সকলোবোৰ সত্রত সাহার্য্য প্রদান কৰাৰ ক্ষেত্রত ডি, চি ৰ লগত আলোচনা কৰি কৰা হব। আমাৰ মাননীয় মূখ্য মন্ত্রী মহোদয়ে, মধূপুৰ সত্রলৈ গৈ ছোৱাৰ কথা চিন্তাকৰিছে। সংৰক্ষণৰ ক্ষেত্রত যি বৃহৎ পুঁজি আগবঢ়োৱা হৈছে, এই খিনি কেনে ধৰণে অনুদান দিব আৰু কেনে ধৰণে সংৰক্ষণ কৰিব এই বিষয়ত আমাৰ চৰকাৰে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব। আমাৰ চৰকাৰে মূল সত্র সমূহৰ

* Speech not corrected

কাৰণে ভালেমান টকা ব্যয় কৰিছে।

মাননীয় অধ্যক্ষ ঃ-এতিয়া মই, মাননীয় সদস্য, শ্রী পদ্ম হাজৰিকাক ইং ১৯-১২-২০১১ তাৰিখ'ৰ অসমীয়া প্রতিদিন" বাতৰি কাকতত প্রকাশিত - **"প্রাদেশিকীকৰণ ঃ লাষ্টগেটত ভেন্সাৰ হাইস্কুলৰ শিক্ষকৰ বিক্ষোভ"** শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

✱ **শ্রী পদ্ম হাজৰিকা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্র সদনত ৰাজ্যখনৰ শিক্ষাৰ লগত জৰিত এই গুৰুত্বপূর্ণ বিষয়টো উত্থাপন কৰিবলৈ প্রদান কৰাৰ কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ক আৰম্ভণিতে ধন্যবাদ জ্ঞাপন কৰিছো। আজি লাষ্ট গেটত প্রাদেশিকীকৰণৰ দাবীত ভেঞ্চাৰ হাইস্কুলৰ সিক্ষক সকলে আন্দোলনত বহি আছে। ৰাজ্যখনৰ শিক্ষা বিভাগে ২০০৬ চনৰ আগতে বিধিসন্মতভাৱে স্থাপিত হোৱা আৰু অষ্টম শ্রেণীলৈ / চৰকাৰী স্বীকৃতি লাভ কৰা ৫ শতাধিক হাইস্কুল, হাই মাদ্রাছাৰ প্রাদেশিকীকৰণ আইনৰ আওতাৰ বাহিৰত ৰাখি বহুসংখ্যক শিক্ষক কর্ম্মচাৰীৰ জীৱন ধ্বংস কৰিব বিচাৰিছে। তেখেত সকলৰ যি দাবী সেই দাবী শিক্ষা বিভাগে সহানুভুতিৰে চাই তেওঁলোকৰ সমস্যা বিলাক সমাধান কৰাৰ কাৰণে উপযুক্ত পদক্ষেপ লোৱাৰ প্রয়োজন আছে। ইতিমধ্যে ভেঞ্চাৰ স্কুলক লৈ বহু আলোচনা হৈ গৈছে। আগৰ মন্ত্রীয়ে এই ক্ষেত্রত আন্তৰিকতাৰে পদক্ষেপ গ্রহণ কৰি এই বিষয়ৰ ওপৰত প্রতিশ্রুতি দিছিল আৰু

✱ Speech not corrected

ফাইনেনচিয়েল এচিষ্টেঞ্চ আগবঢ়াইছিল। এই সম্পর্কত কোৱা হৈছিল যে ভৱিষ্যতে যদি বিত্তীয় অৱস্থাতো ভাল হয়, তেতিয়াহলে তেওঁলোকৰ চাকৰী প্রাদেশিকীকৰণ কৰা হ'ব। এই কথাত তেওঁলোকৰ হতাশা দুৰ হব বুলি আশা কৰিছিল। ২০০৬ চনৰ পিচত 'সেৱাৰ' পৰা স্বীকৃতি পোৱা আৰু পাবলগীয়া বিদ্যালয় সমূহক প্রাদেশিকীকৰণৰ আওতাত ননাৰ কাৰণে শিক্ষক সকল হতাশাত ভূগিছে। আনকি এইশিক্ষক সকলে প্রাদেশিকীকৰণৰ দাবীত আত্মহত্যাও কৰিবলৈ বাধ্য হৈছে। তেজপুৰৰ এগৰাকী শিক্ষক বিজয় বৰাই শিক্ষা বিভাগৰ নীতি নির্দ্দেশনাত প্রাদেশী কিকৰণৰ কোনো আশা নেদেখি আত্মহত্যা কৰিছিল। আন কেইবা গৰাকী শিক্ষকেও আত্মহত্যা কৰিবলৈ বাধ্য হৈছিল। শিক্ষা বিভাগে এই বিষয়টো গুৰুত্ব সহকাৰে গ্রহণ কৰি ফাইনেনচিয়েল এচিষ্টেঞ্চ দিয়াৰ লগতে আগৰ মন্ত্রীয়ে প্রাদেশিকীকৰণৰ যি প্রতিশ্রুতি দিছিল, সেই প্রতিশ্রুতি বাস্তৱত ৰূপায়িত কৰিব বুলি আৰু সদিচ্চা পালন কৰিবলৈ আহ্বান জনালো। ইয়াৰোপৰিও শিক্ষামিত্র সকলৰ ক্ষেত্রতো একেটাই অৱস্থা হৈছে। সর্ব্বশিক্ষাৰ ক্ষেত্রতো অনুৰূপ অৱস্থা বিৰাজ কৰিছে। ১৯৯৯ চনৰ পৰা শিক্ষা মিশ্র সকলে অতি পিচপৰা আৰু আওহতীয়া ঠাইত চৰ অঞ্চ লত শিক্ষা দানৰ ক্ষেত্রত সহযোগ আগবঢ়াই আহিছিল। কিন্তু এতিয়া দেখা গৈছে ছাত্র-ছাত্রী সকলৰ ক্ষেত্রত চৰকাৰৰ ফালৰ পৰা প্রয়োজনীয় সহায় আগবঢ়াইছে।

কিন্তু শিক্ষামিত্র সকলৰ ক্ষেত্রত তেনেধৰণৰ সহযোগিতা নাই। ১৯৯৯ চনৰ পৰাই শিক্ষা দানত সহায় কৰি অহা এই সিক্ষা মিত্র সকলক টেটৰ পৰীক্ষাত অৱতীর্ণ হবলৈবাধ্য কৰোৱা হৈছে। গতিকে এনে বিলাক কথা পুণৰ বিবেচনা কৰিবৰ কাৰণে শিক্ষা মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিলো। শিক্ষা মিত্র সকলে ভেঞ্চাৰ বিদ্যালয় সমূহ প্রাদেশিকৃত কৰাৰ চৰকাৰী সিদ্ধান্তক আদৰণি জনাইছে যদিও তেওঁলোকৰ প্রতি চৰকাৰে অন্যায় কৰাৰ কাৰণে শিক্ষা মিত্র সকল হতাশাগ্রস্ত হৈছে। ভেঞ্চাৰ বিদ্যালয়ৰ শিক্ষকৰ দৰে সমমর্যদা কিয় পাব লাগে তাৰ ওপৰত কিছু যুক্তি ডাঙি
ধৰিছে। তেওঁলোকৰ মতে ভেঞ্চাৰ প্রাথমিক বিদ্যালয় সমূহ স্থাপন কৰাৰ বাবে বিভাগে নির্দ্দেশ দিয়া নাছিল। ই, জি, এচ সমূহ স্থাপন কৰাৰ বাবে বিভাগীয় নির্দ্দেশ পোৱাৰ পিচতহে স্থাপন কৰা হৈছিল। ভেঞ্চাৰ প্রাথমিক বিদ্যালয় সমূহ স্থাপন সমিতি স্ব-ইচ্ছা মতে গঠন কৰা হৈছিল. ই, জি, এচ সমূহ স্থাপনৰ বাবে গঠিত সমিতি খন মহামান্য ৰাজ্যপালৰ অধিসুচনামতে গঠিত। ই, জি, এচ সমূহ ওচৰৰ নিম্ন প্রাথমিক বিদ্যালয়ৰ পৰা ১,৫ বা ২ কিলোমিটাৰ দূৰত্ব বজাই স্থাপন কৰা হৈছিল। ই, জি, এচ সমূহত শিক্ষা মিত্র নিয়োগৰ ক্ষেত্রত সম্পূর্ণ নীতি নির্দ্দেশনা অনুসৰি পঞ্চায়ত ভিত্তিত বিজ্ঞাপন প্রকাশ কৰি আবেদনকাৰীৰ ভিতৰত থকা সর্ব্বোচ্চ নম্বৰ গৰাকীকহে সাক্ষাৎকাৰ অনুস্থিত কৰি নিয়োগ কৰা হৈছিল। সেয়েহে শিক্ষা মিত্র

সকলে বিচাৰিছে ২০০৬ চনলৈ স্থাপিত প্ৰতিখন বিদ্যালয়ৰ বৰ্ত্তমানলৈকে কাম কৰি থকা প্ৰতি গৰাকী শিক্ষা মিত্ৰৰ চাকৰী নিয়মীয়াকৰণ কৰাৰ কথা ঘোষণা কৰিব লাগে। গতিকে চৰকাৰে শিক্ষা মিত্ৰ সকলৰ এই হতাশা দূৰ কৰাৰ কাৰণে এই গোটেইবিলাক কথা বিবেচনা কৰি শিক্ষক সকলৰ সদিচ্ছালৈ চৰকাৰে আন্তৰিকতাৰে পদক্ষেপ লব লাগে। সেইদৰে, অ, বি, বি, শিক্ষক সকলৰ ক্ষেত্ৰতো তেওঁলোকক ১ অক্টোবৰৰ পৰা স্কেল দিয়াৰ কথা আছিল, কিন্তু দিয়া নহল। তেওঁলোকৰ ক্ষেত্ৰতো চৰকাৰে আন্তৰিকতা প্ৰকাশ কৰিব লাগে। আচলতে হাইকোটৰ নিৰ্দ্দেশ মতেহে তেওঁলোকক ৰেগুলাৰ কৰিবলগীয়া হৈছে। (সদনত হুলস্থুল)

মনোহৰন কমিচন কিয় দিবলগীয়া হৈছে? ২০০৬ চনলৈ অষ্টম শ্ৰেণীলৈ অনুমতি, অনুমোদন আৰু স্বীকৃতিপ্ৰাপ্ত বিদ্যালয় সমূহক প্ৰাদেশিকীকৰণ আইনত খেলি দিব বিচাৰিছে। তাৰোপৰি ২০০৬ চনৰ পূৰ্ব্বে চৰকাৰী বিধিসন্মতভাৱে স্কুল খোলাৰ অনুমতি পাই স্থাপন কৰা ভেঞ্চাৰ হাইস্কুল সমূহক অনুমতি প্ৰদানৰ ক্ষেত্ৰত অৱহেলা কৰা হৈছে বুলি আপত্তি কৰিছে। হাইকোটৰ নিৰ্দ্দেশ মতেহে শিক্ষক সকলৰ চাকৰী নিয়মীয়া কৰা হৈছে। এতিয়া যিহেতু শিক্ষা বিভাগে শিক্ষা নীতি গ্ৰহণ কৰি শৈক্ষিক পৰিবেশ উন্নত কৰাৰ লগতে শিক্ষাৰ মানদণ্ড উন্নত কৰি শিক্ষকক প্ৰয়োজনীয় সুবিধা দিব বিচাৰিছে। তেনে ক্ষেত্ৰত আজি এই শিক্ষক সকলৰ যিহতাশা আৰু তিক্ততা সৃষ্টি

* Speech not corrected

হৈছে তাক দূৰ কৰি আন্তৰিকতাৰে ব্যৱস্থা লব বুলি আশা কৰিলো। এতিয়া লাষ্ট গেটত শিক্ষক সকলে ধৰ্ণা দি আছে। তেওঁলোকৰ লগত চৰকাৰে আলোচনা কৰি এটা সুব্যৱস্থা কৰিব লাগে। একালত শিক্ষা বিভাগত খেলিমেলি হৈ থকাৰ কাৰণে এজন জইন ডাইৰেক্টৰক থানাৰ লকাপত ভৰোৱা হৈছিল। গতিকে এতিয়া মন্ত্রী বিষয়া সকলৰ সদিচ্ছা থাকিলেও যদি খেলিমেলি হৈ থাকে সেইটো তৎকালেই দূৰ কৰিব লাগে। আমি বিচাৰো, শিক্ষাৰ মাণদণ্ড উন্নত হওক। শিক্ষক সকলৰ মাজত থকা ভূল বুজাবুজি আৰু হতাশা আতৰ হওঁক। আপুনি চাওক এতিয়াৰ পৰা ১৮০০ চাকৰিয়ালে গহপুৰত গৈ চাকৰী কৰিবলগীয়া হৈছে মাত্র ১৮০০ টকাত, এইটো সম্ভৱনে? আজি আমাৰ শিক্ষক সকলৰ হওক বা আমাৰ ৰাইজৰ জনসাধাৰণৰ কথাই হওক যিবিলাক সমস্যা সেইবিলাক আমি ক'ত কম। বিধান সভাত সভাৰ সদনতে যদি নকও কত কম। সেই কাৰণে মই কব বিচাৰিছো, চৰকাৰৰ আন্তৰিকতা থাকিলে শিক্ষক সকলৰ হতাশা আৰু সমস্যা বিলাক দূৰ কৰিবলৈ বেছি পৰ নালাগিব। এই স্পর্শকাতৰ বিষয় বিলাক পেণ্ডিং কৰি ৰাখিলে ভৱিষ্যতে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হব। আন্দোলনকাৰীয়ে দাবী কৰি আহিছে চৰকাৰে যদি আগন্তুক শীতকালিন অধিৱেশনত যথোচিত ব্যৱস্থা গ্রহণ নকৰে ভৱিষ্যতে আন্দোলন তীব্রতৰ কৰি তুলিব। সেয়েহে, মই আপোনাৰ জৰিয়তে শিক্ষা বিভাগক অনুৰোধ কৰিব বিচাৰিছো যাতে প্রাদেশিকীকৰণ কৰা, শিক্ষামিত্রৰ যি দাবী

সেই দাবী পূৰণ কৰা আৰু অ, বি, বি, শিক্ষক সকলৰ সমস্যা বিলাক সমাধান কৰিব বুলি অনুৰোধ জনালো। আজি এই গুৰুত্বপূৰ্ণ বিষয় কেইটা আলোচনা কৰিবলৈ অনুমতি প্ৰদান কৰাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ক পুণৰ ধন্যবাদ জনাই মই সামৰণি মাৰিলো।

* শ্ৰী নীলমনি সেন ডেকা (কৃষি মন্ত্ৰী) ঃ-

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয় সনত অনুপস্থিত থকাৰ কাৰণে আজি শূণ্যকালিন সময়ৰ জাননীৰ ওপৰত মাননীয় সদস্য, শ্ৰী পদম হাজকিা দেৱে যিখিনি বক্তব্য ৰাখিছে আৰু যি যুক্তি দাঙি ধৰিছে সেই সন্দৰ্ভত কব বিচাৰিছো।

"১৯ ডিচেম্বৰত প্ৰতিদিন কাকতত প্ৰকাশিত প্ৰাদেশিকীকৰণ ঃ লাষ্টগেটত ভেঞ্চাৰ হাইস্কুলৰ শিক্ষকৰ বিক্ষোভ' এই বিষয়টো বাতৰি কাকতত প্ৰকাশ পাইছে আৰু মাননীয় সদস্য গৰাকীয়ে ইয়াৰ ওপৰত যুক্তি ডাঙি ধৰিছে। আচলতে অ, বি, বি শিক্ষক সকলৰ সমস্যাতো আমাৰ দিনত নহয়, আপোনালোকৰ দিনতে নিযুক্তি দিয়া হৈছিল। নলবাৰী, ধৰ্মপুৰ ইত্যাদি অঞ্চলত ৩০০/৪০০ শিক্ষকক নিযুক্তি দিয়া হৈছিল। কিন্তু সেই সময়ত ৩০০/৪০০ ৰ ঠাইত ৫০০০ ক নিযুক্তি দিয়া হৈছিল। আনকি কুকুৰৰ ডিঙিতো নিযুক্তি পত্ৰ ওলোমাই দিয়া হৈছিল। বাতৰি কাকতত যিটো কথা কোৱা হৈছে দৰাচলতে সেইটো নহয়। মূল বিষয়টো হৈছে- ২০০৬ চনৰ পিচত হাইস্কুলৰ

* Speech not corrected

শিক্ষকে স্বীকৃতি পাইছিল। আৰু তেওঁলোকক প্ৰাদেশিকী কৰণ কৰিব লাগে আৰু তেওঁলোকৰ যিবিলাক অসুবিধা আছে সেইবিলাক দূৰ কৰিব লাগে। এই সম্পৰ্কীয় কথা বিলাক আলোচনা-বিলোচনা কৰি আৰু ইয়াৰ সমস্যা বিলাক দূৰ কৰিবলৈ যিখন আইন অনা হৈছিল, সেই আইনখন পাছ হোৱাৰ আজি ১ বছৰ হ'ল। যদি মোৰ ভুল হোৱা নাই সেই বিলখন উত্থাপন কৰাৰ সময়ত মাননীয় সদস্য গৰাকীয়ে কিয় সংশোধনী নানিলে। তেতিয়াই এই সম্পৰ্কত সংশোধনী অনা হলে আজি এনে এটা অৱস্থা নহয়।

✱ **শ্ৰী কেশৱ মহন্ত** ঃ- আমি সংশোদনী আনিছিলো, কিন্তু ফল নধৰিলে।

✱ **শ্ৰী নীলমনি সেন ডেকা (কৃষি মন্ত্ৰী)** ঃ- ২০০৬ চনত শিক্ষক সকলৰ এই সমস্যা সমূহ আৰু দাবী ইত্যাদি সম্পৰ্কত বিধায়ক সকলৰ লগত আলোচনা হৈছিল। এই সমস্যা বিলাক সমাধান কৰিৰ কাৰণে আমাৰ লগতো আৰু অন্য মন্ত্ৰীৰ লগতো আলোচনা কৰিছিল। সেই আলোচনা মৰ্মে কোনো কেনো, ঠাইত বা কিছু কিছু অংশ আইনৰ, ধাৰা সংশোধিত হৈছিল। অৱশ্যে গোটেইখিনি কথা মই ইয়াত খোলোচা মাৰি কব নোৱাৰিম। কিন্তু মই দৃঢ়ভাৱে কব পাৰো যে আমাৰ শিক্ষক সকলৰ যিবিলাক সমস্যা সেইবিলাক সমাধান কৰাৰ ক্ষেত্ৰত আমি দায়বদ্ধ।

✱ **শ্ৰী পদ্ম হাজৰিকা** ঃ- বিলখনৰ সংশোধনী অনাৰ কাৰণে নোটিচ আহিছিল, কিন্তু উত্থাপন কৰাৰ সুবিধা নহল।

✱ Speech not corrected

✷ **শ্রী নীলমনি সেন ডেকা (কৃষি মন্ত্রী)** ঃ- এতিয়া সদনত যিহেতু শিক্ষা মন্ত্রী উপস্থিত নাই, তেখেতক মই এই বিষয়ে জনাম।

✷ **শ্রী পদ্ম হাজৰিকা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, বিলখনৰ সংশোধনীৰ কাৰণে জাননী দিয়া হৈছিল কিন্তু বিলখন বৰৱৰ্ত্তী সময়ত বিধান সভাত নাহিল।

✷ **শ্রী নীলমনি সেন ডেকা (কৃষি মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এতিয়া শিক্ষামন্ত্রী সদনত উপস্থিত নাই। মই উত্তৰ দিব লগীয়া হৈছে। পৰৱৰ্ত্তী বিধান সভাত সংশোধনী আনিবৰ কাৰণে চেষ্টা কৰিম।

মাননীয় অধ্যক্ষ ঃ একে বিষয়ৰ দুখন জাননী প্রাপ্ত হোৱাত মই জাননী দুখন একেলগে আলোচনা কৰিবলৈ অনুমতি প্রদান কৰিলো।

এতিয়া মই, মাননীয় সদস্যদ্বয়, শ্রী মেম্বৰ গগৈ আৰু অঞ্জন দত্তক ইং ২০-১২-২০১১ তাৰিখৰ "দৈনিক বাতৰি" কাকতত প্রকাশিত

"বান-খহনীয়াৰ কবলৰ পৰা কেতিয়া মুক্ত হ'ব টীয়ক, আমগুৰি, যোৰহাটবাসী?"

শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

শ্রী মেম্বৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দৈনিক বাতৰিত প্রকাশিত মোৰ সমষ্টিৰ ব্রহ্মপুত্র বান খহনীয়াৰ চৰকাৰ অবগত নে এই কথাখিনি আজিৰ সদনত আনিবলৈ দিয়ৰ কাৰণে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। আমাৰ তাত বানপানী খহনীয়া ৰোধৰ কাৰণে ব্যৱস্থা লৈছে যদিও এইটো ঠিক যে বান খহনীয়াৰ পৰা উদ্ধাৰ পাবৰ কাৰণে ৰাস্তাৰ সন্মত আৰ বিজ্ঞান সন্মত খনন কার্য্য আৰম্ভ নকৰাৰ ফলত ই সংকুচিত হৈ গৈ আছে। কৃষকৰ খেতি পথাৰৰ মাটি সংকুচিত হৈ গৈ আছে। বান পানীৰ কাৰণে ৰাইজে খেতি কৰিব পৰা নাই। আমাৰ গাৱৰ ৰাইজে দিনক দিনে অর্থনৈতিকভাৱে দুর্বল হৈ গৈ আছে। চৰকাৰে বান খহনীয়া প্রতিৰোধ কৰিবৰ কাৰণে চেষ্টা কৰি আহিছে। টিয়ক, আমগুৰি সমষ্টিটোক ফলপ্রদ ভাবে উদ্ধাৰৰ বাবে আগবাঢ়ি আহিব বুলি আশা ৰাখিছো। যোৰহাট সমষ্টিৰ মাজেদি ভোগদৈ নৈ গৈছে। টিয়ক টাউন খন বানৰ কবলত পৰিছে। তাৰ কাৰণে যোৱাবাৰৰ বানপানীয়ে এটা বৃহৎ অংশৰ ২/৩ কিলোমিটাৰ পথাৰৰ মাজেদি নৈখন গতি কৰিছে। ভোগদৈ নৈ আৰু টিয়ক নৈৰ পৃষ্ঠ যোৰহাট আৰু পথাৰৰ মাটিতকৈ ওপৰত গৈছে। নৈ খনে নিজৰ গতিৰে বৈ নগৈ পথাৰৰ মাজেৰে গতিপথ সলায় বৈ গৈছে। যাব ফলত, ৰাইজ আহুকালৰ সন্মুখীন হৈছে। পথাৰৰ মাজেদি বৈ যোৱা নৈ খন খান্দিবৰ কাৰণে চি, আৰ, এফৰ পৰা টকা দিবৰ কাৰণে মই লিখিছো। মই

উপায়ুক্ত মহোদয়ক বিষয়টো জনাইছো। বান নিয়ন্ত্রণ বিভাগকো জনাইছো যাতে এইটোৰ এটা ভাল ব্যৱস্থা সোনকালে হয়। ইয়াৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। নহলে এই অঞ্চলৰ মাজেদি বৈ যোৱাৰ কাৰণে শ শ বিঘা খেটিৰ মাটি নষ্ট হৈ গৈছে । খেতিয়কে খেতি কৰিব পৰা নাই। এই বিষয়টো মন্ত্রী ডাঙৰীয়াৰ হাততো অর্পণ কৰিছে। চৰকাৰী ভাৱে এই খনন কার্য্যৰ ব্যৱস্থা সোনকালে লৈ লব লাগে।

শ্রী অঞ্জন দত্ত ঃ ত্রয়োদশ অসম বিধানসভাৰ মাননীয় অধ্যক্ষ মহোদয়, মোক পৱিত্র সদনৰ মজিয়াত বান আৰু খহনীয়া সন্দর্ভত ক'বলৈ সুযোগ দিয়াৰ বাবে প্রথমেই ধন্যবাদ জনাইছো। ব্রহ্মপুত্র আৰু ইয়াৰ উপনৈসমূহ ক্রমাৎ বাম হৈ অহাৰ ফলত বান আৰু গৰাখহনীয়াৰ সমস্যাই সমগ্র ৰাজ্যখনতে ভয়াৱহ ৰূপ ধাৰণ কৰিছে আৰুএনে খহনীয়াই ব্যাপক হাৰত ভূমি সংকুচিত কৰিছে। বান আৰু খহনীয়া কেৱল নদীদ্বীপ মাজুলীতে নহয়, ৰাজ্যৰ অন্যান্য প্রান্ততো হয়। ৰাজ্যৰ বিভিন্ন প্রান্তৰ লগতে টিয়ক আৰু আমাগুৰি সমষ্টিতো এই বান আৰু খহনীয়াৰ সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। যোৰহাট সমষ্টিতো ভোগদৈ, কাকজান আদিয়ে অনুৰূপ সমস্যাৰ সৃষ্টি কৰিছে। টিয়ক সমষ্টিত এই সমস্যাই ইমানেই গুৰুতৰ ৰূপ ধাৰণ কৰিছে যে বাৰিষাৰ আগমনৰ লগে লগে সমষ্টিটোৰ অন্তর্গত মুদৈজান, টিয়ক নৈ আদিৰ

দাঁতিকাষৰীয়া অঞ্চলসমূহৰ অগণন বাসিন্দা আতংকিত হৈ পৰে। মুদৈজান, টিয়ক নৈ আদি ক্রমাৎ বাম হৈ পৰাৰ ফলস্বৰূপেই এজাক বৰষুণেই অঞ্চলটোৰ খেতিপথাৰ বুৰাই পেলায় আৰু খেতিয়কসকল ব্যাপক ক্ষতিৰ সন্মুখীন হয়। সেইদৰেই বানপানী আৰু গৰাখহনীয়াৰ সমস্যাই বেয়াকৈ জুৰুলা কৰিছে মই প্রতিনিধিত্ব কৰা সমষ্টি আমগুৰিৰ এক বৃহৎ অঞ্চল। পিছে দুর্ভাগ্যৰ কথা এয়ে যে এনে পৰিস্থিতিৰ বাবে ভূক্তভোগী ৰাইজে তীব্র অসন্তুষ্টি প্রকাশ কৰিছে যদিও এইক্ষেত্রত জলসম্পদ বিভাগ তথা বিভাগীয় মন্ত্রীয়েহে অলপো গুৰুত্ব দিয়া নাই। ব্রহ্মপুত্রই আমগুৰি সমষ্টিৰ ৰূপহীমুখত ব্যাপক গৰাখহনীয়াৰ সৃষ্টি কৰাৰ লগতে দিখৌ নৈয়ে সমষ্টিটোৰ দিখৌমুখ অঞ্চলৰ দিছিয়াল, নকটানি দেউঘৰীয়া আদিৰ মথাউৰিত ভয়াৱহ খহনীয়া অব্যাহত ৰাখিছে। জলসম্পদ বিভাগৰ হেমাহিৰ বাবে যদি এই মথাউৰিসমূহ ছিণ্ডিবলগীয়া হয়, তেনেহ'লে এক বৃহৎ অঞ্চল পানীত বুৰ যাব আৰু অবর্ণনীয় পৰিস্থিতিৰ সৃষ্টি হ'ব। সেইদৰেই দেউঘৰীয়া মথাউৰিয়ে মুহূর্তৰ ভিতৰতে অস্তিত্বহীন কৰি তুলিব পাৰে ঐতিহ্যমণ্ডিত ৰামখা পীঠক। আমগুৰি নগৰৰ কাষেৰে বৈ যোৱা জাঁজী নৈৰপ্রবল গৰাখহনীয়ায়ো বৃহত্তৰ অঞ্চলটোৰ একমাত্র সাপ্তাহিক বজাৰ, একমাত্র ৰাজহুৱা শ্মশান 'শান্তিবন'ৰ লগতে কেবাখনো গাঁৱলৈ তীব্র ভাবুকি কঢ়িয়াই আনিছে। মূলতঃ আমগুৰিবাসীৰ লগতে মৰিয়নী সমষ্টিৰ এক বৃহৎ অঞ্চলৰ ৰাইজৰ প্রধান ক্রয়-বিক্রয়ৰ স্থল আমগুৰি দেওবৰীয়া

সাপ্তাহিক বজাৰখন জাঁজী নৈৰ গৰাখহনীয়াত পৰি একেবাৰে নিশ্চিহ্ন হোৱাৰ পথত। সেইদৰেই ২০০৫ চনত মূখ্যমন্ত্রী তৰুণ গগৈদেৱে দ্বাৰ মুকলি কৰা বৃহত্তৰ আমগুৰি অঞ্চলৰ হিন্দু ধর্মাৱলম্বী লোকসকলৰ একমাত্র ৰাজহুৱা শ্মশান 'শান্তিবন'-ও অস্তিত্বৰ সংকটত পৰিছে। অনুৰূপ ধৰণে সমষ্টিটোৰ ভূঞাহাট পঞ্চায়তৰ অধীনৰ ২ নং ভূঞাহাট কৈৱর্ত গাওঁ, সাউদ গাওঁ, বৰবাম পঞ্চায়তৰ অধীনৰ লাহদৈগড় মিচিং গাওঁ আদিৰ বহু অংশ জাঁজী নৈৰ খহনীয়াত জাহ যোৱাৰ লগতে বহু পৰিয়াল স্থানান্তৰিত হ'বলগীয়া হৈছে। বিগত তিনি-চাৰি বছৰ ধৰি জাঁজী নৈৰ এনে খহনীয়া অব্যাহত আছে যদিও দুর্ভাগ্যজনকভাৱে জলসম্পদ বিভাগে এইক্ষেত্রত কোনো কাণ-সাৰ দিয়া নাই। সমষ্টিটোৰ নামদাং, খৰখৰী, মিতং আদি নৈ-জানসমূহ কার্যতঃ পোত যোৱাৰ ফলত ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহ জলমগ্ন হৈ থাকিবলগীয়া হয় আৰু এনে সমস্যাই অঞ্চলটো বাসৰ বাবে অনুপযোগী কৰি তুলিছে। মই এই সন্দর্ভত বিভাগীয় কার্যবাহী অভিযন্তাৰ ওচৰলৈ প্রপ'জেলো পঠিয়াইছো। অঞ্চলটোক বান আৰু খহনীয়াৰ পৰা ৰক্ষা কৰাৰ স্বার্থত বিষয়টো বিভাগীয়া মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো, যাতে বিষয়টোক গুৰুত্বসহকাৰে লোৱা হয় আৰু এই সন্তর্ভত বিহিত ব্যৱস্থা গ্রহণ কৰা হয়।

মাননীয় অধ্যক্ষ মহোদয়, মই প্রতিনিধিত্ব কৰা সমষ্টি আমগুৰিৰ অন্তর্গত দিখৌমুখক ত্রিৱেণী সংগম বুলি কোৱা হয়।

